NABAJYOTI COLLEGE
KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

# নবজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

সপ্তবিংশতিতম আলোচনী

ইং ২০১৪-১৫ বৰ্ষ



# নবজ্যোতি

তত্ত্বাৱধায়কদ্বয়

ডঃ এম.এছ. শ্বেইখ

ছৈয়দা হামিদা খাতুন

সম্পাদক

হাফিজুৰ ৰহমান



ভাৰতীয় সেনা বিভাগৰ বিভিন্ন পদবীত যোগদানৰ সুবিধাৰ্থে ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সভা অনুষ্ঠিত কৰিবলৈ অহা সেনা কমাণ্ডেন্ট




অসম চৰকাৰৰ খাদী আৰু গ্ৰামোদ্যোগ বিভাগৰ দ্বাৰা আয়োজিত সজাগতা সভাৰ এটি মূহুৰ্ত্ত




ৰাজনীতি বিজ্ঞান বিভাগৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰ এটি মূহুৰ্ত্ত




হায়দৰাবাদৰ ছানা গ্ৰুপ অব টেকনিকেল ইডুকেশ্বনৰ দ্বাৰা আয়োজিত সজাগতা সভাৰ এটি মূহুৰ্ত্ত




অৰ্থনীতি বিজ্ঞান বিভাগৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰ এটি মূহুৰ্ত্ত




শিক্ষা বিভাগৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰ এটি মূহুৰ্ত্ত




অসমীয়া বিভাগৰ দ্বাৰা আয়োজিত বিভাগীয় আলোচনা চক্ৰৰ এটি মূহুৰ্ত্ত



উত্তৰ প্ৰদেশৰ বিশেষজ্ঞ হস্ত শিল্পীৰ দ্বাৰা আয়োজিত প্ৰশিক্ষণ শিবিৰৰ এটি মূহুৰ্ত্ত

# নৱজ্যোতি

## নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

(নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ বাৰ্ষিক পুঁজি
আৰু
ছাত্ৰ-ছাত্ৰী সকলৰ সুপ্ত প্ৰতিভা বিকাশৰ ক্ষেত্ৰত অসম চৰকাৰে আগবঢ়োৱা অৰ্থ সাহায্যৰে প্ৰকাশিত)

NABAJYOTI COLLEGE
KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

সপ্তবিংশতিতম্ আলোচনী
ইং ২০১৪-২০১৫ বৰ্ষ।

শ্ৰদ্ধাৰে / মৰমেৰে,

শ্ৰী / শ্ৰীমতী ..........................................................

..........................................................ৰ হাতত তুলি দিয়া হ'ল।

— ধন্যবাদ।

তত্ত্বাৱধায়কদ্বয়

ড° এম. এছ. শ্বেইখ, সহযোগী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ।
ছৈয়দা হামিদা খাতুন, সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ।

সম্পাদক

হাফিজুৰ ৰহমান আলোচনী বিভাগ।
ছাত্ৰ একতা সভা, নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।

"Nabajyoti" An Annual Magazine, Published by Editorial Board, Magazine, Nabajyoti College, Kalgachia

# সম্পাদনা সমিতি

সভাপতি- : ড° ছাহজাহান আলী আহমেদ, অধ্যক্ষ, নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।
তত্বাৱধায়কদ্বয়- : ড° এম. এছ. শ্বেইখ, সহযোগী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ।
: ছৈয়েদা হামিদা খাতুন, সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ।
সম্পাদক- : হাফিজুৰ ৰহমান, আলোচনী বিভাগ।
সদস্য/সদস্যা- : ঘনশ্যাম ভৰালী, উপাধ্যক্ষ, নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।
: এম. নজমুল হক, সহযোগী অধ্যাপক, ইংৰাজী বিভাগ।
: ৰৌছানাৰা আখতাৰ, মুৰব্বী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ।
: শ্ৰীসুশীল কুমাৰ সৰকাৰ, মুৰব্বী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ।
: মাছুদ হাছান, সহকাৰী অধ্যাপক, ইংৰাজী বিভাগ।
: ফৰিদুল ইছলাম, উপ-সভাপতি, ছাত্ৰ একতা সভা।
: জাহিদুল ইছলাম, সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা।
বেটুপাত পৰিকল্পনা- : ড° এম. এছ. শ্বেইখ, নিতু চহৰীয়া, মহিদুল ইছলাম, সফিকুল ইছলাম।
বেটুপাত অংকন- : মহিদুল ইছলাম, অধ্যক্ষ, মকবুল ফিদা হুছাইন ফাইন আৰ্টচ একাডেমী, কলগাছিয়া।
ফটোগ্ৰাফী- : ড° এম. এছ. শ্বেইখ, সহযোগী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ।
: হাফিজুৰ ৰহমান, সম্পাদক, আলোচনী বিভাগ।
অক্ষৰ বিন্যাস- : আলী আহমেদ
অফছেট অপাৰেটৰ- : আব্দুল আউৱাল

বিঃ দ্ৰঃ- আলোচনীত প্ৰকাশিত লিখনিসমূহ লেখক-লেখিকাৰ আত্ম প্ৰচেষ্টাৰ ফল বুলি গণ্য কৰা হৈছে। যদি কোনোৱে আনৰ লিখনিৰ নকল কৰিছে তাৰ বাবে সম্পাদনা সমিতি দায়ী নহয়। অনিচ্ছাকৃত ভাবে বৈ যোৱা ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনীয়।

মুদ্ৰণ : মিলন অফছেট প্ৰেছ, কলগাছিয়া, ফোন- ৯৯৫৭১২৫৬৫৪, ৯৬৭৮৭০৪৬৯১





# উচ্ছৰ্গা





ভাৰত মাতৃৰ বুকু শুদা কৰি যোৱা বিশ্ব বৰেণ্য বিজ্ঞানী মিছাইলমেন তথা যুৱ প্ৰজন্মৰ আইকন ভাৰতবৰ্ষৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি প্ৰয়াত ড০ এ.পি.জে. আব্দুল কালাম আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ভূতত্ব বিজ্ঞানী আৰু সমাজ বিজ্ঞানী প্ৰয়াত প্ৰফেছৰ মোহাম্মদ তাহেৰ ছাৰলৈ আমাৰ হিয়া ভৰা অশ্ৰু অঞ্জলি যাচিছোঁ আৰু তেওঁলোকৰ পবিত্ৰ স্মৃতিত আলোচনীৰ এই সংখ্যা আৰ্পন কৰিলো।

সম্পাদনা সমিতি
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া



## আমাৰ মহাবিদ্যালয়ৰ প্ৰকাশিত এলবাম আৰু গ্ৰন্থসমূহ




























**Sri Sarat Barkotoky**
**MINISTER**
Education, Pension and Public Grievences, Assam
Dispur, Guwahati-781006

Ph.: 0361-2237008 (O) (TeleFax)
0361-2261269 (R)
03772-256737 (Sonari)

Date :.............................

*Date : 9th April, 2015*



# *MESSAGE*

*It gives me immense pleasure to know that the 27th volume of "Nabajyoti", the College Magazine of "Nabajyoti" College, Kalgachia in Barpeta District is going to be published very soon. College Magazine has a great role to play in academic as well as literary upliftment of the Student and Teachers. I hope, "Nabajyoti" will contain valuable articles which will be beneficial for the students and teachers and inspire them to achieve their desired goal.*

*I offer my sincere thanks to the teachers and students of the College and wish grand success of the College Magazine "Nabajyoti".*

(Sarat Barkotoky)

(Hafiz) Rafiqul Islam
Member of Legislative Assembly
LA 44 Jania Constituency

Ph.- 9957417250
e-mail: riQasmi @gmail.com

Ref. No.....................

Date-



## শুভেচ্ছা বাণী

বৰপেটা জিলাৰ জনীয়া বিধান সভা সমষ্টিৰ কলগাছিয়াস্থিত নৱজ্যোতি মহাবিদ্যালয়খনে চল্লৰপ্ত-ৰছ বৰ্ষৰ 'মহাবিদ্যালয় আলোচনী' প্ৰকাশ কৰিব বুলি জানিবলৈ পাই নথৈ আনন্দিত হৈছোঁ।

সত্তৰৰ দশকত স্থাপিত মহাবিদ্যালয়খনিয়ে ইতিমধ্যে গুণগত শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি দেশত প্ৰকৃত মানৱ সম্পদ গঢ়াৰ কামত ব্ৰতী হৈছে। শিক্ষানুষ্ঠানখনত শৈক্ষিক, বৌদ্ধিক, সাংস্কৃতিক পাৰিপাৰ্শ্বিকতাৰ জন্ম দিয়াৰ ক্ষেত্ৰত নৱজ্যোতি আলোচনীখন এক বৃহৎ পদক্ষেপ আৰু সুস্থ সৰল চিন্তাধাৰাৰে শিক্ষাৰ্থীৰ বৌদ্ধিক পৰিমণ্ডল বিকাশ কৰাৰ ই এক সুপৰিকল্পিত প্ৰক্ৰিয়া। যিহ'ক, আলোচনীখনৰ জৰিয়তে শিক্ষাৰ্থীয়ে স্বকীয় চিন্তাৰ বৰ্হিঃপ্ৰকাশ ঘটোৱাৰ উপৰিও শৈক্ষিক দিশত উত্তৰণ ঘটাব পাৰিব বুলি মোৰ আশা।

সদৌ শেষত মহাবিদ্যালয়খনৰ আলোচনীৰ লগতে শিক্ষানুষ্ঠানখনৰ সৰ্বতো প্ৰকাৰৰ সফলতা কামনা কৰিলোঁ। ইতি—

27/9/15

বিধায়ক,
৪৪ নং জনীয়া বিধান সভা সমষ্টি।

**Md. Alauddin,** I.A.S (Retd)
**President**
**Governing Body**
Nabajyoti College, Kalgachia

Phone- 03666284422 (O)

**Ref. No.**

**Date: 17/10/2015**



## MESSAGE

*It gives me immense pleasure to learn that the annual magazine entitled **"Nabajyoti"** of Nabajyoti College, Kalgachia, Barpeta is being published soon for the academic session 2014-15.*

*For institutions of higher education magazine forms an integral part of the students and teachers to reflect their scholastic as well as non-scholastic achievements through innovative and pioneer writings of their own.*

*In the era of globalization of higher education the teachers and the taught are to devote to bring academic excellence of the institution. I am in anticipation of that the august publication will be richly endowed with contributions from the students, teachers and non-teaching community to reflect the quality of the institution in enriching the academic environment of the remote area by producing quality talents for all round development and prosperity of the nation.*

**(Md. Alauddin)**



## Principals Desk

*The prime mission of this institution is to serve for nation as a centre for the advancement, preservation and dissemination of knowledge. However, the institute is committed to the transmission of knowledge. It aims at endowing its students with a perfect synthesis of human values, ethical wisdom and modern and recent ideas and techniques to face the challange of present era of gloalization and technology based higher education through perfect learning.*

*The primary motto of Nabajyot College is effective class room and field oriented teaching to provide students with opportunities for the meaningful education. The institute seeks to measure the quality of teaching and learning through student, guardian, parent and peer evaluation and external review by the accrediting agencies. Preservation and expansion of knowlege through scholarly enquiry are functions that distinguish institutes of higher learning to provide opportunity to serve the society. The college perfectly maintains its adminstration and facilities for excellent academic enviroment.*

*A magazine reflect the quality of the learners and develops reading habits. It also gives encouragement to the new and young writers in different fields related to their curriculum with the need of the hour.*

Principal,
Nabajyoti College, Kalgachia.

## আলোচনী সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতেই সেই সকল স্বনামধন্য ব্যক্তিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ যাচিছোঁ যি সকল মহান ব্যক্তিৰ অশেষ চেষ্টা, ত্যাগ আৰু পৰিশ্ৰমৰ ফলত সংখ্যালঘু অধ্যুষিত কলগাছিয়াৰ নিচিনা পিছপৰা অঞ্চলত এনেকুৱা এখন বিদ্যা মন্দিৰ গঢ়ি উঠিছে যাৰ নাম “নৱজ্যোতি মহাবিদ্যালয়।” সেই স্বনামধন্য ব্যক্তিসকলৰ ভিতৰত যিসকল আমাৰ মাজত জীয়াই আছে সেই সকলৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছোঁ আৰু যিসকলে এই সংসাৰৰ পৰা চিৰ বিদায় লৈছে, সেইসকলৰ আত্মাৰ সদ্গতি কামনা কৰি সৃষ্টিকৰ্তাৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

যিসকল বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভণ্টিৰ অশেষ প্ৰচেষ্টা আৰু বিশেষকৈ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰাবাস, ছাত্ৰী নিবাস আৰু আন আন হোষ্টেল, মেছত থকা ছাত্ৰ-ছাত্ৰীয়ে সহায় সহযোগিতা কৰি তেওঁলোকৰ বহু মূল্যবান ভোটেৰে মোক নৱজ্যোতি মহাবিদ্যালয়ৰ ইং ২০১৪-১৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক পদত নিৰ্বাচিত কৰি এক গুৰু দায়িত্ব বহন কৰাৰ সুযোগ দিছিল সেই সকল বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰী, দাদা-বাইদেউ আৰু ভাইটি-ভণ্টিসকলক মোৰ সম্পাদকীয় প্ৰতিবেদনৰ জৰিয়তে আন্তৰিক কৃতজ্ঞতা, ধন্যবাদ আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ। বিশেষকৈ মই আবাসী হিচাপে থকা “কাজী ছাত্ৰাবাসৰ” আবাসীসকলে আগভাগ লোৱাৰ কাৰণে তেখেতসকলক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অইন অইন বছৰৰ দৰে এই বছৰো সীমিত সময়ৰ ভিতৰত “মহাবিদ্যালয় সপ্তাহ” উদ্‌যাপনত আলোচনী বিভাগৰ অধীনত প্ৰাচীৰ পত্ৰিকাখনহে আছিল। প্ৰাচীৰ পত্ৰিকাখন “প্ৰজ্ঞাজ্যোতি” উন্মোচন কৰে কাব্য তপস্যী এম. আকবৰ হুছেইনে। এই সুযোগতে তেখেতে মূল্যবান সময় নষ্ট কৰি আমাৰ মহাবিদ্যালয়ত উপস্থি হৈ প্ৰাচীৰ প্ৰত্ৰিকাখন উন্মোচন কৰি যি মূল্যবান ভাষণ আগবঢ়াইছিল তাৰ কাৰণে তেখেতক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। আশাকৰোঁ তেখেতৰ আগমনে আমাৰ মহাবিদ্যায়লৰ ছাত্ৰ-ছাত্ৰীসকলক সাহিত্য সাধনাৰ ক্ষেত্ৰত প্ৰেৰণা যোগাব।

তদুপৰি এইবেলি মহাবিদ্যালয় সপ্তাহত আলোচনী বিভাগৰ অধীনত বহুকেইটা নতুন প্ৰতিযোগীতা অনুষ্ঠিত কৰা হয়। যেনে- বাতৰি পঢ়া প্ৰতিযোগিতা, গল্প লিখা প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা আদি।

এইবেলি নৱজ্যোতি মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক আৰু বিজ্ঞান প্ৰদৰ্শনী অতি আটক-ধুনীয়াকৈ অনুষ্ঠিত কৰা হয়। এই ক্ষেত্ৰত মোক বিভিন্ন বিষয়ত দিহা পৰামৰ্শ আগবঢ়াই প্ৰদৰ্শনীখন সফল কৰি তোলাৰ কাৰণে তত্ত্বাৱধায়কদ্বয় ক্ৰমে মাননীয় ড° এম.এছ. শ্বেইখ আৰু ছৈয়দা হামিদা খাতুনৰ লগতে আন আন শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰদৰ্শখনত ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণ আছিল যথেষ্ট উৎসাহজনক। প্ৰদৰ্শনী প্ৰতিযোগিতাত বিচাৰকৰ আসনত আছিল আমাৰ মহাবিদ্যালয়ৰে মাননীয় লুৎফৰ ৰহমান শইকীয়া ছাৰ আৰু ছামচুল আলম ছাৰ। এই ছেগতে তেখেতসকলকো আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। প্ৰদৰ্শনীখনত অসম চৰকাৰৰ মাননীয় মন্ত্ৰী শ্ৰীযুত চন্দন সৰকাৰ আৰু জনীয়া বিধান সভা সমষ্টিৰ প্ৰাক্তন বিধায়ক মাননীয় আব্দুল খালেকদেৱে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ হোৱা বুলি যি মন্তব্য আগবঢ়াইছিল সেয়া ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে আছিল যথেষ্ট উৎসাহজনক।

সাহিত্যই দেশ কালৰ সীমা নামানে। সাহিত্য হ'ল এখন জাতিৰ দাপোন স্বৰূপ, য'ত সমাজ এখনৰ প্ৰকৃত প্ৰতিচ্ছবি প্ৰতিফলিত হয়। ঠিক সেইদৰে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে বাৰ্ষিক আলোচনীখন হ'ল মহাবিদ্যালয়ৰ সাহিত্যপ্ৰেমী ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে প্ৰতিভা বিকাশ আৰু প্ৰকাশৰ কাৰণে Platform ৰ নিচিনা। এই আলোচনীখনৰ জৰিয়তে এই সংখ্যালঘু অধ্যুষিত অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশ হওঁক, যুৱ শক্তিৰ শাৰীৰিক, মানসিক বিকাশ হওঁক, যুৱ মানসিকতাৰ শক্তিৰ উৎকৰ্ষ সাদন হওঁক, তাৰেই ঈশ্বৰৰ ওচৰত কামনা কৰিছোঁ।

সময়ৰ লগতে খোজ মিলাই নৱজ্যোতি মহাবিদ্যালয়খন অসমৰ লগতে ভাৰতবৰ্ষৰ আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে গঢ়ি উঠিব বুলি আশা কৰিছোঁ। বৰ্ত্তমানৰ যুৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যৰ প্ৰতি আগ্ৰহ কম। তেওঁলোকে নিজৰ মূল্যৱান সময়ৰ অধিক সময় ব্যায় কৰে নিজৰ মোবাইল, ফেচবুক, হোৱাটচআপ আদিৰ মাজত। তেওঁলোকে গল্প, কবিতা, প্ৰবন্ধ, আলোচনী, বাতৰি কাকত, বিভিন্ন ধৰণৰ সাধাৰণ জ্ঞানৰ কিতাপ আদি অধ্যয়ন নকৰে। কিন্তু এইবোৰ বস্তু আচলতে জ্ঞানৰ ভঁৰাল। এই বস্তুবোৰেই হ'ল সমাজ পৰিবৰ্ত্তনৰ প্ৰকৃত আহিলা। গতিকে মোৰ এই আলোচনীৰ জৰিয়তে বৰ্তমানৰ যুৱ প্ৰজন্মক বিভিন্ন ধৰণৰ গ্ৰন্থ আলোচনী, বাতৰি কাকত আদি বাহিৰা কিতাপ যিবোৰ পাঠ্যক্ৰমৰ ভিতৰত নপৰে, সেইবোৰ অধ্যয়ন কৰিবলৈ অনুৰোধ জনালোঁ। কাৰণ ছাত্ৰ এজনৰ কাৰণে পাঠ্যক্ৰমৰ জ্ঞানেই যথেষ্ট নহয়। সেয়েহে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলে এতিয়াৰে পৰা যাতে বিভিন্ন ধৰণৰ কবিতা, গল্প, প্ৰবন্ধ আদি লেখা-মেলা আৰু অধ্যয়ন কৰে তাৰ প্ৰতি আশা ৰাখিলোঁ। কথাত আছে যে, "যি মূলা বাঢ়ে তাৰ দুপাততে চিন।" আমাৰ মহাবিদ্যালয়খন তাৰেই উদাহৰণ স্বৰূপ। আমাৰ এইখন নৱজ্যোতি মহাবিদ্যালয়ৰ পৰা সময়ৰ সোঁতত কবিগুৰু ৰবীন্দ্ৰ নাথ ঠাকুৰৰ দৰে ন'বেল পুৰস্কাৰ পোৱা সাহিত্যিক ওলাব, চি.ভি. ৰমন, ড° এ.পি.জে. আব্দুল কালমৰ দৰে বৈজ্ঞানিক ওলাব, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে হাস্যৰসিক ওলাব, ড° ভূপেন হাজৰিকাৰ দৰে শিল্পী ওলাব বুলি মোৰ দৃঢ় বিশ্বাস। লগতে মোৰ একান্ত বিশ্বাস যে তেওঁলোকৰ ব্যক্তিত্বই আমাৰ সমাজৰ সংস্কাৰ সাধনত সহায় কৰিব আৰু জাতীয় সংহতি ৰক্ষা কৰাত সহায়ক হ'ব।

নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশ আৰু ব্যক্তিত্বৰ প্ৰকাশৰ কাৰণে আলোচনী বিভাগৰ বাৰ্যিক পুঁজিৰ দ্বাৰা মহাবিদ্যালয়ৰ এই আলোচনী "নৱজ্যোতি" নামেৰে প্ৰকাশ কৰা হৈছে। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সৎ উপদেশ আৰু সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে মাননীয় অধ্যক্ষ ড° ছাহজাহান আলী আহমেদ, প্ৰাক্তন উপাধ্যক্ষ মাননীয় ঘনশ্যাম ভৰালী, তত্বাৱধায়কদ্বয় ড° এম.এছ. শ্বেইখ আৰু ছৈয়দা হামিদা খাতুন লগতে সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যা, ছাত্ৰ একতা সভাৰ সমূহ সম্পাদক-সম্পাদিকা, ভাৰপ্ৰাপ্ত শ্ৰদ্ধাৰ অধ্যাপক-অধ্যাপিকা, লেখক-লেখিকা, বন্ধু-বান্ধৱী তথা মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰী বৃন্দলৈ আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিশেষকৈ মাননীয় শিক্ষাগুৰু ড° এম.এছ. শ্বেইখ ছাৰৰ লগত কাম কৰাৰ যি সৎ আৰু বাস্তৱ অভিজ্ঞতা লাভ কৰিলোঁ জীৱন গঢ়াৰ পথ প্ৰদৰ্শক ৰূপে উল্লেখনীয় হৈ ৰ'ব।

মহাবিদ্যালয়ৰ এবছৰীয়া কাৰ্য্যকালত যি মৰম আৰু আস্থাৰে মোক এই দায়িত্ব অৰ্পন কৰা হৈছিল আৰু তাৰ দাবীতেই এৰি অহা ভুলবোৰৰ শুধৰণি, ক্ষমা প্ৰাৰ্থনা আৰু আশীৰ্বাদ বিচাৰি নৱজ্যোতি মহাবিদ্যালয়ৰ ভৱিষ্যতৰ লগতে সমূহ বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰীসকলৰ মঙ্গল কামনা কৰিছোঁ আৰু মাননীয় শিক্ষাগুৰু সকলৰ ওচৰত মোৰ সুন্দৰ ভৱিষ্যতৰ কাৰণে আশীৰ্বাদ বিচাৰিছোঁ। মোৰ কাৰ্যকালত কিমানখিনি উন্নয়ণমূলক কাম কৰিছোঁ সেয়া আপোনালোকৰ বিচাৰ্য। এই আলোচনীখন সৰ্বাঙ্গীণ ৰূপে সুন্দৰ কৰি ছপা কৰি উলিওৱাৰ বাবে সহায় কৰা শ্ৰদ্ধেয় শিক্ষাগুৰু ড° এম.এছ. শ্বেইখ ছাৰ, ছৈয়দা হামিদা খাতুন বাইদেউ আৰু মিলন অফছেট প্ৰেছৰ স্বত্বাধিকাৰী নুৰমহম্মদ আলী আৰু কৰ্মচাৰী বৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ এই সম্পাদকীয় প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

"জয়তু নৱজ্যোতি মহাবিদ্যালয়"
"জয়তু ছাত্ৰ একতা সভা"
"জয় আই অসম।

ধন্যবাদেৰে-
**হাফিজুৰ ৰহমান**
সম্পাদক, আলোচনী বিভাগ
নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া।



**কৰ্মৰত অৱস্থাত আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ**
**ড° ছাহজাহান আলী আহমেদ**



আলোচনী সম্পাদনা সমিতি ২০১৪-১৫ ইং বৰ্ষ

বাওঁফালৰ পৰা ক্ৰমেঃ অধ্যাপক মাজ্জু হাছান (সদস্য), অধ্যাপিকা ৰৌছানাৰা আখতাৰ (সদস্য), হাফিজুৰ ৰহমান (সম্পাদক), অধ্যাপিকা চৈয়দা হামিদা খাতুন (তত্ত্বাৱধায়িকা) অধ্যাপক এম. নজমুল হক (সদস্য), ঘনশ্যাম তৰালী (উপাধ্যক্ষ) সদস্য, ড° ছাহজাহান আলী আহমেদ (অধ্যক্ষ) সভাপতি, অধ্যাপক ড° এম.এছ. শ্বেইখ (তত্ত্বাৱধায়ক) অধ্যাপক সুশীল কুমাৰ সৰকাৰ (সদস্য), ফৰিদুল ইছলাম (উপ-সভাপতি ছাত্ৰ একতা সভা) সদস্য, জাহিদুল ইছলাম (সাধাৰণ সম্পাদক ছাত্ৰ একতা সভা) সদস্য।

# সূচী পত্ৰ


**প্ৰবন্ধ শিতান**

- মানুহৰ স্বাস্থ্য আৰু ৰোগ — লুৎফুৰ ৰহমান শইকীয়া — ১
- বনছাই— এক অনন্য কলা — ড° চৈয়দা জাহানাৰা বেগম — ৭
- বৈজ্ঞানিক মন আৰু জীৱ শ্ৰেষ্ঠ মানৱ — আব্দুল ওহাব সৰকাৰ — ৯
- দক্ষতা ঃ পুৰুষ বনাম মহিলা — শামচুল আলম — ১১
- একবিংশ শতিকাৰ প্ৰত্যাহ্বান—মূল্যবোধৰ শিক্ষা — মুস্তাফিজুৰ ৰহমান — ১৩
- ভাৰতীয় সমাজ ব্যৱস্থাত নাৰী — নিতু চহৰীয়া — ১৫
- যুৱ-উচ্ছৃংখলতা আৰু সমাজৰ দায়বদ্ধতা — ড° এম. এছ. শ্বেইখ — ১৯
- মই চিগাৰেটে কৈছো... — আফলুজা বেগম — ২৩
- ৰেগিং এক সামাজিক ব্যাধি — ইশ্ৰাফীল আলম — ২৪
- অসমবাসী খ্ৰীষ্টান মিছনেৰীসকলৰ ওচৰত চিৰঋণী — মীৰ আব্দুৰ ৰহিম — ২৫
- শিক্ষকেই জাতিৰ মেৰুদণ্ডৰ নিৰ্মাতা — মুস্তাফিজুৰ ৰহমান — ২৭
- গোলকীয়কৰণ আৰু ভাৰতীয় অৰ্থনীতিত ইয়াৰ প্ৰভাৱ — ৰাজিদুল ইছলাম — ২৮
- মহাবিদ্যালয় সপ্তাহ আৰু কৰণীয় — মফিজুৰ ৰহমান — ৩০
- মহাবিদ্যালয় সপ্তাহ — ছনুৱাৰ হুছেইন — ৩১
- গোলকীয় উষ্ণতা বৃদ্ধি — ৰাজিদুল ইছলাম — ৩২
- যুৱতীৰ দৈনন্দিন জীৱনত শালীনতাহীন সাজপাৰৰ প্ৰভাৱ — সাফিকুল ইছলাম — ৩৩

**চুটি গল্প**

- আইতাক দেখিলো সপোনত — মফিদা খাতুন — ৩৫
- প্ৰতিদান — জাকিৰ হুছেইন — ৩৬
- অব্যক্ত বেদনা — মেহনুৰ খাতুন — ৩৭
- হতাশা ঃ এক নীৰৱ যন্ত্ৰণা — জাহিৰ আব্বাছ — ৪০
- নিঃসংগতাৰ আবেলি — আবুল বাশ্বাৰ বদিউজ জামান — ৪১
- প্ৰতীক্ষা — ছফিউৰ ৰহমান — ৪৩

**কবিতা কানন**

- নৱজ্যোতিৰ আলোকময় যাত্ৰাত — ধ্ৰুৱজ্যোতি দাস — ৪৫
- সমতা — ৰেজিয়া ছুলতানা — ৪৫
- মা, তোমালৈ...... — আফলুজা বেগম — ৪৬
- বসন্তৰ আনন্দ-বেদনা — ৰাশ্বিদুল আহমেদ — ৪৭
- জীৱন কি? — হাফিজুৰ ৰহমান — ৪৮
- স্মৃতিৰ জাগৰণ — জেছমিনা নাছৰিন হক — ৪৮
- বিদায় — মহিদুল ইছলাম — ৪৯
- প্ৰতাৰণা — ৰৌছানাৰা খাটুন — ৪৯

# সূচী পত্ৰ


| | | |
|---|---|---|
| প্ৰেম | নুৰ আলম খান (জিছম) | ৫০ |
| নিসংগতাৰ বেদনা | বিবি খোদেজা খাতুন | ৫০ |
| জীৱন | তাছলিমা নাছৰিন | ৫১ |
| স্মৃতিৰ বৰষুণত নিতিতিবা | দিলৰাৱা আহমেদ | ৫১ |
| ভাষাহীন কবিতা | ইমৰান আলী | ৫২ |
| শান্তিৰ সমল | মুস্তাফিজুৰ ৰহমান | ৫২ |
| মানুহক মানুহে কিয় নেদেখুওৱা সঠিক পথ | আমিৰুল ইছলাম | ৫৩ |
| মোৰ আই অসমী জননী জন্মভূমি | ৰফিকুল ইছলাম | ৫৫ |
| আমন্ত্ৰণ | জাহিৰ আব্বাছ | ৫৫ |
| আমি আৰু আমাৰ লক্ষ্য | শাহনেৱাজ পাৰবীন | ৫৬ |
| মানৱ জীৱন সোঁৱৰণ | আব্দুল বাছেদ | ৫৬ |
| **English Section** | | |
| In Pursuit of Happiness | B. K. Samal | ৫৮ |
| Service Sector, Business and Opportunities | Samsul Haque | ৬১ |
| Politics of Sixth Schedule and Ethno-exclusive...... | Dhrubajyoti Das | ৬৪ |
| Invisible Information Resource and its...... | Merina Ahmed | ৭০ |
| Role of Self-Help Groups towards...... | Dr. Imrul Hussain | ৭৩ |
| Student and Time Management | Mir Abdur Rahim | ৭৬ |
| College Week & Its Impact on Students | Mustaq Ahmed | ৭৮ |
| College Week : A Bliss for Students | Rohul Amin SK. | ৭৯ |
| The Earth | Rezaul Karim Ahmed | ৮০ |
| **Poem Section** | | |
| You Are The One I Want | Sanuwar Hussain | ৮১ |
| Remembering You | Fazlul Karim | ৮১ |
| Await | Safiqul Islam | ৮১ |
| My Love | Anower Hussain | ৮২ |
| Live | Rezia Sultana | ৮২ |
| সাধাৰণ সম্পাদকৰ প্ৰতিবেদন................ | | ৮৩ |
| সহঃ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন................ | | ৮৪ |
| শৰীৰ চৰ্চা সম্পাদকৰ প্ৰতিবেদন................ | | ৮৫ |
| তৰ্ক আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদকীয় প্ৰতিবেদন................ | | ৮৬ |
| সমাজ সেৱা সম্পাদিকাৰ প্ৰতিবেদন................ | | ৮৭ |
| সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন................ | | ৮৮ |
| ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন................ | | ৮৯ |
| Project done by the students of 6th Semester for the Session 2013-14................ | | ৯০ |
| Results of TDC 6th Semester Final Examination having CGPA 6.0 ................ | | ৯৬ |
| Ex. Editors & Editress................ | | ৯৮ |


# প্ৰবন্ধ শিতান



# মানুহৰ স্বাস্থ্য আৰু ৰোগ

লুৎফুৰ ৰহমান শইকীয়া
সহযোগী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ

মানুহৰ শাৰীৰিক আৰু মানসিক অৱস্থাৰ সন্তুলিত আৰু গুণগত ধাৰাকে স্বাস্থ্য বুলি প্ৰাচীন গ্ৰীক দাৰ্শনিক হিপ্পক্ৰেতচ্ (Hippocrates) আৰু ভাৰতীয় আয়ুৰ্বেদ শাস্ত্ৰই ব্যাখ্যা আগবঢ়াইছিল। প্ৰাচীন কালত কিছুমানে এনেকৈও বিশ্বাস কৰিছিল যে তিক্ত পিত্ত (Black bile) নামৰ দেহৰস থাকিলে ব্যক্তিজন উগ্ৰ স্বভাৱৰ হয় আৰু ৰোগাক্ৰান্ত হয়। আধুনিক শৰীৰ বিজ্ঞানৰ জনক উইলিয়াম হাৰ্ভেয়ে (Willium Harvey) ৰক্ত সঞ্চালন আৱিষ্কাৰ কৰাৰ পাছত তথা থাৰ্মোমিটাৰৰ সহায়ত তিক্ত পিত্ত দেহৰস থকা ব্যক্তিসকলৰ তাপমাত্ৰা সাধাৰণ পৰ্যায়ৰ বুলি প্ৰদৰ্শিত হোৱাৰ পাছত প্ৰাচীন স্বাস্থ্য তত্বৰ অৱসান ঘটিছিল। পৰৱৰ্তী সময়ত জীৱ বিজ্ঞানৰ বিকাশৰ ফলত স্নায়ুতন্ত্ৰ, অন্তঃস্ৰাৱী তন্ত্ৰ আৰু অসংক্ৰাম্যতাৰ বিষয়ে অধিক তথ্য উদ্‌ঘাটন হ'ল আৰু এইবোৰেই যে সুস্থতা প্ৰদানত পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে জড়িত সেয়া স্পষ্টকৈ গম পোৱা গ'ল। তদুপৰি ব্যক্তি এজনৰ মানসিক আৰু শাৰীৰিক অৱস্থায়ো স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলায়।

**স্বাস্থ্যৰ সংজ্ঞা ঃ**

স্বাস্থ্য বুলি কলে অকল ৰোগমুক্ত অৱস্থা বা শাৰীৰিক যোগ্যতাকে নুবুজায়। বিশ্ব স্বাস্থ্য সংস্থাই (WHO) স্বাস্থ্যৰ সংজ্ঞা তলত দিয়া ধৰণে আগবঢ়াইছে।

অকল ৰোগমুক্ত বা শাৰীৰিক সক্ষমতাই স্বাস্থ্য নহয়; স্বাস্থ্য হ'ল শাৰীৰিক, মানসিক আৰু সামাজিক কল্যাণৰ সৰ্বাঙ্গীন অৱস্থা।

বিশ্ব স্বাস্থ্য সংস্থাই স্বাস্থ্যৰ ক্ষেত্ৰত তিনিটা দিশক স্বীকৃতি দিছে। দিশ কেইটা হ'ল—শাৰীৰিক, মানসিক আৰু সামাজিক।

(i) শাৰীৰিক স্বাস্থ্যই শৰীৰৰ বিভিন্ন অংগ আৰু তন্ত্ৰবোৰে নিখুঁতভাৱে ক্ৰিয়া কৰি থকাকে বুজায়।

(ii) মানসিক স্বাস্থ্যই ব্যক্তি এজনে পৰিৱেশৰ লগত সমন্বয় ৰক্ষা কৰি সুস্থিৰ ভাৱে জীৱন নিৰ্বাহ কৰাকে বুজায়। মানসিকভাৱে সুস্থ লোক এজনে মানসিক চাপ আৰু উত্তেজনাৰ পৰা মুক্ত হৈ নিজৰ পৰিৱেশত কৰ্ম কাৰ্য চলাই যাব পাৰে।

(iii) সামাজিক স্বাস্থ্যই সমাজত বাস কৰা লোকজনে জীৱন নিৰ্বাহৰ বাবে লাগতিয়াল সামগ্ৰীবোৰ উপভোগ কৰাকে বুজায়। সামাজিক স্বাস্থ্যৰ বাবে লাগতিয়াল সামগ্ৰীবোৰ হ'ল—উপাৰ্জন, উপযুক্ত খাদ্য আৰু পৰিষ্কাৰ পানী, থাকিবলৈ পৰিষ্কাৰ বাসস্থান, সুখী পৰিয়াল, ওচৰ চুবুৰিয়াৰ আৰু বন্ধু-বান্ধৱৰ লগত পাৰস্পৰিক ক্ৰিয়া ইত্যাদি।

তলত উল্লেখ কৰা কাৰক সমূহৰ কাৰণে আমাৰ স্বাস্থ্য বিঘ্নিত হ'ব পাৰে।

(i) আনুবংশিক বিসংগতিবোৰৰ (Genetic disorder) কাৰণে কিছুমান ৰোগ বা শাৰীৰিক বিসংগতি জন্মসূত্ৰে পিতৃ মাতৃৰ পৰা সন্তানলৈ প্ৰৱাহিত হ'ব পাৰে।

(ii) সংক্ৰমণ বা অন্যান্য ৰোগোৎপাদকৰ কাৰণেও শৰীৰৰ স্বাভাৱিক অৱস্থাত ব্যাঘাত জন্মিব পাৰে।

(iii) অনিয়মীয়া খাদ্য আৰু পনীয়, পৰিশ্ৰম বা ব্যায়ামৰ অভাৱ, বিশ্ৰামৰ অভাৱ আদিৰ কাৰণেও সাধাৰণ স্বাস্থ্য বিঘ্নিত হ'ব পাৰে।

সুস্বাস্থ্যৰ অধিকাৰী হ'বলৈ তলত উল্লেখ কৰা নিয়ম বা বস্তুবোৰ উপলব্ধ হ'ব লাগিব।

(i) স্বাস্থ্যকৰ সুসামঞ্জস্যপূৰ্ণ খাদ্য।

(ii) বিশুদ্ধ খোৱা পানী।

(iii) নিজৰ আৰু নিজ সম্প্ৰদায়ৰ স্বাস্থ্যবিধিসন্মত পৰিৱেশ।

(iv) নিয়মিতভাৱে পৰিশ্ৰম বা শাৰীৰিক ব্যায়াম।

(v) ৰোগ আৰু ৰোগ সম্বন্ধীয় বিষয়বোৰৰ জ্ঞান।

(vi) সংক্ৰামক ৰোগৰ বিৰুদ্ধে টিকাকৰণ ব্যৱস্থা।

(vii) বৰ্জিত পদাৰ্থবোৰ যথাযথভাৱে নষ্ট কৰা।

(viii) জীৱাণু বাহকবোৰৰ নিয়ন্ত্ৰণ।

**ৰোগ বুলিলে আমি কি বুজো?**

ৰোগৰ সংজ্ঞা বিভিন্ন জনে বিভিন্ন ধৰণে আগবঢ়াইছে। কিছুমানৰ মতে শৰীৰ আৰু মনৰ অসুস্থ অৱস্থাটোৱেই হ'ল ৰোগ। কিছুমানৰ মতে আকৌ শৰীৰ আৰু মনৰ অস্বাভাৱিক অৱস্থাকেই ৰোগ বুলি কোৱা হয়। প্ৰকৃততে যি অৱস্থাই সাধাৰণ স্বাস্থ্যৰ অৱনতি ঘটায় বা যি অৱস্থাই শৰীৰৰ সাধাৰণ ক্ৰিয়াকলাপত ব্যাঘাত জন্মায় তাকে ৰোগ বোলা হয়। সুস্বাস্থ্যৰ ব্যক্তিজনৰ সকলোবোৰ অংগ-প্ৰত্যংগ আৰু তন্ত্ৰবোৰে নিখুঁত আৰু উপযুক্তভাৱে ক্ৰিয়া কৰি পাৰিপাৰ্শ্বিকতাৰ লগত সমন্বয় ৰক্ষা কৰি চলে। গতিকে ৰোগ হ'ল সুস্বাস্থ্যৰ বিপৰীত অৱস্থা। অক্সফৰ্ডৰ ইংৰাজী অভিধানৰ মতে শৰীৰ বা শৰীৰৰ কোনো অংগৰ কাৰ্যকলাপৰ বিঘ্নিত বা অৱনমিত অৱস্থাটোৱেই হ'ল ৰোগ।

যেতিয়া শৰীৰত কোনো ৰোগে দেখা দিয়ে তেতিয়া শৰীৰৰ বা কিছুমান অংগৰ স্বাভাৱিক ক্ৰিয়াকলাপ নাইবা চেঁহেৰা পৰিৱৰ্তন হৈ বিজুতিপূৰ্ণ হয়। এনেকুৱা বিজুতিপূৰ্ণ পৰিৱৰ্তনবোৰকে ৰোগৰ লক্ষণ বুলি কোৱা হয়। এই লক্ষণবোৰৰ পৰাই ৰোগৰ উপস্থিতিৰ কথা গম পাব পাৰি। চিকিৎসকসকলে ৰোগৰ লক্ষণবোৰ পৰ্যবেক্ষণ কৰি ৰোগৰ কাৰকবোৰ নিৰ্ণয় কৰিবলৈ বিভিন্ন পৰীক্ষা নিৰীক্ষা কৰে আৰু কাৰকবোৰ নিঃশেষ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰে।

**ৰোগৰ ঘটকসমূহ (Disease agents) :**

বিভিন্ন প্ৰকাৰৰ জীৱিত নাইবা মৃত ঘটকৰ কাৰণে ৰোগৰ সৃষ্টি হ'ব পাৰে। ৰোগৰ এই ঘটকসমূহক প্ৰধানতঃ ৬টা ভাগত ভগাব পাৰি—

(i) **জৈৱিক ঘটক (Biological agents) ঃ** জৈৱিক ঘটকসমূহক ৰোগোৎপাদক বা বীজাণু (Pathogen) বুলিও কোৱা হয়। এই বীজাণুবোৰ অতি ক্ষুদ্ৰ অণুজীৱ। এইবোৰে মানৱদেহত সংক্ৰামিত হৈ বিষাক্ত দ্ৰব্য বা টক্সিন (Toxin) সৃষ্টি কৰি শৰীৰৰ সাধাৰণ কাৰ্যকলাপ বিঘ্নিত কৰে; যাৰ ফলত শৰীৰ ৰোগাক্ৰান্ত হয়। জৈৱিক ঘটকসমূহ হ'ল— বেক্টেৰিয়া , ভাইৰাছ, ভেকুঁৰ, প্ৰট'য'ৱা ইত্যাদি।

**(ii) ৰাসায়নিক ঘটক (Chemical agents) ঃ** ৰাসায়নিক ঘটকসমূহক আকৌ দুই প্ৰকাৰত ভগাব পাৰি যেনে—অন্তৰ্জাত ৰাসায়নিক ঘটক আৰু বহিৰ্জাত ৰাসায়নিক ঘটক। অন্তৰ্জাত ৰাসায়নিক ঘটকসমূহ হ'ল, ইউৰিয়া, ইউৰিক এচিড, হৰ্মন, এনজাইম ইত্যাদি। আকৌ বহিৰ্জাত ৰাসায়নিক ঘটকসমূহ হ'ল, ৰাসায়নিক প্ৰদূষক, বিক্ষপক দ্ৰব্য (Allergents), ৰেণু ইত্যাদি। এনেকুৱা ৰাসায়নিক ঘটকবোৰৰ পৰাও শৰীৰত বিভিন্ন ধৰণৰ ৰোগ হয়।

**(iii) পুষ্টিজনিত ঘটক (Nutritional agents) ঃ** কিছুমান পুষ্টিজনিত দ্ৰব্যও ৰোগ সৃষ্টিকাৰী ঘটক হ'ব পাৰে। এইবোৰ হ'ল, প্ৰ'টিন, শৰ্কৰা, চৰ্বী, পানী আৰু খনিজ লৱণ।

**(iv) ভৌতিক ঘটক (Physical agents) ঃ** পাৰিপাৰ্শ্বিকতাৰ উত্তাপ, আদ্ৰতা, বিভিন্ন ধৰণৰ বিকিৰণ, বৈদ্যুতিক শক্তি, শব্দ আদি হ'ল ৰোগ সৃষ্টি কৰিব পৰা কিছুমান ভৌতিক কাৰক।

**(v) যান্ত্ৰিক ঘটক (Mechanical agents) ঃ** যান্ত্ৰিক কাৰ্য বা আঘাতৰ ফলতো কিছুমান ৰোগৰ সৃষ্টি হ'ব পাৰে। পেশীৰ বিষ, আঘাত পোৱা, হাড় ভঙা আদি ৰোগবোৰ যান্ত্ৰিক ঘটকৰ ফলাফল।





**(vi) আনুবংশিক ঘটক (Geetic agents) ঃ** কিছুমান আনুবংশিক ৰোগ জন্মসূত্ৰে মাক দেউতাকৰ পৰা সন্তানলৈ আহে। হিম'ফিলিয়া, কাঁচিকোষ ৰক্তহীনতা, বৰ্ণান্ধতা আদি আনুবংশিক ঘটকৰ ফলত সৃষ্টি হোৱা ৰোগ।

**ৰোগৰ প্ৰকাৰ (Types of diesease) ঃ**

সাধাৰণতে ৰোগবোৰক বহল ভিত্তিত দুটা প্ৰধান ভাগত ভগাব পাৰি যেনে, জন্মগত ৰোগ Congenital disease) আৰু আৰ্জিত ৰোগ (Aquired diesease)।

**1. জন্মগত ৰোগ ঃ** এই ৰোগবোৰ বংশগতিৰ সূত্ৰে সন্তানলৈ আহে। গতিকে এইবোৰ ৰোগ জন্মৰ পিছৰ পৰাই দেখা দিয়ে। এইবোৰ ৰোগীৰ শৰীৰত কিছুমান শৰীৰবৃত্তিয় (Physiological) নাইবা দেহোভ্যান্তৰিণ (Anatomical) বিসংগতি দেখিবলৈ পোৱা যায়। জন্মসূত্ৰে সংচাৰিত হোৱা কিছুমান জিন ইয়াৰ বাবে দায়ী। জিন নাইবা ক্ৰম'জমৰ উৎপৰিৱৰ্ত্তনৰ ফলত এইবোৰ ৰোগৰ সৃষ্টি হয়। বৰ্ণান্ধতা, হিম'ফিলিয়া, এলকাপ্টনুৰিয়া, কাঁচিকোষ ৰক্তহীনতা আদি ৰোগ জিনৰ উৎপৰিৱৰ্ত্তনৰ ফলত সৃষ্টি হোৱা ৰোগ। আনহাতে ডাউনৰ লক্ষণ, ক্লিনফেল্টাৰৰ লক্ষণ, টাৰ্নাৰৰ লক্ষণ, পাটাউৰ লক্ষণ আদি ক্ৰম'জমৰ উৎপৰিৱৰ্ত্তনৰ ফলত হোৱা ৰোগ।

**2. আৰ্জিত ৰোগ ঃ** এই ৰোগসমূহ জন্মৰ পাছত সৃষ্টি হোৱা ৰোগ আৰু এইবোৰ বংশগত নহয়। পৰিৱেশজনিত কাৰকৰ ফলত এইবোৰ ৰোগৰ সৃষ্টি হয়। বিস্তাৰৰ ওপৰত নিৰ্ভৰ কৰি এই ৰোগবোৰক দুটা ভাগত ভগাব পাৰি—

**A. সংচাৰী ৰোগ বা সংক্ৰামক ৰোগ (Communicable disease)**

**B. অসংচাৰী ৰোগ বা অসংক্ৰামক ৰোগ (Noncommunicable disease)**

**A. সংচাৰী ৰোগ ঃ**

এই ৰোগসমূহ আক্ৰান্ত ব্যক্তি এজনৰ পৰা সুস্থ মানুহ এজনৰ শৰীৰলৈ বিয়পিব পাৰে। ইয়াক সংক্ৰামক ৰোগ বুলিও কোৱা হয়। আক্ৰান্ত ব্যক্তিজনৰ পৰা এই ৰোগ স্পৰ্শ, বায়ু, পানী, খাদ্য আদি মাধ্যমৰ দ্বাৰা সংচাৰিত হয়। কিছুমান ক্ষুদ্ৰ অণুজীৱ এই ৰোগবোৰৰ ঘটক। ৰোগৰ ঘটকৰ ওপৰত নিৰ্ভৰ কৰি ইয়াক তলত দিয়া ধৰণে ভগাব পাৰি।

**(i) ভাইৰাছজনিত ৰোগ (Viral diesease) ঃ** উদাহৰণ—পলিঅ' (Polio), বসন্ত (Posx), জলাতঙ্ক বা ৰেবিছ (Rabies), পিঠা খোৱা (Mumps), এনকেফেলাইটিছ, হালধীয়া জ্বৰ, এইডছ্, পানীলগা ইত্যাদি।

**(ii) বেক্টেৰিয়াজনিত ৰোগ (Bacterial disease) ঃ** উদাহৰণ—কলেৰা, টাইফ'য়েড, যক্ষ্মা, প্লেগ, ডিপ্থেৰিয়া, ধনুষ্টংকাৰ, কুষ্ঠৰোগ, নিউম'নিয়া ইত্যাদি।

**(iii) ভেকুঁৰজনিত ৰোগ (Fungal disease) ঃ** উদাহৰণ—ৰিং ওৱাৰ্ম (Ring worm) আৰু বিভিন্ন প্ৰকাৰৰ ছালৰ ৰোগ।

**(iv) আদ্যপ্ৰাণীজনিত ৰোগ (Protozoal disease) ঃ** উদাহৰণ—মেলেৰিয়া, এমিবীয় গ্ৰহণী, কলাজ্বৰ ইত্যাদি।

**(v) কৃমিজনিত ৰোগ (Helminthic disease) ঃ** টিনিয়াছিছ (Taeniasis), এছকাৰিয়েছিছ (Ascariasis), ফাইলাৰিয়াছিছ (Filariasis), ইত্যাদি।

সংচাৰণ পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰি সংচাৰী ৰোগবোৰক আকৌ দুটা ভাগত ভগাব পাৰি—

**(i) সংস্পৰ্শী ৰোগ (Contagious disease) ঃ** যিবোৰ সংচাৰী ৰোগ এজন আক্ৰান্ত ব্যক্তিৰ পৰা স্পৰ্শৰ জৰিয়তে আন এজন সুস্থ ব্যক্তিলৈ বিয়পে সেইবোৰক সংস্পৰ্শী ৰোগ বোলে। উদাহৰণ—বসন্ত, ৰিং ওৱাৰ্ম, কনজাংটিভাইটিছ (Conunctivitis) ইত্যাদি।

**(ii) অসংস্পৰ্শী ৰোগ (Noncontagious disease) ঃ** এইবোৰ ৰোগৰ বীজাণু খাদ্যবস্তু, পানী নাইবা বায়ুৰ জৰিয়তে আক্ৰান্ত ব্যক্তিৰ পৰা সুস্থ ব্যক্তিলৈ বিয়পে। উদাহৰণ—মেলেৰিয়া, ডেংগু (Dengue), যক্ষ্মা, টাইফ'য়েড, কলেৰা ইত্যাদি।

**B. অসংচাৰী ৰোগ ঃ**

এইবোৰ ৰোগ এজন ব্যক্তিৰ পৰা আনজন ব্যক্তিলৈ সংক্ৰমণ নহয়। কাৰকৰ ওপৰত নিৰ্ভৰ কৰি ইয়াক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি।

**(i) অভাৱজনিত ৰোগ (Deficiency disease) ঃ** গ্ৰহণ কৰা খাদ্যবস্তুত প্ৰয়োজনীয় পুষ্টিদ্ৰব্যৰ অভাৱ হ'লে নাইবা শৰীৰৰ অন্তঃস্ৰাৱী গ্ৰন্থিয়ে ক্ষৰণ কৰা হৰ্মণৰ পৰিমাণ কমি গলে যি ৰোগ হয় তাকে অভাৱজনিত ৰোগ বোলা হয়। উদাহৰণ—স্কাৰ্ভি (Scurvy), বেৰিবেৰি (Beriberi) ৰক্তহীনতা (Anaemia), মধুমেহ (Diabetes), হাইপ'থাইৰয়ডিজিম (Hypothyroidism), মাৰাছমাছ (Marasmus), কৱাছিঅ'ৰকৰ (Kwashiorkar), ইত্যাদি।

**(ii) অৱক্ষয়ী ৰোগ (Degenerative disease) ঃ** দেহৰ অতি আৱশ্যকীয় অংগ কিছুমান অৱক্ষয় হৈ এইবোৰ ৰোগ হয়। উদাহৰণ—হৃদৰোগ, হাওঁফাওঁৰ ৰোগ মস্তিষ্ক ৰোগ ইত্যাদি।

**(iii) এলাৰ্জি ৰোগ (Allergic disease) ঃ** কিছুমান বহিৰ্জাত পদাৰ্থৰ প্ৰতি কিছুমান ব্যক্তিৰ দেহ অতি সংবেদনশীল হোৱাৰ বাবে এইবোৰ ৰোগ সৃষ্টি হয়। এই পদাৰ্থবোৰ দেহৰ সংস্পৰ্শলৈ আহিলে বা দেহত সোমালে এলাৰ্জি ৰোগ হয়। উদাহৰণ—এজ্‌মা (Asthma)।

**(iv) কৰ্কট ৰোগ (Cancer) ঃ** শৰীৰৰ কোনো অংশৰ কোষবোৰ অনিয়ন্ত্ৰিত ভাৱে বিভাজন হৈ টিউমাৰ সৃষ্টি কৰাৰ ফলত কৰ্কট ৰোগ হয়।

**(v) অন্যান্য ৰোগ (Other diseases) ঃ** কিছুমান ভৌতিক কাৰক যেনে, উষ্ণতাৰ পৰিৱৰ্তন, জলবায়ু পৰিৱৰ্তন, বিকিৰণ, যান্ত্ৰিক কাৰক যেনে, দুৰ্ঘটনা আদিৰ বাবেও নানান ৰোগ হয়। উদাহৰণ—অস্থিভঙা (Fracture), কাণেৰে নুশুনা, ইত্যাদি।

**ৰোগৰ বা ৰোগজনকৰ সঞ্চাৰণ (Transmission of diseases or pathogens) ঃ**

**(i) প্ৰত্যক্ষ সঞ্চাৰণ ঃ** কিছুমান ৰোগৰ বীজাণু বা ৰোগোৎপাদক মধ্যৱৰ্তী ঘটক অবিহনে প্ৰত্যক্ষভাৱে মানুহৰ শৰীৰত প্ৰৱেশ কৰিব পাৰে। বিভিন্ন ধৰণৰ প্ৰত্যক্ষ সংচাৰণবোৰ হ'ল—(i) ৰোগক্ৰান্ত ব্যক্তিৰ সংস্পৰ্শলৈ আহিলে, উদাহৰণ—বসন্তৰোগ, চিফিলিছ ইত্যাদি, (ii) ৰোগক্ৰান্ত ব্যক্তিৰ হাঁচি, কাহ, থু-খেকাৰ বা কথা কওঁতে মুখৰ পৰা ওলোৱা সৰু সৰু কণিকা আদিৰ সংস্পৰ্শলৈ আহিলে, উদাহৰণ—ইনফ্লুয়েঞ্জা, মিজলছ, নিউম'নিয়া, যক্ষ্মা, ডিপ্‌থেৰিয়া আদি, (iii) বীজাণু থকা মাটিৰ সংস্পৰ্শলৈ আহিলে, উদাহৰণ—ধনুষ্টংকাৰ, (iv) জন্তুৱে কামুৰিলে, উদাহৰণ—জলাতংক (ৰেবিছ ভাইৰাছ), (v) অমবাৰ জৰিয়তে, উদাহৰণ—চিফিলিছ ৰোগ অমবাৰ জৰিয়তে মাকৰ পৰা গৰ্ভস্থ সন্তানলৈ সংচাৰিত হ'ব পাৰে।

**ৰোগৰ শ্ৰেণীবিভাজন ঃ**






সপ্তবিংশতিতম্ আলোচনী, ইং ২০১৪-১৫ বৰ্ষ

**(ii) পৰোক্ষ সংচাৰণ ঃ** কিছুমান ৰোগজনক আকৌ মধ্যৱৰ্তী ঘটকৰ জৰিয়তে মানুহৰ শৰীৰলৈ সংচাৰিত হয়। বিভিন্ন প্ৰকাৰৰ মধ্যৱৰ্তী ঘটকবোৰ হ'ল— (i) সন্ধিপদী প্ৰাণী, উদাহৰণ— মাখিয়ে টাইফ'য়েড, কলেৰা গ্ৰহণী আদি বেমাৰৰ বীজাণুবোৰ কঢ়িয়ায় আৰু মাইকী এন'ফিলিছ মহে মেলেৰিয়া ৰোগৰ বীজাণু কঢ়িয়ায়, (ii) বায়ুৰ জৰিয়তে, উদাহৰণ— টাইফাছ (Typhus) নামৰ মহামাৰী, (iii) মানৰ ঘটক, উদাহৰণ— ডিপ্‌থেৰিয়া, টাইফ'য়েড, (iv) অপৰিষ্কাৰ হাত, উদাহৰণ—অপৰিষ্কাৰ হাতৰ জৰিয়তে বেমাৰৰ বীজাণু খাদ্যৰ লগত মুখৰ ভিতৰত সোমাব পাৰে।

**কিছুমান সংক্ৰামিত ৰোগ**

**1. ভাইৰাছজনিত ৰোগৰ (Viral diseases) উদাহৰণ ঃ** পলিঅ' বা পলিঅ'মায়েলিটিছ (Polio or poliomyelities), ৰেবিছ বা জলাতংক (Rabies or Hydrophobia), ভাইৰাছজনিত হেপাটাইটিছ (Viral Hepatitis), ডেংগু জ্বৰ (Dengue Fever), চৰ্দি নাইবা সাধাৰণ পানী লগা (Common cold) :

**2. বেক্টেৰিয়াজনিত ৰোগৰ (Bacterial disease) উদাহৰণ ঃ** কলেৰা (Cholera), টাইফ'য়েড (সান্নিপাত জ্বৰ) ৰোগ (Typhoid), নিউম'নিয়া (Pneumonia) :

**3. প্ৰট'যৱাজনিত ৰোগৰ (Prozoan disease) উদাহৰণ ঃ** মেলেৰিয়া (Malaria) এমিবীয় গ্ৰহণী (Amoebiosis) :

**4. কৃমিজনিত ৰোগৰ (Helminathic disease) উদাহৰণ ঃ** এছকেৰিয়াছিছ (Ascariasis), ফাইলেৰিয়াছিছ বা গোধ ৰোগ (Filariasis or Elephantiasis) :

**5. ভেকুঁৰজনিত ৰোগৰ (Fungal disease) উদাহৰণ ঃ** ৰিংৱৰ্ম বা খৰ (Ringworm diseases)

**অসংক্ৰম্যতা (Immunity) ঃ**

সংজ্ঞা ঃ শৰীৰত প্ৰৱেশ কৰা বাহিৰা অণুজীৱ বা জীৱাণু যেনে বেক্টেৰিয়া, ভাইৰাছ, ভেঁকুৰ, এককোষী বা বহুকোষী পৰজীৱী প্ৰাণী নাইবা বিষদ্ৰব্য আদিক বাধা দিব পৰা সামৰ্থ্যই হ'ল অসংক্ৰাম্যতা। ইয়াক ৰোগ প্ৰতিৰোধক বুলিও কোৱা হয়। অসংক্ৰাম্যতাৰ অভাৱক ৰোগাক্ৰমণৰ প্ৰতি প্ৰতিৰোধ শক্তিহীনতা (Susceptibility) বুলি কোৱা হয়। বিজ্ঞানৰ যিটো শাখাৰ অসংক্ৰামত্যৰ বিভিন্ন দিশ সমূহ অধ্যয়ন কৰা হয় তাকে অসংক্ৰাম্য বিজ্ঞান (Immunology) বুলি কোৱা হয়।

**ছিটাকৰণ আৰু অসংক্ৰাম্যকৰণ (Vaccination and Immunisation) :**

**ছিটা (Vaccine) :** এজন সুস্থ মানুহৰ দেহত মৃত বা দুৰ্বল ৰোগকাৰক বা টক্সিন সুমুৱাই দি এন্টিবডি সৃষ্টি কৰি মানুহজনৰ শৰীৰত বিশেষ কিছুমান ৰোগৰ বিৰুদ্ধে অসংক্ৰাম্যতা সৃষ্টি কৰাকে ছিটাকৰণ বোলা হয়। এনেদৰে এন্টিবডিৰ সৃষ্টিক উদ্বুদ্ধ কৰা কাৰককে ছিটা বোলা হয়। আকৌ শিশুসকলক প্ৰথমবাৰ বাবে ছিটা দিয়াৰ পাছত নিৰ্দিষ্ট সময়ৰ অন্তৰত পুনৰবাৰ ছিটা দিয়া হয়, যাতে দেহত ৰোগ প্ৰতিৰোধৰ বাবে আৰু অধিক এন্টিবডিৰ সৃষ্টি হয়। ইয়াকে বুষ্টাৰ ড'জ (Booster dose) বোলা হয়।

**অসংক্ৰাম্যতন্ত্ৰৰ বিসংগতি (Disorders of Immunity) :**

**1. এলাৰ্জি (Allergies) :**

এলাৰ্জি হ'ল কোনো বহিৰাগত বস্তু বা এন্টিজেনৰ প্ৰতি থকা দেহৰ অধিক সংবেদনশীলতা বা অধিক অসংক্ৰাম্য সঁহাৰি (Immune response) | যিবিলাক বস্তু বা এন্টিজেনৰ কাৰণে এলাৰ্জিৰ সৃষ্টি হয় তাকে এলাৰজেন (Allergen) বোলে। সকলো ব্যক্তিৰ ক্ষেত্ৰত এলাৰজেন একে নহয়। বেলেগ বেলেগ ব্যক্তিয়ে বেলেগ বেলেগ দ্ৰব্যৰ প্ৰতি সঁহাৰি দেখুৱায়। বিভিন্ন ধৰণৰ এলাৰজেনবোৰ হ'ল, ফুলৰ ৰেণু,

ৰাসায়নিক পদাৰ্থ, ধূলি, নোম, আঁহ, ভেকুৰৰ ৰেণু, লিপষ্টিক, নখ পলিছ, বেক্টেৰিয়া, কিছুমান খাদ্য, ঠাণ্ডা, গৰম, ৰদৰ পোৰনি ইত্যাদি। এণ্টিহিষ্টামাইন, এডৰেনেলিন আৰু ষ্টেৰ'ইড জাতীয় ঔষধ প্ৰয়োগ কৰি তাৎক্ষণিক ভাৱে এলাৰ্জিৰ লক্ষণৰ পৰা উপশম পাব পাৰি।

**অসংক্ৰাম্য স্বল্পতা (Immuno Deficiencies) :**

শৰীৰৰ অসংক্ৰাম্য ব্যৱস্থাৰ বিজুতি ঘটিলে নাইবা কাৰ্যকাৰিতা হ্ৰাস পালে বা নাইকীয়া হৈ গলে অসংক্ৰাম্যজনিত ৰোগৰ সৃষ্টি হয়।

**এইডছ্ (AIDS) :**

এইডছ্ শব্দটিৰ অৰ্থ হ'ল—একুৱাৰ্ড ইমিউন' ডেফিচিয়েঞ্চি চিন্দ্ৰম, এই ৰোগত মানুহৰ শৰীৰত থকা ৰোগ প্ৰতিৰোধ ক্ষমতা বা স্ব-প্ৰতিৰক্ষা ব্যৱস্থা সম্পূৰ্ণৰূপে ধ্বংস হৈ যায়। ইয়াৰ ফলত শৰীৰত ৰোগ হ'লে প্ৰতিৰোধ কৰিব নোৱাৰে। এনে অৱস্থাত আক্ৰান্ত ব্যক্তি বিভিন্ন ৰোগত সহজতে আক্ৰান্ত হৈ পৰে। হিউমেন ইমিউন: ডেফিচিয়েঞ্চি ভাইৰাছ (Human Immuno Deficiency Virus) বা এইচ আই ভি (HIV) ভাইৰাছৰ আক্ৰমণৰ ফলত এই ৰোগ হয়। এজন এইচ আই ভি সংক্ৰামিত লোকে বহুদিনলৈকে সুস্থ জীৱন যাপন কৰিব পাৰে। এইচ আই ভি সংক্ৰামিত লোকক এইচ আই ভি পজিটিভ (HIV+) বোলা হয়।

**কৰ্কট ৰোগ (Cancer) :**

সকলো প্ৰাণীৰে দেহ কোষেৰে গঠিত। দেহৰ কোষবোৰে সামুহিক নিয়ন্ত্ৰণৰ জৰিয়তে মাইট'ছিছ বিভাজনৰ দ্বাৰা বিভাজিত হৈ দেহৰ বৃদ্ধি ঘটায়। কিন্তু কেতিয়াবা দেহৰ কোনো অংশত থকা কোষবোৰৰ ওপৰত নিয়ন্ত্ৰণ নাইকীয়া হয় আৰু তেতিয়া এইবোৰ অঞ্চলৰ কোষবোৰ অনিয়ন্ত্ৰিত ভাবে দ্ৰুত গতিত বৃদ্ধি হৈ টিউমাৰৰ সৃষ্টি কৰে। টিউমাৰ আকৌ দুই ধৰণৰ যেনে, বেনাইন টিউমাৰ (Benign tumour) আৰু মেলিগ্নেন্ট টিউমাৰ (Malignant tumour)। এই মেলিগ্নেন্ট টিউমাৰকে কৰ্কট ৰোগ বোলে। অনিয়ন্ত্ৰিত ভাবে বৃদ্ধি পোৱা কোষবোৰক নিয়োপ্লাষ্টিক (Neoplastic) কোষ বুলিও কোৱা হয়। নিয়োপ্লাষ্টিক কোষে আশে পাশে থকা কলাবোৰক ভেদ কৰিব নোৱাৰিলে তাক নিৰিহ বা বেনাইন টিউমাৰ বোলা হয় আৰু ভেদ কৰিব পাৰিলে তাক মেলিগ্নেণ্ট টিউমাৰ বোলা হয়। কৰ্কট ৰোগ প্ৰথমতে বেনাইন হিচাপে আৰম্ভ হৈ পাছলৈ মেলিগ্নেণ্টলৈ পৰিৱৰ্তন হয়। বেনাইন টিউমাৰবোৰ অপাৰেচন কৰি কৰি কাটি আঁতৰাই পেলাব পাৰি। প্ৰায় বেছিভাগ ক্ষেত্ৰতে এই টিউমাৰবোৰ পুনৰ সৃষ্টি নহয় আৰু শৰীৰৰ আন ঠাইলৈ বিয়পি নেযায়। মেলিগ্নেণ্ট টিউমাৰবোৰ নিয়ন্ত্ৰণহীন আৰু পদ্ধতিহীন ভাবে বিভাজিত হৈ বাঢ়ি গৈ থাকে। এই কোষবোৰে ওচৰৰ আন কোষবোৰৰ ভিতৰলৈ সোমাই সুস্থ কোষবোৰ ধ্বংস কৰি পেলায়। মেলিগ্নেন্ট টিউমাৰৰ কোষবোৰ এবাৰ তেজ বা লসিকাত সোমাব পাৰিলে তেজৰ দ্বাৰা পৰিবাহিত হৈ শৰীৰৰ বিভিন্ন অংশত প্ৰৱেশ কৰি যিকোনো ঠাইতে গৌণ টিউমাৰৰ সৃষ্টি কৰি কৰ্কট বা কেঞ্চাৰ ৰোগৰ বিস্তাৰ ঘটাব পাৰে। কৰ্কট কোষবোৰে এইদৰে শৰীৰৰ বিভিন্ন ঠাইত প্ৰৱেশ কৰি গৌণ টিউমাৰৰ সৃষ্টি কৰা কাৰ্যকে মেটাষ্টেছিচ (Metastasis) বোলা হয়।

**নিচা বা আসক্তি (Addiction) :**

কোনো বিশেষ বস্তু বা অভ্যাসৰ প্ৰতি স্বয়ংক্ৰিয় হেৰুৱাই স্বভাৱগত, শাৰীৰিক বা মানসিক নিৰ্ভৰশীলতা গঢ়ি উঠাকে নিচা বুলি কোৱা হয়। এজন ব্যক্তিয়ে কোনো এটা অনিষ্টকাৰক বস্তু নাইবা স্বভাৱৰ প্ৰতি আসক্ত হোৱাকে নিচা বা আসক্তি বুলি কোৱা হয়। কোনো ৰাগীয়াল বস্তুৰ ওপৰত নিৰ্ভৰশীল ব্যক্তিবোৰক নিচাসক্ত ব্যক্তি বুলি কোৱা হয়। মাদক দ্ৰব্য সেৱনে উন্মাদনা, সাময়িক আনন্দ আৰু ৰঙীন মানসিকতাৰ সৃষ্টি কৰে যাৰ ফলত প্ৰয়োজন নেথাকিলেও বা অনিষ্টকাৰী প্ৰভাৱৰ বিষয়ে জানিও মাদক দ্ৰব্য সেৱনত অভ্যস্ত হোৱা দেখা যায়।

ধঁপাত, মদ আৰু নিচাযুক্ত ঔষধ ব্যৱহাৰ কৰাতো শৰীৰ আৰু সমাজৰ প্ৰতি অনিষ্টকাৰক। যিবিলাক ব্যক্তিয়ে এই নিচাযুক্ত বস্তুবোৰৰ প্ৰতি আসক্ত হৈ এইবোৰ সদায় ব্যৱহাৰ কৰিবলৈ লয় তেন্তে ব্যক্তিজনে কিছুমান বিশেষ আৰোগ্যহীন ৰোগত ভোগা দেখা যায়।

* * *





# বনছাই— এক অনন্য কলা

**ড° চৈয়দা জাহানাৰা বেগম**
সহযোগী অধ্যাপিকা, উদ্ভিদ বিজ্ঞান বিভাগ।

জাপানী কলাৰ অন্যতম অপূৰ্ব নিদৰ্শন হ'ল—বনছাই। এজোপা ডাঙৰ গছক এক বিশেষ প্ৰক্ৰিয়াৰে তেনেই অকমানি অৰ্থাৎ বাওনা কৰি ৰাখিবৰ বাবে যি কৌশলৰ প্ৰয়োজন সেই কৌশল উদ্ভাৱন কৰিবলৈ জাপানীসকলক



বহু বছৰৰ পৰিশ্ৰমৰ প্ৰয়োজন হৈছিল। অৱশেষত তেওঁলোকে এই কৌশল উদ্ভাৱন কৰি ইয়াক কলালৈ ৰূপান্তৰিত কৰিলে।

বনছাই এবিধ জীৱন্ত কলা। সময়ৰ সোঁতত প্ৰকাণ্ড বৃক্ষ এজোপাত পৰিণত হোৱাৰ সম্ভাৱনা থকা গছপুলি এটাক এক বিশেষ কলাসন্মত প্ৰক্ৰিয়াৰে বনছাই কৰিব পৰা যায়। 'Bonsai' জাপানী ভাষাৰ দুটা শব্দৰ সমষ্টি। বন মানে কম গভীৰ পাত্ৰ আৰু ছাই মানে গছ। বনছাই কৰা গছজোপা দেখাত অকণমানি গছপুলি যদিওঁ তাত বৃদ্ধ গছ এজোপাৰ চাপ দেখা যায় বাবে বাওঁনা গছজোপাত এক বিশেষ সৌন্দৰ্য্য দেখা যায়। এই আকৰ্ষণীয় গুণৰ বাবে বনছাইৰ দামো বেছি তথা চাহিদাওঁ বেছি। জাপানীসকলে এই অপূৰ্ব কলাক শ শ বছৰ বংশানুক্ৰমে সংৰক্ষিত কৰি আহিছে। পূৰ্বতে বনছাই মাথোঁ অভিজাতসকলৰ "হবী" হিচাপে গণ্য কৰা হৈছিল। বৰ্তমান ই এক অনবদ্য শিল্প তথা ব্যৱসায় হিচাপে গ্ৰহণ কৰা হৈছে। বনছাই যথাৰ্তেতেই প্ৰকৃতিৰ এক আচাৰ্য্য নিৰ্মাণ।

এজোপা গছক বনছাইলৈ ৰূপান্তৰ কৰিবৰ বাবে প্ৰয়োজন হ'ব ধৈৰ্য্য, অশেষ পৰিশ্ৰম, নিষ্ঠা তথা শিল্পসুলভ দক্ষতা। ইংৰাজীত এফাকি উপমা আছে "Rome was not build in a day." সেইদৰে ক'ব পাৰি "Bonsai can not be build in a day." ভাৰততো বনছাইৰ সমাদৰ দিনক দিনে বৃদ্ধি পাইছে। বৰ্তমান আভিজাত ঘৰ এখনত "বনছাই" এক আভিজাত্যৰ পৰিচায়ক। ভাৰতীয় তথা অসমৰ জলবায়ুৰ বাবে আহঁত, বট, জৰীগছ, আম, কমলা টেঙা, কৰ্দৈ, তেঁতেলী, শেৱালী, বগেনভেলিয়া, ডালিম, বকুল, পাইন, নেমু আদি গছৰ বনছাই উৎকৃষ্ট।

নিৰ্বাচিত পুলিটো উভালি আনোতে চাব লাগে যাতে পুলিটোৱে কষ্ট নাপায়। শিপাবোৰ নষ্ট নহয়। মাটি, বালি, পচন সাৰৰ মিশ্ৰণেৰে ভৰাই লোৱা টাব এটাত উভালি অনা

পুলিটো ৰুব লাগে। পুলিটোও নিয়মিয়াকৈ পানী দিব লাগে যাতে পুলিটো ঠন ধৰি উঠে। ঠন ধৰি উঠাৰ লগে লগে ইয়াক বালি মাটি, পচন সাৰৰ মিশ্ৰণ ভৰাই লোৱা অন্য এটা টাবলৈ স্থানান্তৰ কৰিব লাগে। বনচাই ৰোপণ কৰা পাত্ৰটো ১ ফুট দ, ১ ফুট বহল আৰু ১ ফুট দৈৰ্ঘ্য হোৱাটো বাঞ্চনীয়।

স্থানান্তৰিত পুলিটোৰ ওপৰ ভাগ কাটি ল'ব লাগে আৰু ঘাই শিপাডাল আৰু ওচৰৰ কিছু শিপাওঁ কাটি পেলাব লাগে। গছডাল ৰোপণ কৰোতে বাকী থকা শিপাবোৰ মেলি দি গুৰিৰ মাটিখিনি ভালদৰে হেঁচি ধৰিব লাগে। যথেষ্ট পৰিমাণে পানী দি পুলিটো ছাঁত ৰাখিব লাগে। নতুনকৈ পোখা মেলিব ধৰিলেহে পুলিটো ৰ'দলৈ উলিয়াই আনিব লাগে। উৰ্দ্ধমুখী ডালবোৰ কাটি দুয়োফালৰ ডালবোৰ বাঢ়িব দিব লাগে। পথালিকৈ বাঢ়িবৰ বাবে ডালবোৰত ৰচীৰে বান্ধি সৰু শিলগুটি বা ইটাৰ টুকুৰা ওলোমাই দিব লাগে ডালবোৰে এটি আকৰ্ষণীয় আকৃতি ধাৰণ কৰে। ডালবোৰ তামৰ তাঁৰেৰে বান্ধিও ইচ্ছানুসৰি আকৃতি দিব পাৰে।

বৰ্ষা ঋতুত পুলিটো সাৱধানে তুলি আনি কিছু শিপা কাটি পুনৰ ৰোপণ কৰিব পাৰি। বছৰত ২ বাৰ শিপা কটা দৰকাৰ। লগতে ডাল পাতো কাটিব। পুলিটোত নিয়মীয়াকৈ পানী দিয়া প্ৰয়োজন। তিনি-চাৰি বছৰমান শিপা, ডাল, পাত নিয়মীয়াকৈ কটাৰ পিছত পুলিটো এটা পূৰ্ণাংগ বনছাইত পৰিণত হ'ব। বছৰত এবাৰ সাৰ মাটি সলোৱা প্ৰয়োজন। বনছাই যদিও সৌন্দৰ্যৰ বাবে ঘৰৰ ভিতৰত ৰখা হয় তথাপি ইয়াক পোহৰৰ পৰা বঞ্চিত কৰিব নালাগে। বনছাই গছৰ প্ৰধান শত্ৰু হৈছে পোক-পৰুৱা, Aphid ইত্যাদি। এইবোৰৰ পৰা ৰক্ষা পাবলৈ জৈৱ কীটনাশক ঔষধ ব্যৱহাৰ কৰিব লাগে।

বনছাই আজিৰ এই টাব বিপ্লৱৰ যুগত কেৱল জাপান বা চীন দেশতে আবদ্ধ হৈ থকা নাই। পৃথিৱীৰ প্ৰায়বোৰ দেশতে এই শিল্পই সমাদাৰ লাভ কৰিছে। বিশেষকৈ জনবসতিপূৰ্ণ মহানগৰীবোৰত, য'ত শ্বাস-প্ৰশ্বাসৰ কাৰণে নিৰ্মল বায়ুকণাৰো অভাৱ ঘটিছে, য'ত মানুহৰ প্ৰকৃতিৰ লগত সম্পৰ্ক হেৰাই গৈছে তাত বনছাই শিল্পই দ্ৰুতভাৱে জনপ্ৰিয়তা অৰ্জন কৰিছে। বনছাইক উপাৰ্জনৰ আহিলা হিচাপেও ল'ব পাৰি। যেনে এজোপা মনোমোহা বনছাইৰ মূল্য কেবা হেজাৰ টকা হ'ব পাৰে।

এখন পেইণ্টিং শেষ কৰি শিল্পীজনে ব্ৰাচডাল আঁতৰাই থয়। কিন্তু বনছাই এক অন্তহীন প্ৰক্ৰিয়া। অভিজ্ঞতাই বনছাইক এক মনোমোহা ক্ষুদ্ৰ পৃথিৱীলৈ ৰূপান্তৰিত কৰে।

- ভাৰতৰ প্ৰথম বৈদেশিক বেংকটোৰ নাম কি? — ষ্টেণ্ডাৰ্ড চাৰ্টাৰ্ড বেংক
- ভাৰতৰ প্ৰথম বাতৰি কাকতখনৰ নাম কি? —বেঙ্গল গেজেট
- ইৰাকৰ পুৰণি নাম কি আছিল? —মেছোপটেমিয়া





# বৈজ্ঞানিক মন আৰু জীৱ শ্ৰেষ্ঠ মানৱ

আব্দুল ওহাব সৰকাৰ
মুৰব্বী অধ্যাপক, দৰ্শন বিভাগ।

চিন্তা শক্তি আৰু বুদ্ধি মানৱ জাতিলৈ প্ৰকৃতিৰ এক বিস্ময়কৰ অৱদান। কেৱল এই গুণৰ বাবেই মানুহ তাৰ আদিম পাশৱিক অৱস্থানৰ পৰা নিজকে মুক্ত কৰি ক্ৰমবিৱৰ্তনৰ বিভিন্ন স্তৰ পাৰ হৈ বৰ্তমানৰ স্থানত উপনিত হ'ব পাৰিছে। বিভিন্ন দিশত নৱ নৱ উদ্ভাৱনাৰে ৰহস্যময় প্ৰকৃতিৰ আৱৰণ ক্ৰমানুসাৰে মুকলি কৰি আছে, প্ৰকৃতিৰ নানা সম্পদৰ সদব্যৱহৰ কৰি মানুহৰ জীৱন উপভোগ্য কৰিছে কেৱল এই গুণটোৰ বাবেই মানুহ তাৰ জীৱনৰ লগতে পৃথিৱীৰ ৰেহৰূপ সলনি কৰিবলৈ সক্ষম হৈছে। মানুহ যদিও প্ৰকৃতিৰ খেয়ালী নিয়মৰ ওচৰত অসহায় তথাপিও বহু ক্ষেত্ৰত প্ৰকৃতিৰ বিভিন্ন আচৰণক নিয়ন্ত্ৰণ কৰিবলৈও সক্ষম হৈছে। এইবোৰ কাৰণতেই মানুহক শ্ৰেষ্ঠ জীৱ বুলি কোৱা হয়। কিন্তু বিভিন্ন দিশত মানুহৰ চৰম বৌদ্ধিক উত্তৰণ বা বিকাশ পৰিলক্ষিত হ'লেও উৎকৃষ্ট মানৱীয় গুণাৱলীৰ বিকাশ খুব কম মানুহৰ মাজত দেখা যায়।

বিভিন্ন যুগৰ বিভিন্ন মানুহৰ স্বভাৱ লক্ষ্য কৰিলে এইটো স্পষ্ট হয় যে এক নগন্য সংখ্যকৰ বাহিৰে অধিকাংশ মানুহৰ মাজত উৎকৃষ্ট গুণ দূৰৰ কথা অতি সাধাৰণ মানৱীয় গুণৰো অভাৱ। বহু সময়ত বৌদ্ধিক সফলতাৰ উচ্চ আসনপ্ৰাপ্ত ব্যক্তিৰ মাজতো উৎকৃষ্ট মানৱীয় গুণৰ অভাৱ দেখা যায়। এনেকি, বহু ক্ষেত্ৰত তেনে মানুহৰ আচৰণৰ মাজেদি ঘৃণনীয় পাশৱিক স্বভাৱ পৰিস্ফুট হয়। এই দৃষ্টিকোণৰ পৰা "শ্ৰেষ্ঠ" শব্দটো কি অৰ্থত মানুহৰ ক্ষেত্ৰত প্ৰযোজ্য সেয়া বিচাৰ্য বিষয়। গতিকে বিভিন্ন দিশত অভাৱনীয় আৰু বিস্ময়কৰ সফলতা অৰ্জন কৰা হেতুকে মানুহক সৰ্বাধিক বৌদ্ধিক ক্ষমতাসম্পন্ন জীৱ বুলি ক'ব পাৰি। কিন্তু 'শ্ৰেষ্ঠ' বুলি কোৱাটো কেৱল অযথাৰ্থই নহয়; নৈতিক দৃষ্টিকোণৰ পৰাও অনুচিত। এইখিনিতে নীতি বৈজ্ঞানিক P.W. Taylor,ৰ এষাৰ উক্তি প্ৰণিধানযোগ্য। তেওঁ কৈছে, "All living organisms are theological centres of life in the sense that each is an unique individual which is flourishing in its own natrual manner and persuing its own good. All are members of biotic community in an order by interdependence.....and hence human species are by no means inherently superior to other living organisms of the biotic community.

বহুমুখী প্ৰতিভা সম্পন্ন গ্ৰীক দাৰ্শনিক এৰিষ্টটলে খৃঃ পূঃ চাৰিশ বছৰ আগতে মানুহক 'Rational animal' বুলি উল্লেখ কৰিছিল। কিন্তু বিংশ শতিকাৰ অন্যতম চিন্তাবিদ, সাহিত্যিক দাৰ্শনিক আৰু সমালোচক B. Russell য়ে বিভিন্ন যুগৰ, বিভিন্ন সমাজৰ বিভিন্ন মানুহৰ প্ৰকৃতি, আচৰণাদি পৰ্য্যবেক্ষণ কৰি কৈছে যে এৰিষ্টটলে মানুহক কিয় 'Rational' বুলি কৈছে এই কথা তেওঁ বুজিব পৰা নাই। কাৰণ অধিকাংশ মানুহৰ মাজত 'Rationality'ৰ

অভাৱ দেখা যায়। এই কাৰণেই বহু ক্ষেত্ৰত মানুহক 'শ্ৰেষ্ঠ' জীৱ বাদেই 'Rational' বুলি কোৱাও সমীচিন নহয়।

বিশ্বপ্ৰকৃতি পৰম বিস্ময়কৰ। বিস্মীয় প্ৰকৃতিৰ বিৱৰ্তনৰ কোনোবা স্তৰত উদ্ভৱ হোৱা মানুহ নিজেই এক চৰম বিস্ময়। মানুহৰ চিন্তা, বুদ্ধি, ইচ্ছা শক্তি, আবেগ, অনুভূতি আদিৰ মাজেদি 'মানুহ' যে এক বিস্ময়কৰ সৃষ্টি তাক অনুধাৱন কৰিব পাৰি। ৰহস্যময় প্ৰকৃতিৰ আশ্চাৰ্য্য সৃষ্টি ৰূপে মানুহ অফুৰন্ত সম্ভাৱনাৰ আঁকৰ (Store house of potentiality)। মানুহে তাৰ মাজত নিহিত থকা সম্ভাৱনা নিজৰ প্ৰচেষ্টা আৰু উপযুক্ত শিক্ষাৰ দ্বাৰা বিকাশ সাধন কৰিব পাৰে। সাৰ্বজনীন কাৰ্য্যকাৰণ তত্ব মতে, জগতৰ সকলো সত্তা চৰ্ত বা নিয়মৰ অধীন। গতিকে, মানুহৰ মাজত নিহিত অফুৰন্ত সম্ভাৱনাৰ বিকাশ সাধনো স্বাভাৱিকতে চৰ্ত নিৰ্ভৰ। এই চৰ্তসমূহৰ অন্যতম হ'ল বৈজ্ঞানিক দৃষ্টিভঙ্গী বা যুক্তিনিষ্ঠ মানসিকতা। গতিকে, মানুহৰ মাজত নিহিত বিশাল সম্ভাৱনাৰ সৰ্বাধিক বাস্তৱ প্ৰকট সৰ্বাধিক সংখ্যকৰ মাজত সম্ভৱ যদিহে মানুহ, মানুহ হিচাপে তাৰ ভিতৰত নিহিত থকা যুক্তিনিষ্ঠ মানসিকতাৰ উত্তৰণ ঘটাব পাৰে। এই যুক্তিনিষ্ঠ চিন্তা বা বাস্তৱ তথ্যনিষ্ঠ মানসিকতাক আমি বৈজ্ঞানিক মন বা দৃষ্টিভঙ্গী বুলি ক'ব পাৰি। অৰ্থাৎ আৱেগহীন, নিৰপেক্ষ, পূৰ্ব ধাৰণা বৰ্জিত বাস্তৱ তথ্যনিষ্ঠ যুক্তি আৰু বিচাৰ বিশ্লেষণৰ আধাৰত যিকোনো বিষয়ৰ মানৱীয় অনুসন্ধানৰ মানসিকতাই হ'ল বৈজ্ঞানিক মন। এনে মানসিকতা বা দৃষ্টিভঙ্গীৰ মানুহ যিকোনো ভ্ৰান্ত বা অন্ধবিশ্বাস, কুসংস্কাৰ, পূৰ্বধাৰণা, পক্ষপাতিত্ব আদি শিকলিৰ পৰা নিজকে মুক্ত কৰি এক নিৰপেক্ষ মানৱীয় দৃষ্টিকোণৰ পৰা বিচাৰ বিশ্লেষণ কৰিব পাৰে। এনে বিচাৰ বিশ্লেষণৰ ভেটিত গৃহীত যিকোনো সিদ্ধান্ত সঠিক হোৱাৰ সম্ভাৱনা যথেষ্ট বেছি। এনে চিন্তা সংস্কৃতি আৰু কৰ্ম ধাৰাই মানুহৰ মাজত থকা পৰস্পৰ ভুল বুজাবুজি, ভ্ৰান্ত ধাৰণা, ঘৃণা, হিংসা আৰু অসহিষ্ণুতা দূৰ কৰে। এই দিশৰ পৰা বৈজ্ঞানিক মন বা দৃষ্টিভঙ্গীক পাৰিবাৰিক, সামাজিক আৰু ৰাষ্ট্ৰীয় শান্তি আৰু প্ৰগতিৰ অন্যতম চৰ্ত বুলি ক'ব পাৰি।

গতিকে, আমাৰ শিক্ষা ব্যৱস্থা নিত্যান্তভাৱেই বৈজ্ঞানিক মন গঢ়াৰ সহায়ক হ'ব লাগে। কিন্তু দুখৰ বিষয় যে আমাৰ শিক্ষা ব্যৱস্থাত, বহু ক্ষেত্ৰ, ইয়াৰ ওলোটা নীতিহে পৰিলক্ষিত হয়। বৰ্তমান শিক্ষা ব্যৱস্থাত নীতি শিক্ষাৰ অভাৱ থকা হেতুকে উচ্চ শিক্ষিত মানুহৰ সংখ্যা বাঢ়িলেও পশ্চাৎগামী চিন্তাৰ প্ৰৱণতা ভ্ৰান্ত বিশ্বাস আৰু কুসংস্কাৰ কমা নাই; বৰং বাঢ়িছেহে। ইয়াৰ প্ৰত্যক্ষ উদাহৰণ চকুত পৰে বিভিন্ন জাতি, গোষ্ঠী, ধৰ্ম, বৰ্ণৰ মানুহৰ মাজত নিজৰ নিজৰ শ্ৰেণীগত শ্ৰেষ্ঠত্ব প্ৰদৰ্শনৰ ক্ৰিয়া কাণ্ডত, যি ক্ৰিয়া কাণ্ডই মানুহক ক্ৰমে ইঁতৰ প্ৰাণী লৈ অৱনমিত কৰি আছে।

গতিকে উপযুক্ত আৰু প্ৰণালীবদ্ধ শিক্ষাৰ বাস্তৱ অনুশীলন অতি আৱশ্যক। এইখিনিতে, উল্লেখনীয় যে অকল বিজ্ঞান অধ্যয়ন বৈজ্ঞানিক মন গঢ়াৰ পৰ্য্যাপ্ত হেতু নহয়। কাৰণ এই পৃথিৱীত অবৈজ্ঞানিক মনৰ বৈজ্ঞানিকৰ অভাৱ নাই। এনে স্থলত সাধাৰণ মানুহৰ মানসিকতা কি হ'ব পাৰে তাক অতি সহজতে অনুধাৱন কৰিব পাৰি। গতিকে, বৈজ্ঞানিক দৃষ্টিভঙ্গী গঢ়াৰ বাবে আমাৰ প্ৰচলিত শিক্ষা ব্যৱস্থাৰ প্ৰয়োজনীয় পৰিশোধন অতি আৱশ্যক।

এই দৃষ্টিকোণৰ পৰা যিকোনো ধৰণৰ সংকীৰ্ণ গণ্ডি পৰিহাৰ কৰা ল'ৰা-ছোৱালীক শিক্ষাৰ প্ৰাথমিক স্তৰৰ পৰাই পৰিকল্পিতভাৱে বাস্তৱ বিষয়ধৰ্মী শিক্ষাৰে নিৰপেক্ষ আৰু কুসংস্কাৰ যুক্ত মানসিক স্থিতি গঠনৰ প্ৰচেষ্টা সময়ৰ আহ্বান। নহ'লে আমি তথাকথিত শিক্ষিত হম ঠিকেই, কিন্তু আমাৰ মাজত বিশুদ্ধ ধাৰণাৰ উন্মেষ নঘটিব আৰু বিশুদ্ধ ধাৰণা অবিহনে আমি নিজকে জাতি, ধৰ্ম, ভাষা, বৰ্ণৰ উৰ্দ্ধত অধিষ্ঠিত কৰা সম্ভৱ নহয়।

দ্বিতীয়তে সকলো ভেদাভেদৰ উৰ্দ্ধত আৰোহণ কৰি নিজৰ একমাত্ৰ পৰিচয় যে 'মানুহ'—যি মানুহ বিভিন্ন প্ৰজাতিৰ জীৱ তথা উদ্ভিদৰ দৰেই জগতৰ জীৱ কুলৰ সদস্য মাত্ৰ (Members of Earth's Community of life), এই সত্য উপলব্ধি কৰিব নোৱাৰালৈকে মানুহৰ তথাকথিত শ্ৰেষ্ঠতাৰ ধাৰণা অৰ্থহীন হৈ ৰ'ব।

"প্ৰেমৰ আনন্দ ক্ষণস্থায়ী, কিন্তু প্ৰেমৰ বেদনা চিৰস্থায়ী।" —ৰবীন্দ্ৰনাথ ঠাকুৰ।





# দক্ষতা ঃ পুৰুষ বনাম মহিলা

**শামচুল আলম**
সহকাৰী অধ্যাপক
প্ৰাণীবিদ্যা বিভাগ

বিচিত্ৰ জগতখনত বিভিন্ন ধৰণৰ মানুহ আছে যদিও মানৱ জাতিৰ দুটাই প্ৰধান ভাগ—পুৰুষ আৰু স্ত্ৰী। আনুবংশিকভাৱে বেলেগ বেলেগ ধৰণৰ আন্তলিংগ, অতি-পুৰুষ, অতিস্ত্ৰী আদি আছে যদিও সাধাৰণভাৱে দুটা জাতিৰ মানুহ হ'ল বিশ্ব আবাদীৰ মৌলিক ভাগ। শাৰীৰিক, মানসিক, আচৰণ, ৰোগ প্ৰতিৰোধ ক্ষমতা আদি বিভিন্ন দিশত পুৰুষ আৰু স্ত্ৰীৰ পাৰ্থক্য থাকে। অত্যাধিক শক্তিশালী স্ত্ৰীলোক আৰু অত্যাধিক দুৰ্বল পুৰুষৰ উদাহৰণ আছে। শিশু অৱস্থাত লিঙ্গীয়ভাৱে স্ত্ৰী-পুৰুষ উভয়ৰে শাৰীৰিক শক্তিৰ পাৰ্থক্য যথেষ্ট কম যদিও অতি কম সময়ৰ ভিতৰতেই দুয়োৰে মাজত দৈহিক উচ্চতা আৰু ওজনৰ পাৰ্থক্য পৰিলক্ষিত হয়। যৌৱন প্ৰাপ্তিৰ লগে লগে ল'ৰাবোৰৰ দেহত টেষ্ট'ষ্টেৰণৰ মাত্ৰা উৰ্দ্ধগামী হোৱাত আমি সিহঁতৰ শৰীৰক্ৰিয়া আৰু লিঙ্গীয় ভিন্নৰূপতা বাৰুকৈয়ে প্ৰত্যক্ষ কৰোঁ। ভ্ৰাতৃক যমজ (Fraternal twin)ৰ ক্ষেত্ৰত এগৰাকী পুত্ৰ আৰু এগৰাকী কন্যা সন্তানৰ বয়সপ্ৰাপ্তি কালত উচ্চতা ৫ ইঞ্চি আৰু ওজন প্ৰায় ১৩ কেজিলৈ পাৰ্থক্য হোৱা দেখা যায়। পুৰুষ যমজৰ দেহৰ উৰ্দ্ধাংশত ৪০% আৰু নিম্নাংশত ৩০% পেশী বৃদ্ধি হোৱা দেখা যায়। উচ্চ মাত্ৰাৰ টেষ্ট'ষ্টেৰণৰ বাবে পুৰুষ যমজটোৱে প্ৰশিক্ষণৰ যোগেদি অতি সহজে অতিৰিক্ত পেশী গঠনত সক্ষম হয়। ক্ৰীড়া ক্ষেত্ৰতো দেখা যায় যে, প্ৰত্যক্ষ শাৰীৰিক সংস্পৰ্শিত ক্ৰীড়াত (যেনে—ৰাগ্‌বি খেল) প্ৰাকৃতিকভাৱে বলী আৰু অধিক ওজনৰ পুৰুষসকলহে জয়ী হয়। দৈহিক সামৰ্থজৰিত খেলা-ধূলাত শীৰ্ষস্থানীয় স্ত্ৰীসকল পুৰুষ প্ৰতিদ্বন্দ্বীৰ তুলনাত ৯০% হে দক্ষ। পুৰুষৰ টেষ্ট'ষ্টেৰণ আৰু দ্ৰুত তাৎক্ষণিক সঞ্চালনক্ষম পেশীয়ে সিহঁতক অধিক শক্তিৰে প্ৰতিনিয়ত অধিক কাম কৰাৰ যোগ্যতা প্ৰদান কৰে। আনহাতে বিজ্ঞানে কয় মহিলাসকল পুৰুষতকৈ অধিক শক্তিশালী। দিগুণ X– ক্ৰম'জমৰ বাবে স্ত্ৰীসকল অধিক শক্তিশালী। প্ৰকৃততে X–ক্ৰম'জম ডাঙৰ আকাৰৰ হোৱা বাবে এই ক্ৰম'জম অধিক জিনৰ বাহক, অসংক্ৰাম্যতাৰ সামৰ্থ্য প্ৰদায়ী। পুৰুষৰ তুলনাত স্ত্ৰীলোকে প্ৰায় ৫ বছৰলৈ দীৰ্ঘজীৱি হয়। এনেকি কৰ্কট ৰোগ, সংক্ৰমণ, ৰক্তদোষণ আৰু অন্যান্য X–ক্ৰম'জমজৰিত অসংক্ৰাম্যতাজনিত ৰোগৰ প্ৰতিও স্ত্ৰীলোক নিম্ন সম্ভাৱনা প্ৰৱণ।

ইমানবোৰ জনাজাত জিন থকাৰ ওপৰিও স্ত্ৰীলোক কিছুমান স্পষ্ট স্বয়ং-অসংক্ৰাম্যতাৰ ৰোগ যেনে গ্ৰন্থিবাত আদিৰ উচ্চ আশংকা থকা জিনৰ বাহক।

পুৰুষৰ তুলনাত স্ত্ৰীসকল অধিক পাৰদৰ্শী হোৱাৰ দহটা শীৰ্ষস্থানী দৃষ্টান্ত ঃ—

1. স্কুলত ল'ৰাৰ তুলনাত ছোৱালীবোৰৰ গ্ৰেড্ উন্নত।
2. অংক আৰু বিজ্ঞানত ছোৱালীবোৰ উৎকৃষ্ট।
3. কম্পিউটাৰ গেম উদ্ভাৱনত ছোৱালীবোৰ ভাল।
4. কৰ্ম-নিয়োগৰ সাক্ষাৎকাৰত মহিলাসকলে অধিক চাপ সহজে গ্ৰহণ কৰে।
5. কাৰ-দুৰ্ঘটনাত মহিলাসকলৰ বাচি থকাৰ সম্ভাৱনা বেছি।

6. উৎকৃষ্ট বস্তু ক্রয় কৰাত টেষ্ট'ষ্টেৰণ ভাল নহয়।

7. মহিলাসকল ভাল মালিক বা নিবন্ধক (মেনেজাৰ) হয়।

8. মহিলাসকলৰ অসংক্ৰাম্য তন্ত্ৰ অধিক শক্তিশালী।

9. পিতৃ-মাতৃৰ চোৱা-চিতা কামত কন্যাসকল বেছি ভাল।

10. দীৰ্ঘম্যাদি কামত ছোৱালীবোৰ বেছি মিতব্যয়ী।

বহুতো কাম কৰাত পুৰুষতকৈ স্ত্ৰীলোক বেছি ভাল—

1. স্ত্ৰীলোকে মানসিক চাপ আদিৰ সহজ নিয়ন্ত্ৰণ কৰিব পাৰে। চাপ নিয়ন্ত্ৰণত তিনিবিধ হৰমন— কৰ্টিছ'ল, এপিনেফ্ৰিণ আৰু অ'ক্সিট'ছিনৰ ভূমিকা আছে যাৰ বাবে একেই পৰিস্থিতিত স্ত্ৰী আৰু পুৰুষৰ প্ৰতিক্ৰিয়া বেলেগ বেলেগ। মানসিক চাপৰ খুন্দাত এপিনেফ্ৰিণৰ মাত্ৰা বাঢ়ে আৰু লগতে ৰক্তচাপ তথা ৰক্ত-শৰ্কৰাৰ মাত্ৰাও বাঢ়ি যায়। এই সময়ত মস্তিষ্কই ক্ষৰণ কৰা ত্ৰাণকৰ্তা হৰমণ অ'ক্সিট'ছিনে চাপ-হৰমনৰ মাত্ৰা কমাই শান্ত-প্ৰতিক্ৰিয়াৰ সূচনা কৰে। পুৰুষৰ ক্ষেত্ৰত অক্সিট'ছিনৰ নিঃসৰণ কম। স্ত্ৰীলোকৰ ইষ্ট্ৰ'জেনৰ অধিক মাত্ৰাই মস্তিষ্কত মানসিক চাপৰ ঋণাত্মক প্ৰভাৱ পৰাত বাধা দিয়ে।

2. সহনশীলতা সম্পৰ্কত মহিলাসকল আগবঢ়া— প্ৰতিশ্ৰুতি আতংকৰ বলি হোৱা মহিলাৰ সংখ্যা নিচেই তাকৰীয়া। প্ৰকৃতি প্ৰদত্ত মনস্তাত্বিক অৱদানৰ বাবেই স্ত্ৰীলোকে সম্পৰ্ক ৰক্ষাৰ বাবে কঠোৰ পৰিশ্ৰম কৰিব পাৰে। পুৰুষৰ তুলনাত দীৰ্ঘ সময়লৈ সম্পৰ্ক ধৰি ৰখাৰ বাবে স্ত্ৰীলোকৰ মস্তিষ্ক অধিক সুগঠিত। এনেকি হৰমনবোৰেও পুৰুষতকৈ মহিলাক সম্পৰ্ক ৰক্ষাৰ প্ৰয়োজনসমূহৰ বিষয়ে অধিক সচকিত হোৱাত গুৰুতৰ ভূমিকা লয়। মহিলাৰ তুলনাত পুৰুষৰ তন্ত্ৰত প্ৰায় কুৰিগুণ অধিক টেষ্ট'ষ্টেৰণ থাকে। যাৰ ফলত পুৰুষসকল বেছি খঙাল, আক্ৰমণাত্মক, প্ৰভাৱী আৰু শাৰীৰিক সম্পৰ্কৰ দিশবোৰত সংকীৰ্ণ হয়।

3. যোগাযোগ ক্ষেত্ৰত স্ত্ৰীলোক অধিক দক্ষ—বেছিকৈ কথা কয় বুলি স্ত্ৰীলোকক সদায় দোষাৰোপ কৰা হয়। এইটো অৱশ্যে সমুলি অসত্য নহয়। অধ্যয়ণ মতে মহিলাই পুৰুষতকৈ দৈনিক তিনিগুণে বেছি কথা কয়। এইটো সদায়ে অপৰাধ নহয়। তেওঁলোকে নিজৰ মনৰ যুক্তিসাধ্য, মুকলীমূৰীয়া আৰু বিন্দুপ্ৰৱণ কথা কয়। (এই ক্ষেত্ৰত বন্ধু বান্ধৱৰ লগত কথাৰ মহলা মাৰা নহয়, সাধাৰণভাৱে জ্ঞানগৰ্ভা কথা-বতৰা বুজোৱা হৈছে)। "Female Mind" নামৰ কিতাপখনত Dr. Luan Brizendine য়ে কৈছে যে, মহিলাসকলে কথা পাতিবলৈ পুৰুষসকলতকৈ বেছি সংখ্যক মগজু-কোষ নিয়োজিত কৰে। বিজ্ঞানে প্ৰমাণ কৰিছে যে, পুৰুষৰ মগজুৰ তুলনাত স্ত্ৰীলোকৰ মগজুৱে বহু বেছে পৰিমাণৰ কথা, অনুভূতি আৰু আবেগৰ প্ৰক্ৰিয়াকৰণ আৰু বিশ্লেষণ কৰিব পাৰে।

ঃ পৃথিৱীখন এখন ধূনীয়া কিতাপ, কিন্তু যিজনে পঢ়িব নাজানে, তেওঁৰ কাৰণে এই কিতাপখনৰ কোনো মূল্য নাই।
—গল্ডিগি পামেলা।

ঃ ভুলৰ বাবে আনক ক্ষমা কৰি দিবা। কিন্তু নিজকে কোনো দিন ক্ষমা নকৰিবা।
—ছআইৰাছ।

ঃ এশজন শিক্ষকে কৰিব নোৱাৰা কাম এগৰাকী আদৰ্শ মাতৃয়ে অকলেও কৰিব পাৰে।"
—জৰ্জ হাৰ্বাট।





# একবিংশ শতিকাৰ প্ৰত্যাহ্বান—মূল্যবোধৰ শিক্ষা

**মুস্তাফিজুৰ ৰহমান**
**সহকাৰী অধ্যাপক, শিক্ষা বিভাগ**

পুৰণি শিক্ষা ব্যৱস্থাত প্ৰমূল্য বা মূল্যবোধ শিক্ষাৰ প্ৰসংগ উত্থাপিত হোৱা নাছিল এই বাবেই যে আগৰ শিক্ষা ব্যৱস্থাত জীৱনৰ বাবে আৱশ্যকীয় বিভিন্ন প্ৰমূল্যক সেই সময়ত শিক্ষাৰ্থীৰ সন্মুখত সাৰ্থকভাৱে দাঙি ধৰিব পাৰিছিল। কিন্তু বৰ্তমান আধুনিক শিক্ষা ব্যৱস্থাত মূল্যবোধ শিক্ষাৰ ওপৰত গুৰুত্ব দিয়াৰ বাবে সমগ্ৰ পৃথিৱী ব্যাপী এক জাগৰণৰ সৃষ্টি হৈছে। সকলোৱে নতুন প্ৰজন্মক প্ৰমূল্য শিক্ষাৰে শিক্ষিত কৰি তুলিবলৈ আগ্ৰহান্বিত হৈ পৰিছে।

ইয়াৰ প্ৰধান কাৰণ স্বৰূপে ক'ব পাৰি যে সাম্প্ৰতিক কালৰ একপক্ষীয় শিক্ষাব্যৱস্থা। পুথিগত জ্ঞান অৰ্জন কৰা ও পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ উদ্দেশ্যতেই সমগ্ৰ শিক্ষা ব্যৱস্থা পৰিচালিত হৈছে। আনহাতে জ্ঞানৰ বিস্ফোৰণ, ভোগবাদী আদৰ্শৰ সম্প্ৰসাৰণ, দুৰ্নীতি, অপৰাধমূলক কাৰ্য্য, ভ্ৰষ্টাচাৰ, নৈতিক স্খলনে বৰ্তমান বিশ্বত ভয়ানক পৰিস্থিতি আৰু অশান্তিৰ সৃষ্টি কৰি তুলিছে। যোগাযোগ ব্যৱস্থাৰ দ্ৰুত সম্প্ৰসাৰণ, অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰ উদ্ভাৱন আৰু প্ৰয়োগ, ভোগৰ সামগ্ৰীৰ সহজলভ্যতা, অধিক অৱসৰৰ সময়ৰ ফলত পৃথিৱী ব্যাপীকেৱল পাৰ্থিৱ ভোগ লালসাৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰিছে। ফলত মানবীয় প্ৰমূল্য দ্ৰুতভাৱে স্খলন ঘটিছে।

মানৱীয় প্ৰমূল্য স্খলৰ প্ৰধান কাৰণ স্বৰূপে ক'ব পাৰি— ৰাজনৈতিক ভ্ৰষ্টাচাৰ, অৰ্থনৈতিক শোষণ, সামাজিক বিশৃংখলতা, মানুহৰ স্বাৰ্থপৰতা, অন্যায় কাৰ্যকলাপ, ভোগবাদী আদৰ্শ, সামাজিক চেতনাৰ অভাৱ, যুৱ উচ্ছৃংখলতা, জাতিভেদ প্ৰথা, বৈবাহিক জীৱনৰ ভাঙোন ইত্যাদিৰ কথা।

শিক্ষাৰ্থীৰ নৈতিক আৰু আধ্যাত্মিক তথা মানৱীয় ভাৱধাৰা পুনৰুজ্জীৱিত কৰি শিক্ষাক এক শক্তিশালী আৰু ফলৱতী বুনিয়াদৰ ওপৰত প্ৰতিষ্ঠা কৰিবৰ বাবেই সম্প্ৰতি মূল্যবোধ শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে, নৈতিক বা আধ্যাত্মিক শিক্ষাক প্ৰমূল্য আখ্যা দিব নোৱাৰি। নৈতিক আৰু আধ্যাত্মিক শিক্ষাতকৈ প্ৰমূল্য বা মূল্যবোধ শিক্ষাৰ ধাৰণা অধিক ব্যাপক। মূল্যবোধ শিক্ষা এক বহুমূখী ধাৰণা লগতে ই শিক্ষাৰ প্ৰত্যেকটো অংগৰে সৈতে জড়িত।

প্ৰমূল্যৰ ইংৰাজী প্ৰতিশব্দ Value শব্দটোৱে মানুহৰ অন্তৰ্নিহিত নৈতিক গুণ, বিশেষত্ব বা যোগ্যতাৰ কথা বুজায়। সামাজিক সমৰ্থন লাভ কৰা যিবিলাক আচৰণ, কৰ্ম বা বস্তুক ভাল পাই, সন্মান কৰি মানুহে জীৱনত আয়ত্ত কৰে আৰু গুৰুত্ব সহকাৰে নিজৰ কৰি লয় তাকেই প্ৰমূল্য আখ্যা দিব পাৰি। অন্য ধৰণে ক'বলৈ হ'লে প্ৰমূল্য সৰল আচৰণ আৰু চিন্তাৰ বিমূৰ্ত আৰু সাধাৰণকৃত ৰূপ যাৰ প্ৰতি মানুহ অত্যন্ত আবেগিক আৰু ইতিবাচকভাৱে প্ৰতিশ্ৰুতিবদ্ধ হয় আৰু যি অন্য মানুহৰ কাম-কাজ, বিচাৰ-বিবেচনা আৰু লক্ষ্যৰ আদৰ্শ স্বৰূপে স্বীকৃত হয়।

প্ৰমূল্য শব্দটোৰ বুৎপত্তিগত অৰ্থ হ'ল—ই কোনো ব্যক্তি বা বস্তুৰ সেই গুণটোৰ কথা বুজায় যিনেকি সেই ব্যক্তি বা বস্তুক মৰ্যাদা, সন্মান আৰু কাৰ্যকাৰিতা প্ৰদান কৰে আৰু সহজভাৱে ক'বলৈ হ'লে প্ৰমূল্য হ'ল সজ্ঞান আৰু অজ্ঞানভাৱে ব্যক্তিয়ে অগ্ৰাধিকাৰ দি গ্ৰহণ কৰা আচৰণ আৰু গুণ যিবিলাকে সামাজিক স্বীকৃতি পাই, সমাজৰ দ্বাৰাই নিয়ন্ত্ৰিত হয়।

মানুহৰ জীৱনত প্ৰমূল্য একেদিন আৰু এটা কাৰণত গঢ়ি নুঠে। বিভিন্ন ধৰণৰ উৎসৰ পৰা আৰু বিভিন্ন পৰিস্থিতিৰ মাজেদি মানুহৰ মনত মূল্যবোধৰ সৃষ্টি হয়। মূল্যবোধৰ উৎস সমূহ হ'ল—

— ধৰ্ম

— দৰ্শন

— সাহিত্য

— বিজ্ঞান

— সামাজিক ৰীতি-নীতি বা প্ৰথা ইত্যাদি।

মূল্যবোধ বা প্ৰমূল্য কোনো জন্মগত বা বংশানুক্ৰমিক গুণ নহয়। ব্যক্তিয়ে জীৱন কালত প্ৰমূল্য আয়ত্ত কৰে। পৃথিৱীত জন্মগ্ৰহণৰ সময়ত মানৱ শিশুক এটি পশুৰ লগত তুলনা কৰিব পাৰি কাৰণ প্ৰমূল্য কি সেই বিষয়ে শিশুৰ একো ধাৰণা নেথাকে। পৰিয়ালত পিতৃ-মাতৃয়েই প্ৰথম শিশুক মূল্যবোধৰ ধাৰণা দিয়ে। পৰৱৰ্তী সময়ত বৃহত্তৰ সমাজৰ পৰা শিশুৱে মূল্যবোধ শিক্ষা আয়ত্ত কৰে বিভিন্ন পৰিস্থিতিৰ পৰা। বিশেষকৈ শিক্ষাৰ যোগেদি শিক্ষাৰ্থীৰ মনত মূল্যবোধৰ ধাৰণা গঢ়ি তোলাত বিদ্যালয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

ড° সৰ্বপল্লী ৰাধা কৃষ্ণণৰ দৃষ্টিভংগীত জ্ঞান আৰু কৌশল দান কৰাটোত শিক্ষা সীমাবদ্ধ নহয়—শিক্ষাই শিক্ষাৰ্থীৰ মনত মূল্যবোধৰ প্ৰকৃত ধাৰণা গঢ়ি তুলিব লাগিব। প্ৰমূল্য শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে গড উইনে কৈছিল যে প্ৰমূল্য শিক্ষা হ'ল ব্যক্তিৰ এনে এক অস্ত্ৰ যাৰ সহায়ত তেওঁৰ অস্তিত্ব প্ৰতিপন্ন কৰিব পাৰে। প্ৰমূল্যই হ'ল ব্যক্তিৰ চৰিত্ৰ আৰু ব্যক্তিত্বৰ মহামূল্যবান মুকুতা সদৃশ।

শিক্ষাৰ্থীসকলৰ মনত মূল্যবোধ গঢ়ি তুলিবলৈ বিদ্যালয়ে কেতবোৰ নিৰ্দিষ্ট আদৰ্শৰ ভেটিত শিক্ষা পৰিকল্পনা কৰা উচিত। বিদ্যালয়ত মূল্যবোধ শিক্ষা প্ৰদান কৰিবৰ বাবে নিম্ন উল্লেখিত পদক্ষেপ সমূহ গ্ৰহণ কৰিব পাৰি—

— প্ৰাৰ্থনা সমাবেশ।

— পাঠ্যক্ৰমৰ সংস্কাৰ সাধন।

— শ্ৰৱন দৰ্শন সঁজুলিৰ ব্যৱহাৰ।

— বিশেষজ্ঞলোকৰ বক্তৃতানুষ্ঠান।

— মহৎলোকৰ জন্ম দিৱস পালন।

— গ্ৰন্থ প্ৰদৰ্শনী।

— সমবায় ভিত্তিত কাৰ্যসূচীৰ ব্যৱস্থা।

— দলীয় কৰ্ম।

— সমাজ সেৱাৰ অনুষ্ঠান।

— কলা আৰু চিত্ৰাংকণ প্ৰতিযোগিতা ইত্যাদি।

ঃ নিজক বুজিব নোৱাৰাজনে আন একোৱেই বুজিব নোৱাৰে।"

—আইনষ্টাইন।

ঃ বিজ্ঞান এক কৃত্ৰিম সমাজ, যত সমাজৰ মঙ্গলজনক আৰু গুৰুত্বপূৰ্ণ দিশটোহে প্ৰতিফলিত হয়।

—পাৰ্চিয়ান।





# ভাৰতীয় সমাজ ব্যৱস্থাত নাৰী

নিতু চহৰীয়া
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

বৰ্তমান ভাৰতীয় সমাজ ব্যৱস্থাত লিংগ বৈষম্য (নাৰী আৰু পুৰুষ) এক সামাজিক ব্যাধি ৰূপত সমাজ জীৱনৰ প্ৰতিটো স্তৰতে শিপাই উঠিছে। অতি দুখ আৰু পৰিতাপৰ বিষয় যে বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত একবিংশ শতিকাৰ প্ৰাক্‌ক্ষণত আমাৰ দেশৰ মুঠ জনসংখ্যাৰ আধা সংখ্যকেই নিজৰ প্ৰাপ্য অধিকাৰ আৰু সুৰক্ষাৰ পৰা বঞ্চিত হৈ আছে। আধুনিক শিক্ষাৰ পোহৰ পোৱা বুলি ঢাক ঢোল কোবোৱা ভাৰতীয় পুৰুষতান্ত্ৰিক সমাজখনে আজিও সামন্তযুগীয় চিন্তাধাৰা পৰিহাৰ কৰিবলৈ সক্ষম হোৱা নাই আৰু নাৰীক নিজতকৈ হেয় জ্ঞান কৰিবলৈ এৰা নাই। নাৰীৰ প্ৰতি থকা বৈষম্যমূলক তথা হেয় মনোভাৱৰ ফলশ্ৰুতিতেই দৈনিক আমাৰ সমাজত ধৰ্ষণ, শাৰিৰীক নিৰ্যাতন, যৌতুকৰ বাবে বোৱাৰী হত্যা, নাৰী দেহ ব্যৱসায়, ডাইনী হত্যা ইত্যাদিৰ দৰে জঘন্য আৰু আসুৰিক কাণ্ড চক্ৰবৃদ্ধি হাৰত বৃদ্ধি পাব ধৰিছে। সৌ সিদিনা দেশৰ ৰাজধানী চহৰত এগৰাকী ২৩ বছৰীয়া যুৱতীক কৰা বৰ্বৰ দলবদ্ধ ধৰ্ষণৰ ঘটনাই আমাক নিশ্চয় ভাবিবলৈ বাধ্য কৰে—'আমি সঁচাকৈয়ে সভ্য নে?'

ভাৰতীয় সভ্যতাৰ আৰম্ভণিৰ সময়ছোৱাত বিশেষকৈ বৈদিক যুগলৈ উভতি চালে দেখা যায় সেইসময়ত নাৰীয়ে সমাজত এক বিশিষ্ট স্থান অধিকাৰ কৰিছিল। 'বেদ' আৰু 'উপনিষদ' সমূহত নাৰীক 'দেৱী' আৰু 'মাতৃ'ৰ মৰ্যদা প্ৰদান কৰা হৈছিল। ছোৱালীক মৰম-স্নেহ আৰু আদৰ যত্নৰে লালন-পালন কৰা হৈছিল। মহিলাই ৰাজকাৰ্যত পুৰুষৰ সমানে ভাগ লোৱাৰ উল্লেখো কিছু কিছু ঠাইত পোৱা যায়। কিন্তু সময়ৰ অগ্ৰগতিৰ লগে লগে নাৰীক সমাজৰ সেই উচ্চ স্থানৰ পৰা বঞ্চিত কৰা হ'ল; তাৰ পৰিৱৰ্তে লাহে লাহে সতীদাহ প্ৰথা, বাল্য বিবাহ, বহু বিবাহ, যৌতুক প্ৰথা, পৰ্দা প্ৰথা আদিৰ দৰে কু-ব্যৱস্থাসমূহৰ দ্বাৰা নাৰীক পদলেহিত কৰা হ'ল। ক্ৰমান্বয়ে ঘৰৰ চাৰি বেৰৰ মাজত নাৰীক আবদ্ধ কৰি ৰখা হ'ল আৰু লাহে লাহে পুৰুষৰ বাবে নাৰী হৈ পৰিল মনোৰঞ্জনৰ এক মাধ্যম স্বৰূপ যেন নাৰী মানুহ নহৈ এক পণ্য সামগ্ৰীহে।

ভাৰতবৰ্ষৰ সংবিধানত ভাৰতৰ প্ৰতিজন নাগৰিকৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে সংবিধানৰ ১৪ নং অনুচ্ছেদৰ পৰা ৩২ নং অনুচ্ছেদলৈ মুঠ ছবিধ মৌলিক অধিকাৰৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰে ১৪ নং অনুচ্ছেদৰ পৰা ১৮ নং অনুচ্ছেদলৈ মুঠ পাঁচটা অনুচ্ছেদে ভাৰতীয় নাগৰিকৰ হাতত সমতাৰ অধিকাৰ প্ৰদান কৰিছে। সেই মৰ্মে অনুচ্ছেদ ১৫ অনুসৰি ভাৰতবৰ্ষত ধৰ্ম, জাতি, বৰ্ণ, লিংগৰ ভিত্তিত কৰা যিকোনো বৈষম্য নিষিদ্ধ ঘোষণা কৰা হৈছে। গতিকে দেখা যায় স্বয়ং ভাৰতীয় সংবিধানতেই লিংগ বৈষম্যৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছে তথা ইয়াক অবৈধ ঘোষণা কৰা হৈছে। অৱশ্যে সংবিধানত বৈষম্যৰ বিৰুদ্ধে এনে ব্যৱস্থা ল'বলগীয়া হোৱা কথাটোৱে এই সমস্যাটোৰ গুৰুত্ব তথা ভয়াৱহতাকে প্ৰতিয়মান কৰে। আকৌ ৰাষ্ট্ৰসংঘই ইং ২০০০ চনত আমেৰিকাৰ নিউইৰ্য়ক চহৰত গ্ৰহণ কৰা শতিকাৰ উন্নয়নৰ লক্ষ্য (Millenium Development Goals) MDGsত লিংগ বৈষম্য দূৰ কৰাত বিশেষ গুৰুত্ব আৰোপ কৰিছে আৰু ২০১৫ চনৰ ভিতৰত সমগ্ৰ

বিশ্বতে নাৰী সুৰক্ষা সুনিশ্চিত কৰা আৰু লিংগ বৈষম্য দূৰ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। গতিকে দেখা যায় যে, লিংগ বৈষম্যৰ বিষয়টোৱে সমগ্ৰ বিশ্বৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। এইখিনিতে, উল্লেখ কৰিব পাৰি যে উন্নত দেশসমূহৰ তুলনাত অনুন্নত তথা উন্নয়নশীল দেশসমূহত ইয়াৰ ভয়াৱহতা বেছি। আমাৰ দেশ ভাৰতবৰ্ষ ইয়াৰ ব্যতিক্ৰম নহয়। ২০১১ চনৰ লোকপিয়ল মতে ভাৰতৰ মুঠ জনসংখ্যাৰ ৪৮ শতাংশই মহিলা। কিন্তু দুখৰ বিষয় যে দেশৰ মুঠ জনসংখ্যাৰ আধাসংখ্যকেই আজি এক অনিশ্চয়তাময় আৰু আতংকময় জীৱন-যাপন কৰিব লগা হৈছে; এই আতংক তথা অনিশ্চয়তাৰ কাৰণ কোনো সন্ত্ৰাসবাদী তথা কোনো শত্ৰু দেশৰ সৈন্য নহয়। আজি ভাৰতীয় নাৰীৰ আতংক আৰু ভয়ৰ কাৰণ হ'ল সেইখন সমাজ যিখন সমাজত তেওঁলোকৰ জন্ম।

লিংগ বৈষম্যৰ বিষয়ে আলোচনা কৰিবলৈ যাওঁতে আমি লিংগ বৈষম্যৰ ফলত উদ্ভৱ হোৱা বিভিন্ন নাৰী বিৰোধী অপৰাধ তথা শোষণ নিষ্পেষণৰ বিষয়ে আলোচনা কৰিবই লাগিব। নাৰী বিদ্বেষী মনোভাৱৰ ফলতে জন্ম হয় ভ্ৰূণ হত্যা, কন্যা সন্তানৰ জন্মৰ পিছতে হত্যা, যৌন নিৰ্যাতন, পাৰিবাৰিক তথা ঘৰুৱা হিংসা, ধৰ্ষণ, কৰ্মক্ষেত্ৰত বৈষম্য, নিৰক্ষৰতা ইত্যাদিৰ দৰে ব্যাধিসমূহৰ।

ভ্ৰূণ হত্যা এক জঘন্য আৰু অমানৱীয় কাৰ্য। কেৱল মাত্ৰ কন্যা হোৱা বাবেই ভ্ৰূণ নষ্ট কৰাৰ দৰে কাৰ্য সংঘটিত হয় আমাৰ এইখন সমাজতে। ২০১২ চনত বিশ্ব বেংকে লিংগ বৈষম্যৰ ওপৰত প্ৰস্তুত কৰা এক প্ৰতিবেদন অনুসৰি ভাৰতবৰ্ষত বিগত দুটা দশকত প্ৰায় ২.৫ লাখ ভ্ৰূণ হত্যা কৰা হৈছে ছোৱালী হোৱা বাবে। আকৌ সেই প্ৰতিবেদনতে উল্লেখ কৰা হৈছে যে এবছৰৰ পৰা চাৰি বছৰৰ ভিতৰত কন্যা সন্তানৰ মৃত্যুৰ হাৰ ল'ৰাৰ তুলনাত ৬১% বেছি। এনে ধৰণৰ তথ্যই আমাক সভ্য সমাজৰ নাগৰিক বুলি কোৱাত নিশ্চয় বাধা প্ৰদান কৰে। ভাৰতীয় চিন্তাধাৰাত পুত্ৰ সন্তান মানে হ'ল বংশ গৌৰৱ, পুত্ৰই বংশ ৰক্ষা কৰে, সেইদৰে পিতৃ-মাতৃৰ বৃদ্ধ বয়সৰ সাৰথি, আকৌ পুত্ৰৰ বিয়াৰ সময়ত ছোৱালী ঘৰৰ পৰা যৌতুক হিচাপে বহু ধন-সম্পত্তি লাভৰ সুবিধা থাকে। কিন্তু তাৰ বিপৰীতে ছোৱালী সন্তান হৈছে এক সমস্যা স্বৰূপ ডাঙৰ-দীঘল কৰি বিয়া দিব লাগে আৰু বিয়াৰ সময়ত অজস্ৰ ধন-সম্পত্তি যৌতুকত দিব লাগে। আমাৰ সমাজৰ এনে ব্যৱস্থাৰ ফলতেই কন্যা সন্তানক মাতৃৰ গৰ্ভতে নষ্ট কৰা হয়। উল্লেখযোগ্য যে—Indian Penal Code (IPC)ৰ ৩১২ৰ পৰা ৩১৭ ধাৰালৈ ভ্ৰূণ হত্যা অপৰাধৰ বাবে হ'বলগীয়া শাস্তিসমূহৰ উল্লেখ আছে। ইয়াৰ উপৰিও চৰকাৰে ভ্ৰূণ হত্যা ৰোধ কৰাৰ বাবে আইনো প্ৰণয়ন কৰিছে। কিন্তু তথাপিও ভ্ৰূণ হত্যাৰ দৰে বৰ্বৰ কাণ্ড ঘটিয়ে আছে। দুখৰ বিষয় যে এনে অপৰাধৰ বাবে অভিযুক্তক শাস্তি দিয়াৰ নিদৰ্শন নিচেই নগন্য। শিক্ষিত মানুহৰ মাজতো বহু সময়ত এনে তুচ্ছ চিন্তা দেখা যায়, যি সঁচাকৈয়ে ভাবিবলগীয়া দিশ।

আকৌ ২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি ভাৰতবৰ্ষত প্ৰতি এহেজাৰজন পুৰুষৰ তুলনাত নাৰীৰ সংখ্যা হৈছে ৯৪০ গৰাকী। এনেদৰে পুৰুষৰ তুলনাত নাৰীৰ সংখ্যা কমি অহাটো নিশ্চয়কৈ শুভ লক্ষণ নহয় আৰু ইয়াৰ বাবে আমি নাৰী বিদ্বেষী মনোভাৱকে জগৰীয়া কৰিবই লাগিব। আমাৰ সমাজত নাৰীৰ প্ৰতি পক্ষপাতিত্ব, হেয় ভাব—কন্যা সন্তানটি মাতৃৰ গৰ্ভত থকাৰে পৰা আৰম্ভ হয়। আৰু জন্মৰ পিছত মাক-দেউতাকে সচৰাচৰ কন্যা সন্তানতকৈ পুত্ৰ সন্তানৰ অধিক আদৰ যত্ন লয়। স্বাস্থ্য, শিক্ষা, খাদ্য অথবা অন্যান্য সকলো সুবিধা পুত্ৰ সন্তানসকলে ছোৱালীৰ তুলনাত সদায়ে বেছিকৈ পায়। মাক-দেউতাকৰ পৰা আৰু পৰিয়ালৰ অন্যান্য সদস্যৰ পৰা লাভ কৰা এনে বিশেষ আদৰ সাদৰৰ ফলত সৰুতেই ল'ৰাৰ মনত এটা কথা সোমাই যায় যে তেওঁলোক ছোৱালীতকৈ ওপৰত আৰু এই মনোভাৱ তেওঁলোকৰ মনত ভৱিষ্যতলৈ থাকি যায়।

ভাৰতবৰ্ষত মহিলা তথা কিশোৰীৰ ওপৰত হোৱা শাৰীৰিক আৰু যৌন নিৰ্যাতনৰ বিভিন্ন তথ্যসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে বহু সময়ত কিশোৰী আৰু যুৱতীৰ ওপৰত যৌন নিৰ্যাতন চলোৱা ব্যক্তিজন তেওঁলোকৰ পৰিয়ালৰ কোনো সদস্য বা কোনো পৰিচিত ব্যক্তি। ২০০৯ চনত কেন্দ্ৰীয় শিশু আৰু মহিলা উন্নয়ন মন্ত্ৰণালয়ে প্ৰস্তুত কৰা এক প্ৰতিবেদন 'National study on child abuse'ৰ মতে ৫৩ শতাংশ নিৰ্যাতনৰ কাণ্ড সংঘটিত কৰে পৰিয়ালৰ ব্যক্তি নতুবা আপোনজনে। National Crime Records





Bureau (NCRB) ২০১৩ বৰ্ষৰ তথ্য মতে নাৰী নিৰ্যাতনৰ ৩৩৭০৭ টা ঘটনা ৰুজু হৈছিল। কিন্তু এনে বহু ঘটনা লিপিবদ্ধ নোহোৱাকৈয়ে থাকি যায়।

নাৰীৰ প্ৰতি বৈষম্যমূলক আচৰণৰ ফলশ্ৰুতিতেই ছোৱালী কালতে নাৰীক শিক্ষাৰ পৰা বঞ্চিত কৰা হয়। উপযুক্ত ভৰণ-পোষণৰ অভাৱত আজীৱন পুষ্টিহীনতাত ভুগীব লগা হয়। শিক্ষা, স্বাস্থ্য আৰু যত্নৰ অভাৱত দুৰ্ভগীয়া নাৰীসকলে আজীৱন জীয়াতু ভুগিব লাগে, পুৰুষৰ হাতত লাঞ্ছিত হ'ব লাগে। উপযুক্ত পুষ্টি আৰু চিকিৎসাৰ অভাৱৰ বাবেই আমাৰ দেশত মাতৃৰ মৃত্যুৰ হাৰো অধিক। বিশ্ব বেংকৰ মাতৃৰ মৃত্যুৰ হাৰ (MMR) ২০১৩ তথ্য মতে আমাৰ দেশত প্ৰতি এহেজাৰ শিশুৰ জন্মৰ ভিতৰত MMR হৈছে ১৯০।

বিয়াৰ পিছতো ভাৰতীয় নাৰী স্বামী আৰু স্বামী পৰিয়ালৰ সদস্যৰ হাতত নিৰ্যাতিত হয়। যৌতুকৰ বাবে বোৱাৰী হত্যা কৰাৰ দৰে ঘটনা ভাৰতৰ হাজাৰ বছৰীয়া পুৰণি সংস্কৃতিৰ বুকুত এক কলংক। NCRB ২০১৩ তথ্য মতে যৌতুকৰ বাবে বোৱাৰী হত্যা কৰাৰ দৰে জঘন্য অপৰাধৰ সংখ্যা হৈছে ৮০৮৩। সেইদৰে NCRB ২০১৩ৰ তথ্যই প্ৰমাণ কৰে ভাৰতীয় নাৰী নিজ স্বামী গৃহতে আটাইতকৈ বেছি অসুৰক্ষিত কাৰণ স্বামীৰ হাতত অথবা স্বামীৰ পৰিয়ালৰ দ্বাৰা নিৰ্যাতিত হোৱা মুঠ ১১৮৮৬৬ টা গোচৰ ২০১৩ চনত ৰুজু হৈছিল।

ধৰ্ষণৰ দৰে বৰ্বৰ কাণ্ডই সমাজত নাৰীৰ অস্তিত্বই বিপন্ন কৰি তোলে। এনে আসুৰিক কাৰ্যই এগৰাকী নাৰীক শাৰীৰিক তথা মানসিকভাৱে অসুস্থ কৰি তোলে। ২০১৩ বৰ্ষৰ NCRB তথ্য অনুসৰি আমাৰ দেশত ৩৩৭০৭ টা ধৰ্ষণৰ গোচৰ ৰুজু কৰা হৈছিল। ভাৰতীয় নাৰী পদে পদে পুৰুষৰ দ্বাৰা সমাজত লাঞ্ছিত হয়। কৰ্মক্ষেত্ৰতো দেখা যায় সহকৰ্মী তথা উচ্চ বিষয়াৰ দ্বাৰা প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হ'বলগীয়া হয় কেৱল নাৰী হোৱা বাবে। এনে বহু পুৰুষ আছে যিয়ে মহিলাৰ তলত কাম কৰিব নিবিচাৰে। ইয়াৰ উপৰিও কৰ্মক্ষেত্ৰত যৌন নিৰ্যাতনৰ দৰে ঘটনাই নাৰীসকলৰ কৰ্ম স্পৃহা হ্ৰাস কৰে। চাকৰিৰ খাতিৰতে হওঁক নতুবা সমাজত বদনামৰ ভয়তে হওঁক মহিলাসকলে প্ৰায়ে এনে ঘটনা নিৰৱে সহ্য কৰি থাকিবলগীয়া হয়। ইয়াৰ উপৰিও নাৰী দেহ ব্যৱসায়ৰ দৰে আন্তঃৰাষ্ট্ৰীয় চক্ৰ কিছুমানে গাঁও চহৰৰ মহিলা যুৱতীক চাকৰি তথা অন্যান্য প্ৰলোভন দেখুৱাই ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰ লগতে বিদেশতো বিক্ৰী কৰি দিয়ে।

লিংগ বৈষম্যৰ কাৰণসমূহ বিশ্লেষণ কৰিলে আমি পোনপ্ৰথমেই আমাৰ সমাজ ব্যৱস্থা তথা প্ৰচলিত সামন্তযুগীয়া চিন্তাধাৰাকে দায় দিব লাগিব। নাৰীক সদায় হেয় জ্ঞান কৰা মনোভাৱৰ বাবেই নাৰীৰ ওপৰত নিৰ্যাতন কৰোতে, নাৰীৰ শ্লীলতা হানী কৰোতে বা অন্যান্য নাৰী বিৰোধী অপৰাধ সংঘটিত কৰোতে পুৰুষে অকণো কুণ্ঠাবোধ নকৰে। অৱশ্যে এইক্ষেত্ৰত পুলিচ প্ৰশাসনৰ ভূমিকাও সন্দেহজনক। বহু সময়ত দেখা যায় যে পুলিচে নাৰী নিৰ্যাতনৰ গোচৰ ৰুজু কৰিবলৈ অনিহা প্ৰকাশ কৰে অথবা গোচৰ ৰুজু কৰিলেও তদন্তৰ নামত ভেকো ভাওনাহে কৰে। আকৌ গোচৰ তৰিবলৈ অহা নিৰ্যাতিতা মহিলাকহে ওলোটাই দাবী ধমকি তথা অন্যান্য ধৰণে হাৰাশাস্তি কৰে। পুলিচ প্ৰশাসনৰ এনে হোমাহিৰ বাবে অভিযুক্ত সকলে উচিত শাস্তি নাপায়। NCRB ২০১৩ তথ্যই প্ৰকাশ কৰে যে ভাৰতবৰ্ষত নাৰীৰ বিৰুদ্ধে হোৱা বিভিন্ন অপৰাধসমূহত অভিযুক্তই উচিত শাস্তি পোৱা ঘটনা নিচেই সামান্য— ধৰ্ষণৰ গোচৰত এই হাৰ মাত্ৰ ২৭%, যৌতুকৰ বাবে হত্যাৰ ক্ষেত্ৰত এই হাৰ ৩২.৩%। এনেধৰণৰ তথ্যই দেশৰ প্ৰশাসন যন্ত্ৰৰ অসাৰতাৰে প্ৰমাণ দাঙি ধৰে। অৱশ্যে এইখিনিতে উল্লেখ কৰিব লাগিব যে ভাৰত চৰকাৰে বিভিন্ন সময়ত নাৰী সুৰক্ষাৰ বাবে বিভিন্ন আইন প্ৰণয়ন কৰিছে। উদাহৰণ স্বৰূপে—

১. ১৯৪৭ চনৰ সতী দাহ নিষিদ্ধকৰণ আইন

২. ১৯৫১ চনত প্ৰণয়ন কৰা যৌতুক বিৰোধী আইন

৩. ১৯৬১ চনৰ মাতৃত্ব সুৰক্ষা আইন

৪. ২০০৫ চনৰ ঘৰুৱা হিংসা বিৰোধী আইন

৫. ২০১৩ চনৰ কৰ্মস্থলত যৌন নিৰ্যাতন বিৰোধী আইন ইত্যাদি।

ঠিক সেইদৰে বিভিন্ন আঁচনি আৰু যোজনাৰ প্ৰণয়ন কৰি ভাৰতীয় নাৰীক শক্তিশালীকৰণৰ ব্যৱস্থাও চৰকাৰে লৈছে। এনে যোজনাসমূহৰ কিছুমান হৈছে কিশোৰী শক্তি যোজনা, মহিলা সমৃদ্ধি যোজনা, ৰাষ্ট্ৰীয় মহিলা কোষ, জননী সুৰক্ষা যোজনা, কস্তুৰবা গান্ধী বালিকা বিদ্যালয় যোজনা, কন্যা সাক্ষৰতা যোজনা ইত্যাদি। কিন্তু ইমানবোৰ আইন তথা আঁচনি, যোজনাৰ পিছতো ভাৰতবৰ্ষত নাৰী অৱহেলিত নিৰ্যাতিত আৰু নিপিড়িত হৈয়ে আছে। প্ৰায়ে দেখা যায় যে এই আইন তথা যোজনাসমূহৰ ৰূপায়ণত বিভাগীয় কতৃপক্ষই গাফিলতি কৰে যাৰ ফলত এই ব্যৱস্থাসমূহে ইয়াৰ উদ্দেশ্য পূৰ্ণ কৰিব পৰা নাই।

ভাৰতবৰ্ষত নাৰী সুৰক্ষিত হ'বলৈ হ'লে প্ৰথমেই সমাজ ব্যৱস্থা বিশেষকৈ সমাজৰ প্ৰচলিত মানসিকতা সলনি হ'ব লাগিব। এইক্ষেত্ৰত মহিলাসকলেই আগভাগ ল'ব লাগিব। ভাৰতীয় মহিলাই নিজৰ অধিকাৰৰ প্ৰতি সজাগ হ'ব লাগিব। সততে পৰনিৰ্ভৰশীল হৈ থকাৰ মানসিকতা পৰিহাৰ কৰিব লাগিব। মহিলাসকলৰ মাজত সজাগতা আনিবলৈ এক আন্দোলন গঢ়ি তুলিব লাগিব আৰু ইয়াত মহিলাসকলেই আগভাগ ল'ব লাগিব। উচ্চশিক্ষিত আৰু প্ৰতিষ্ঠিত নাৰীসকলৰ এইক্ষেত্ৰত কৰণীয় বহুত। প্ৰতিগৰাকী মাতৃয়ে ল'ৰা সন্তানৰ সমানে সমানে ছোৱালী সন্তানৰো উচিত যত্ন ল'ব লাগিব। বহু সময়ত দেখা যায় যে পুত্ৰ স্নেহত অন্ধ মাতৃয়ে পুত্ৰক সকলো সুবিধা দিয়ে কিন্তু নিজৰে জীয়েকক ঘৰুৱা কামত ব্যস্ত কৰাই ৰাখে। এগৰাকী নাৰীয়ে নিজৰ জীৰ প্ৰতি কৰা এনে অন্যায় নাৰী অধিকাৰৰ অন্যতম অন্তৰায়। নাৰীৰ শাৰীৰিক তথা মানসিক উৎকৰ্ষৰ বাবে সৰুৰে পৰা উপযুক্ত ভৰণ পোষণৰ প্ৰয়োজন। আকৌ আত্মৰক্ষাৰ দিশৰ প্ৰতিও মহিলাসকল বিশেষভাৱে সজাগ হোৱা দৰকাৰ। নাৰী শাৰীৰিকভাৱে দুৰ্বল বুলি থকা ধাৰণাৰ বাবেও তেওঁলোকে পুৰুষৰ হাতত নিৰ্যাতিতা হয়। আত্মৰক্ষাৰ বাবে স্কুল বা কলেজ পৰ্যায়ত ছাত্ৰীসকলক সমৰ কৌশলৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা দৰকাৰ।

বৰ্তমান মোবাইল আৰু ইণ্টাৰনেটৰ যুগত, নৱ প্ৰজন্মৰ কিছুমান ভণ্ড যুৱকে প্ৰেমৰ অভিনয় কৰি, বিয়াৰ প্ৰতিশ্ৰুতি দি যুৱতীৰ অশ্লীল ফটো অথবা ভিডিঅ' ইণ্টাৰনেটত আপল'ড কৰি ধন ঘটাৰ এক সহজ উপায় উদ্ভাৱন কৰিছে। এনেস্থলত আজিৰ যুৱতীসকল বিশেষভাৱে সাৱধান হোৱা দৰকাৰ।

আমাৰ সমাজৰ পৰা এনে লিংগ বৈষম্য আৰু ইয়াৰ ফলত সৃষ্টি হোৱা বিভিন্ন নাৰী বিৰোধী অপৰাধসমূহ দূৰ কৰিবলৈ হ'লে সমগ্ৰ ভাৰতীয় নাৰী এক গোট হৈ থিয় হ'ব লাগিব। চৰকাৰেও এই ক্ষেত্ৰত বিশেষ সদিচ্ছা দেখুওৱাব লাগিব। দেশৰ কাৰ্যপালিকা, বিধান মণ্ডল আৰু ন্যায়পালিকাসমূহত নাৰীৰ সংখ্যা বৃদ্ধি কৰাৰ বাবে বিশেষ ব্যৱস্থা ল'ব লাগিব। দেখা যায় যে, কেন্দ্ৰীয় চৰকাৰ বা দেশৰ অন্যান্য ৰাজ্য চৰকাৰসমূহত মহিলাৰ সংখ্যা নিচেই সামান্য। লোকসভাৰ মুঠ ৫৪০ জন সদস্য আৰু ৰাজ্য সভাৰ ২৪২ জন সদস্যৰ ভিতৰত মহিলা সদস্যৰ সংখ্যা নিচেই কম। বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী পৰিষদতো মহিলাৰ সংখ্যা মাত্ৰ ৭ গৰাকী। এইক্ষেত্ৰত চৰকাৰ তথা ৰাজনৈতিক দলসমূহে মহিলাৰ বাবে সংসদত ৩৩% আসন সংৰক্ষণৰ বিধেয়কখন অনুমোদন জনোৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত। সেইদৰে পুলিচ তথা প্ৰশাসনৰ বিভিন্ন বিভাগসমূহত মহিলাৰ সংখ্যা বৃদ্ধি সুনিশ্চিত কৰিলেহে মহিলাসকলৰ বিভিন্ন সমস্যাসমূহৰ খৰতকীয়া আৰু ফলপ্ৰসু সমাধান সম্ভৱ হ'ব।

নাৰী এখন সমাজৰ অবিচ্ছেদ্য অংগ। এগৰাকী নাৰী যদি পুৰুষৰ অবিহনে অপূৰ্ণ বুলি ভবা হয় ঠিক তেনেকৈয়ে এজন পুৰুষো নাৰীৰ অবিহনে আধৰুৱা। সমাজৰ সৰ্বাংগীন উন্নয়নৰ হেতু পুৰুষ আৰু নাৰী উভয়ৰে অৱদান অনস্বীকাৰ্য। এইক্ষেত্ৰত স্বামী বিবেকানন্দৰ এটি উক্তিৰে এই আলোচনাটি সামৰণি মাৰিব বিচৰা হৈছে—

"It is impossible to think about the welfare of the world unless condition of woman is improved."

✸ ✸ ✸





# যুৱ-উচ্ছৃঙ্খলতা আৰু সমাজৰ দায়বদ্ধতা

ড° এম. এছ. শ্বেইখ
সহযোগী অধ্যাপক
প্ৰাণী বিজ্ঞান বিভাগ

ব্যক্তিৰ বয়সানুপাতে দৈহিক, আংগিক, শাৰীৰিক, মানসিক, পৰিৱৰ্তনৰ লগত দেখা দিয়া আচৰণৰ ওপৰত নিৰ্ভৰ কৰি মানুহৰ জীৱকালক শিশু (Infant–0–2 বছৰ), আদি শৈশৱ কাল (Early Childhood–2– ৬), মধ্য শৈশৱ কাল (Middle Childhood– ৬—১১ বছৰ), যৌৱনকাল (Adolescence– ১১—১৮ বছৰ), উদ্গমনীয় প্ৰাপ্তবয়স্কতা (Adult hood– ২৫ বছৰৰ উৰ্দ্ধত) আদিত ভাগ কৰিব পাৰি। বিৰামহীন বিকাশৰ লগত প্ৰতিটো স্তৰতে সমস্যা আৰু ক্ৰিয়া কলাপো ন ন ৰূপত বহিঃপ্ৰকাশ ঘটে। সমাজৰ ৰীতি-নীতিৰ পৰিপন্থী কাৰ্যকলাপ অৰ্থাৎ গুৰু-গোঁসাই নমনা, নিয়ম-নীতি নমনা, কুকৰ্ম কৰা, অনাহকত কাজিয়া কৰা, গুৰুজনক সন্মান নকৰা, উদণ্ড আচৰণ দেখুওৱা, নিচাসক্ত দ্ৰব্য সেৱন কৰি বেমেজালিৰ সৃষ্টি কৰা, অশালীন বাক্য ব্যৱহাৰ কৰা, বিদ্যালয় বা অধ্যক্ষৰ কোঠাত তলাবদ্ধ কৰা, উচটনীমূলক প্ৰবৃত্তিত আকৃষ্ট হোৱা, মোবাইল ফোন, বাইক আদি লৈ আড্ডা দিয়া, সময় মতে অধ্যনয়ন নকৰা, ঘৰুৱা কামত সহায় নকৰা, মাৰপিট কৰা, গুৰুজনৰ বিৰুদ্ধে শ্লোগান দিয়া আদি টুকটাক দিশবোৰৰ অপপ্ৰয়োগ কৰা বা চিন্তা নকৰা ছাত্ৰ-ছাত্ৰীক উচ্ছৃঙ্খল স্বভাৱৰ বুলি কোৱাৰ বা ভবাৰ যথেষ্ট যুক্তি আছে। এনে উদণ্ডতা বা উচ্ছৃঙ্খলতা বৰ্তমানৰ যান্ত্ৰিক সমাজৰ এক ভয়াৱহ ব্যধি। ০-১১ বছৰ বয়সৰ শিশুৱে ঘৰ নাইবা চৌকাষৰ পৰিৱেশৰ পৰাই বেছিভাগ শিক্ষা আহৰণ কৰে বা শিকে। নীতি শিক্ষা বা আদৰ্শ শিক্ষা প্ৰদানত ব্যৰ্থতাই উচ্ছৃঙ্খলতাৰ মূল কাৰণ। ৰাজনৈতিক মুনাফা, শিক্ষা গুৰুৰ কু অভিসন্ধি, মাত্ৰাধিক সুবিধা প্ৰদান কৰা, অতিমাত্ৰা আশা কৰা, সন্তানৰ প্ৰতি সময় দিব নোৱাৰা, আদি কাৰসমূহেও ছাত্ৰ-ছাত্ৰীক উচ্ছৃঙ্খলতাৰ দিশত গতি কৰাত সহায় কৰে। শিক্ষাগুৰুৰ সহযোগিতাত অনৈতিক পন্থাৰে পৰীক্ষাত ভাল ফল দেখুওৱা ছাত্ৰ-ছাত্ৰীসকল বেছিকৈ উচ্ছৃঙ্খল হোৱাটো একপ্ৰকাৰ বাস্তৱ সত্যত পৰিণত হৈছে।

আজিৰ শিশু ভৱিষ্যতৰ নাগৰিক। এই প্ৰতিভাবান নিষ্পাপ নাগৰিকসকলক মানৱ সম্পদৰূপে গঢ় দি দেশৰ মঙ্গলাৰ্থে উপযোগী কৰি তোলাৰ সৰ্ব্বতোপ্ৰকাৰ দায়িত্ব সমাজৰ ওপৰতেই ন্যস্ত। প্ৰচলিত বচনত কোৱাৰ দৰে "ৰাইজে নখ জোকাৰিলে নৈ বয়, দহৰ লাঠি একৰ বোঝা, শিশু হ'ল বাঁহৰ কেচা ঠাৰি যাক ইচ্ছানুযায়ী ভাঁজ খুৱাব পাৰি, সমাজ হ'ল বৈদুতিক ক্ষেত্ৰ আৰু শিশু হ'ল লো যাক ইচ্ছানুযায়ী ঘূৰাব পাৰি বা আকৰ্ষণ-বিকৰ্ষণ কৰিব পাৰি, সমাজ হ'ল নদী আৰু শিশু হ'ল পাৰ, সমাজ হ'ল ফুলনি আৰু শিশু হ'ল সুন্দৰ পখিলা, সমাজ হ'ল বালিচৰ শিশু হ'ল বালিচান্দা, শিশু হ'ল ৰং বিৰঙৰ চিলা, সমাজ হ'ল সূতা মেৰোৱা চকৰী, শিশু হ'ল সুবাসিত ধূপকাঠি, সমাজ হ'ল জুইয়ে পোৰা কোবাল ধুমুহা ইত্যাদি।" এক কথাত শিশুৰ নিষ্পাপ ৰূপ অসীম। সেই হিচাপত শিশুৰ বিকাশত পিতৃ-মাতৃ, পৰিয়ালবৰ্গ, সমাজ আৰু ৰাষ্ট্ৰৰ দায়িত্বও সীমাহীন। লাওপুলি ৰুবলৈ যিদৰে ভিটা, সাৰ-পানী, জালি, জেওৰা, শুশ্ৰূষা আদিৰ পৰিকল্পনাৰ দৰকাৰ একেদৰে শিশুৰ বিকাশৰ বাবেও পিতৃ-মাতৃৰ লগতে সমাজ আৰু ৰাষ্ট্ৰৰো সুগভীৰ পৰিকল্পনাৰ তেনেই আৱশ্যক। শিশুৰ মনস্তাত্বিক বিকাশৰ বাবে এই স্তৰসমূহৰ নিকা ভাৱধাৰা, চিন্তা-চৰ্চা আৰু আত্ম বলিদানৰ অতিকৈ প্ৰয়োজন।

শিক্ষাত জাগৰণ-আশ্ৰম গুচি জাগিৰ, জাগিৰ গুচি চৰকাৰী পঢ়াশালী। আজি আকৌ ব্যৱসায়িক ভিত্তিত ব্যক্তিগত খণ্ডৰ একসে বৰকৰ এক অনুষ্ঠান। মাধ্যমৰ কথা বাদহে দিলো কিতাপৰ গধূৰ টোপলা, কান্ধত নিজৰ ওজনতকৈও বেছি গধুৰ মোনা, মাক-বাপেকৰ আকাশলঙঘী আশা-কল্পনা, হেৰোৱা বাল্যকাল আদিৰ লগতে ভেন্সাৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী-শিক্ষকৰ দুৰ্দশা আৰু আহত মানসিকতা, যান্ত্ৰিক মানৱৰ গিজগিজনী, ইজিখ্যাতিৰ লালসা, জাগ্ৰত ব্যক্তিবাদ, অক্টোপাচীয় পুঁজিবাদ, সন্ত্ৰাসবাদৰ গেণ্ডনী, অৱিশ্বাসৰ জোঁৱাৰ, বিশৃঙ্খলতাৰ চুনামী আদিৰ দৌৰাত্মত শান্তিৰ জনসববৰত অশান্তি-অনৈতিকতাৰ ৰমৰমনীত বিধ্বস্ত মানৱতাৰ কুটিল গ্ৰাসত ত্ৰস্তমান শিশু সমাজ। জন্মৰ পাছতেই কেৱল ধোৱা ছাই, মৃত্যুৰ কিৰিলি। এক কথাত এন্ধাৰ আৰু পোহৰৰ মল্ল যুঁজত ধৰাশায়ী পোহৰ ৰূপী শিশুসকল। এন্ধাৰৰ বীৰ দৰ্প একো নতুন কথা নহয়। যুগে যুগে এই শ্ৰেয়স্কৰ বেহা। যাৰ বাবে শান্তি প্ৰতিষ্ঠাৰ হকে আল্লাই পয়গম্বৰ, আলেম, পণ্ডিত প্ৰবৰ, মহামণিষী আদিক ধাপে ধাপে পৃথিৱীত প্ৰেৰণ কৰি সৃষ্টিৰ অমৃতসম মাধূৰ্যতা বাহাল ৰাখিছে। পৃথিৱীত হেনো এজনো ভাল মানুহ থকালৈকে মহাপ্ৰলয় বা কায়ামত নহ'ব। সেয়ে পবিত্ৰ আত্মাৰ দেৱদূতসকলৰ উন্নয়নৰ বাবে আলেম পণ্ডিত প্ৰজ্ঞাসকল আগুৱাই আহিবৰ সময় হ'ল। নিষ্পাপ শিশু, অবলা নাৰী আৰু নীৰিহৰ তেজেৰে ফাকু খেলা নৰ পিচাচ ইংৰাজসকলক মমিমূৰ কৰাৰ বাবে মাৰ বান্ধি থিয় হ'বৰ সময় হ'ল। জাতি-ধৰ্ম-গোষ্ঠীৰ নামত চলোৱা বৰ্বৰতাক লেকাম লগাবৰ সময় হ'ল। অন্যথা ধৰিত্ৰীৰ পানী শুকাই মৰুভূমি হ'ব, মাতৃৰ হৃদয় চিৰাচিৰ হ'ব, পবিত্ৰ মলয়া গুচি দুৰ্বিষহ বৃষ্টিপাত আহিব, জলকেলিৰ ঢৌউ গুচি চুনামী হ'ব, ফুলৰ মিঠা সুবাসত পোৱা চামৰাৰ গোন্ধ ওলাব।

প্ৰয়োজন মাথোন প্ৰমূল্যবোধৰ শিক্ষা, নাৰী শিক্ষাৰ জাগৰণ, সুসন্তান জন্ম দিয়াৰ পৰিকল্পনা, সৎ চিন্তা, সৎ ভাৱনা, সৎ আচৰণ, সৎঅৰ্জন, সৎ উপাৰ্জন, পৰিষ্কাৰ-পৰিচ্ছন্নতা, ধৰ্মীয় বিশুদ্ধতা, আত্মব্যাখ্যা, আদিৰ মাধ্যমেৰে সন্তান জন্ম দি শিশুৰ মৌলিক অধিকাৰ সমূহ পূৰণ কৰি শিশুক অধ্যয়নমুখী আৰু জ্ঞান পিপাসু তথা ব্যৱহাৰিক দিশত পাৰ্গত কৰি প্ৰকৃত মানৱ সম্পদৰূপে গঢ় দিয়াও বিশেষভাৱে প্ৰয়োজন। সেয়া কৰিবলৈ মোবাইল, মটৰ বাইক আৰু বন্দুকৰ সলনি কলম কাগজ কিতাপ আদি হাতত তুলি দিয়া নিতান্ত প্ৰয়োজন। অৱশ্যে শিশুৰ পৰা খুউব বেছি আশা নকৰি ক্ৰম বিকাশৰ প্ৰতি নজৰ দিয়াতেই শ্ৰেষ্ঠতা।

দুৰ্নীতি, শোষণ, হিংসা, বিদ্বেষ, ঘৃণা, অন্ধবিশ্বাস, কুসংস্কাৰ আদি দূৰ কৰাৰ প্ৰচেষ্টা সামাজিকভাৱে লোৱাও প্ৰয়োজন। জন বিস্ফোৰণৰ অত্যাধুনিক বিশ্বত অধ্যয়ন বিমুখ যুৱ উচ্ছৃংখলতাৰ প্ৰতিও চকু দিয়া সমাজৰ সকলোৰে কৰ্তব্য। অনাহকত আড্ডা দিয়া, মদ-ভাং-গাজা-ডেনড্ৰাইট শিখৰ খোৱা, জুৱা খেলা, অশ্লীলতাৰ আবেশত সোমোৱা, পৰনিন্দা, পৰচৰ্চা আদিৰ পৰা শিশু কিশোৰ যুৱ সমাজক নিৰাপদত ৰখাও সমাজৰে দায়িত্ব। এনে কুঅভ্যাস আৰু কুকৰ্মৰ পৰা শিশুসকলক আঁতৰাই ৰাখিব পাৰিলে ধৰ্ষণ, হত্যা, হিংসা, ধনদাবী, কিডনেপ্ আদিও বহুগুণে হ্ৰাস হ'ব। ফেঁচাই ময়ূৰৰ পোৱালিতকৈ নিজৰ পোৱালিক বেছি মৰম কৰে। আমিবোৰেও নিজৰ পোৱালিক খুৱাই নোদোকা কৰো। অনুশাসনৰ সলনি উচটনি দিউ। শিক্ষকে শাসন কৰিলে গোচৰ তৰো, পাৰিলে এশিকনী দিউ। আনৰ পোৱালি বুদ্ধিদীপ্ত হ'লেও উপলুণ্ডা কৰো। সহায় কৰা দূৰৰ কথা আনৰ শিশুৰ এনে প্ৰগতিক মনে মনে হিংসা কৰো। এনে হিংসাই শিশুৰ বিকাশত বাধাৰ প্ৰাচীৰ হৈ থিয় হয়। মাহে লাখ টকা খৰচ কৰি কোচিং কৰাও। ব্যক্তিগত খণ্ডৰ ব্যয়বহুল বিদ্যালয়ত পঢ়াও। কোটি টকা খৰচ কৰি ডাক্তৰ বনাও। জন্মদিনত লাখটকীয়া বাইক উপহাৰ দিউ। অসৎ উপাৰ্জনত আত্মনিয়োগ কৰো। ৰক্ষক নহৈ ভক্ষক হয়। মানৱ নহৈ দানৱ হয়। নেতা নহৈ ক্ৰেতা হয়। আজিৰ সমাজত কৰ্ম বিমুখ বহু যুৱক আছে যিয়ে অনৈতিক সংগঠন বা ব্যক্তিৰ জালত পৰি বিপথে চালিত হৈ বিপথগামী হোৱা সততে দেখা যায়। এনে কুচক্ৰৰ কবলৰ পৰা শিশুসকলক নিৰাপদ দূৰত্বত ৰখাৰ দায়িত্বও সমাজৰে। কুঅভ্যাস, কুআচৰণ, কুকৰ্ম, কুমানসিকতা আদি সচৰাচৰ পৰিয়ালৰ সদস্য, বন্ধু-বান্ধৱ, সমাজৰ পৰিৱেশ নাইবা শিক্ষাগুৰু সকলৰ পৰা শিশুসকলে সহজে শিকে। বিশেষকৈ পিতৃ-মাতৃৰ কৰ্মৰ প্ৰতিফলন নিজৰ সন্তানৰ ওপৰত বেছিকৈ বা পোনছাটে হয়। এনে কুঅভ্যাসৰ পৰাও আমি আতৰি থকা বাঞ্ছনীয়।





প্ৰতিগৰাকী শিশুৰে একো একোটা বিশেষ প্ৰতিভা থাকে। ই সুপ্ত নাইবা জাগ্ৰত আকাৰে থাকিব পাৰে। সমাজ বা প্ৰকৃতিৰ পৰিৱেশে জীনিয় প্ৰতিভাক বিকশিত কৰে। সেইবাবে পৰিৱেশ হ'ল শিশুৰ বিকাশৰ মূল চালিকা শক্তি। দেখি আৰু ঠেকি শিকাটো সহজে নাপাহাৰে। মগজুৰ পৰা সহজে মোচ খাই নেযায়। সমাজ এখন আয়নাৰ দৰে। সুপ্ত প্ৰতিভাক উন্মুক্ত কৰাৰ দায়িত্বও সমজাৰে। তাৰ বাবে পিতৃ-মাতৃ, সমাজ, শিক্ষাগুৰু আৰু ৰাষ্ট্ৰযন্ত্ৰ একহৈ কাম কৰিব লাগিব। আমিও সজাগ হ'ব লাগিব। চৰকাৰী বিদ্যালয়ত পঢ়ি থকা সন্তানৰ খবৰো নলওঁ অথচ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়া শিশুৰ মোনাখনো পাৰিলে দাঙি আনো, হোম ৱৰ্কো কৰি দিওঁ। মূল্যাংকণত এটা নম্বৰ ইফাল সিফাল হ'লে হুলস্থুল কৰো। সৰ্ব সাংস্কৃতিক সৰ্বধৰ্মীয় সমাজৰ শিশুৰ মানসিক উৎকৃষ্টতা সদায় বেছি। বুদ্ধিমত্তাৰ হাৰো বেছি। হৃদয়বোৰো বহল হয়।

হিন্দু শাস্ত্ৰ মতে গুৰুৰে ব্ৰহ্মা গুৰুৰে মহেশ্বৰ। ইছলাম ধৰ্মতো আল্লাহৰ পাছতেই গুৰুৰ স্থান। পিতৃ-মাতৃয়ে জন্ম দিব পাৰে কিন্তু গুৰুৰ নিচিনাকৈ জ্ঞান দান কৰিব নোৱাৰে। শিশুৱেও গুৰুকেই বেছি অনুকৰণ কৰে। গুৰুৱে ভুল শিকালেও শুদ্ধ বুলি মানি লয়। সেয়েহে গুৰুৱে মমবাতিৰ দৰে জ্বলি-পুৰি গলি গলেও জ্ঞানৰ পোহৰ শিষ্যক বিলাব লাগে। জানি শুনি আনক ভুল জ্ঞান দিলে নাইবা নিজে জনা বস্তু আনক নিশিকালে জ্ঞানী ব্যক্তিকো আল্লাই ঘৃণা কৰে। জ্ঞান হ'ল প্ৰগতিৰ স্তম্ভ। সেয়েহে শিক্ষা ব্যৱস্থাপনাৰ সঠিক মূল্যাংকন কৰা সমাজৰ প্ৰতিগৰাকী ব্যক্তিৰে কৰ্তব্য। বিশেষকৈ আলেম, পণ্ডিত, গুৰু, সমাজ কৰ্মী আদিৰ দায়িত্ব অপৰিসীম।

নিজৰ কল্পনাৰ শিখৰত আৰোহণ কৰিবলৈ শিশু-কিশোৰ-যুৱক-যুৱতী সকলে সপোন দেখিব লাগিব। সেই সপোন বাস্তৱত পৰিণত কৰিবলৈ মন-মগজু-অন্তৰাত্মা এক কৰি অধ্যয়নত ব্ৰতী হৈ জ্ঞান অৰ্জনৰ কাৰণে কলম-কাগজ-গ্ৰন্থৰ জেহাদ কৰিব লাগিব। তাৰ বাবেও প্ৰয়োজন একাগ্ৰতা, সঠিক দিনলিপি আৰু কৰ্মলিপিৰ। অৰ্থাৎ বিষয়বস্তুৰ গভীৰতা অনুযায়ী সময়ৰ ভাগ, খেল-ধেমালিৰ সময়, বাহিৰা জ্ঞান অৰ্জনৰ সময়, সামাজিক কৰ্মৰ সময়, গৱেষণাৰ সময়, ভ্ৰমণৰ সময়, লিডাৰশ্বিপৰ আখৰা, প্ৰতিযোগিতাত অংশগ্ৰহণ, কাকত-পত্ৰিকা-আলোচনীত লেখা, প্ৰতিদিনে যিকোনো এটা ভাল কৰ্ম কৰা, নতুন চিন্তাধাৰাৰে ন-আৱিষ্কাৰ কৰা, বেয়াৰ বিৰুদ্ধে যুদ্ধ কৰা, আনৰ অন্যায় কামনা নকৰা ইত্যাদিত মনোনিৱেশ কৰাও ছাত্ৰ-ছাত্ৰী বা পঢ়ুৱৈ সমাজৰ কৰ্তব্য। এইবোৰৰ আখৰা হ'ব লাগিব নিয়মীয়া আৰু আন্তৰিক। কাৰণ বিশ্বত এনে বহু আচাৰ্য শিশু বা গ'গল শিশুৰ আৱিৰ্ভাৱ হৈছে যিবোৰ কালৰ সোঁতত বিলীন হোৱাৰ পথত। অৰ্থাৎ শিশুৰ মেধাকলৈ অযথা হৈ চৈ নকৰি তাৰ বিকাশৰ বা সুপ্ৰতিষ্ঠাৰ শুদ্ধ ৰাস্তা উলিয়াবলৈ অভিভাৱকসকলে শীতল মস্তিষ্কৰে আগুৱাব লাগিব। অৱশ্যে এনে বহু ঘাটমাউৰা, অকালগ্ৰস্থ, নিৰ্যাতিত, কম্পিত, শোষিত, সংঘৰ্ষ পিড়িত, যুদ্ধভোগী পংগু শিশু আছে যি কেৱল নিজৰ একাগ্ৰতা, অধ্যাৱসায়ৰ বাবে বিশ্ব দৰবাৰত শ্ৰেষ্ঠ ব্যক্তিৰূপে নিজেক পৰিচয় দিবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে পিতৃহাৰা আইজাক নিউটন, দৰিদ্ৰ পৰিয়ালৰ কলকাতা প্ৰেসিডেন্সী কলেজৰ অধ্যক্ষ ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ, ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালাম, আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকন, ভাৰতবৰ্ষৰ বৰ্তমান প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী আদিৰ কথা উল্লেখ কৰিব পাৰি। আজিৰ মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা গ্ৰহণাৰ্থে প্ৰয়োজনীয় অৰ্থ-সাহায্যৰ বাবে অকনো ভাবিব নালাগে। চৰকাৰৰ বহু আঁচনি আছে যিবোৰৰ পৰা অতি সহজে বৃত্তি লাভ কৰি নাইবা বহু বেচৰকাৰী বৃত্তি আছে যিবোৰৰ সুবিধা লৈ নিজকে মানৱ সম্পদৰূপে গঢ় দিবলৈ তেনেই উজু। হ'লেও তেনে ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সমাজৰ আছে অসীম দায়বদ্ধতা। আমি আগুৱাই আহিব লাগিব নবেল বিজয়ী ইউছুফ জাই মালালাৰ দৰে তালিবানৰ বৰ্বৰতাক নেওচি নাৰী শিক্ষাৰ পোহৰ বিলাবলৈ। আমি অনুকৰণ কৰিব লাগিব নবেল বিজয়ী কৈলাশ সত্যাৰ্থীৰ দৰে শিশু শ্ৰমিকৰ হেৰোৱা সপোন পুনৰ ৰচিবলৈ। আমিবোৰে মানুহ হিচাপে জাগ্ৰত হোৱাৰ সময় আহিছে।

আমাৰ সমাজত ধৰ্মীয় অনুভূতিকলৈ ৰাজনীতি কৰা নাইবা মুনাফা আদায় কৰা ধূৰন্ধৰ ব্যক্তিৰ অভাৱ নাই। হিংসা কৰা, মানুহ মাৰা, আন ধৰ্মক ঘৃণা কৰা কোনো ধৰ্মতেই নাই। ইছলাম ধৰ্মত একেবাৰেই নিষেধ। শান্তিৰ এই ধৰ্মত পবিত্ৰ কৰ্মই ধৰ্ম। গীতাৰো একে বাণী। আমাৰ ধৰ্মীয় শিক্ষাৰ অতিকৈ প্ৰয়োজন। কিন্তু গোড়ামী জাতি বা ৰাষ্ট্ৰৰ কাৰণে

বুমেৰাং। মোক্তব, মাদ্ৰাছা শিক্ষাই আমাক নৈতিক শিক্ষা দিয়ে। বৰ্তমান যান্ত্ৰিক যুগত ই অতিকৈ প্ৰয়োজনীয়। সেই বুলি আধুনিক শিক্ষা বাদ দিলে নহ'ব। আৰবী, উৰ্দ্দু, হিন্দী, ইংৰাজী, অসমীয়া, বাংলা আৰু পাৰিলে সকলো ভাষাই শিকিব লাগে। অৰ্থ বুজাকৈ পঢ়িব পৰা হ'ব লাগে।

বৰ্তমানৰ শিশুৰ বাল্যকাল বা ল'ৰালিকাল নোহোৱাই হ'ল। ল'ৰালিৰ কিৰিলি, পখিলা খেদা মন সকলো যেন দিগন্তত হেৰাই গ'ল। দুই বছৰত কিণ্ডাৰ গাৰ্টেন, তিনি বছৰত নাৰ্ছাৰী আৰু তাৰ পাছতেই মহা সংঘৰ্ষ। প্ৰকাণ্ড কিতাপৰ মোনা। পঢ়াশালী, চিত্ৰাংকণ, ড্ৰামা, মিউজিক, জিম, ছুইমিং, তৰ্ক, কুইজ আৰু যে কিমান। মুঠৰ ওপৰত দিনে-ৰাতি একেবাৰে টাইট ছিডিউল। তথাপিও বহু আশা আধৰুৱা হৈ থাকে। পিতৃ-মাতৃৰ আশা আৰু অধিক। একেবাৰে গগনচুম্বী। আদি আছে শেষ নাই। কোনোবা এটাত সামান্য ঘাটি খালেই কৰ্কৰ্থনা। শিশুৰ আশাৰ উছাহত নিৰাশাৰ ডাৱৰ। মাথোন অন্ধকাৰ একেবাৰে ঘোৰ অন্ধকাৰ। পৰিণতি আত্মহত্যা। বেছিভাগ মেধাবী বা একেবাৰে কম মেধাৰ শিশুৰ এয়া এক প্ৰকাৰ মহামাৰী। আমি বোৰো কম নহও। আমাৰ লাগে কেৰিয়াৰ আৰু কৃতকাৰ্যতা। সন্তানৰ খবৰ লোৱাৰ আজৰি নাই।

খেলপথাৰ, বিল, আৰ্দ্ৰভূমিত মানুহৰ আবাসী হ'ল। পাহাৰ ভাঙি সমতল হ'ল। প্ৰতিখোজত যন্ত্ৰৰ গোঁজৰণি হ'ল। শিশুৰ মগজুতো অসুৰক্ষাৰ বীজ অংকুৰিত হ'ল। ৰাস্তাত ওলোৱা মানেই শংকা। হাত-ভৰি মূৰে-কপালে বেণ্ডিছ। অনিয়ন্ত্ৰিত যান-জোঁট। নাই যান-বাহন আইন। কেৱল শব্দ-ধোঁৱা-প্ৰদূষণ। সুলভ দুৰ্ঘটনা, অকাল মৃত্যু।

চাকৰিয়াল, বেপাৰী, মহাজন, দেৱানী, কৃষক পৰিয়ালৰ উপৰিও ৰেষ্টুৰেণ্ট, চাহ দোকান, হোটেল সৰ্বতো শিশু শ্ৰমিক। সুলভ বানচৰ দেৱশ্ৰমিক। হকাৰ, ভঙা-চিঙা, প্লাষ্টিক গোটোৱা। শিশুৰ কৰুণ বিননী বাদেই দিলোঁ। মৌলিক অধিকাৰৰ সলনি যমৰ যাতনা। আমি সকলো মাথোন নিৰ্বিকাৰ দৰ্শী। ভোটৰ বতৰতো শিশু শ্ৰমিকৰ লানি নিছিগা জয়ধ্বনী। আজি এজনৰ কাইলৈ আনজনৰহে, হাতত প্ৰতীক-ছবিৰে মুখত অবুজ টেটুফলা শ্লোগান ভোট দিয়ক ভোট দিয়ক অমুকক ভোট দিয়ক। বিনিময়ত সামান্য টকা। এয়া গণতন্ত্ৰত শিশুৰ মৌলিক অধিকাৰৰ আদিপাঠ। অকল সেয়াই নহয়। অধিক উপাৰ্জনৰ আশাত একাধিক বিবাহ-বহু সন্তান। উদ্দেশ্য শ্ৰম কৰোৱা, খাটিখোৱা। চৰ-চাপৰিত ছোমালিয়াৰ জীৱন্ত নবকংকাল সদৃশ শিশু। ৰক্তহীনতাত ভোগা এজাক নঙঠা ফৰিচতা। প্ৰায়বোৰৰ হাতত বাটি নাইবা কোনোবা অচল ভিক্ষাৰীৰ পাইলট। খুউব বেছি আঠ অনা এটকা দি আমিও সমজুৱাৰ দায় সাৰো।

বিজ্ঞান প্ৰযুক্তিৰ অত্যাধুনিকতাৰ যুগত মানৱ অংগ সৰবৰাহ এক ভয়াবহ সুপৰিকল্পিত অমানৱীয় ব্যৱসায়। লগত জড়িত মুখা পিন্ধা ভদ্ৰ মানুহৰ চক্ৰ। সেই সকলৰ সহজ আৰু লোভনীয় লক্ষ্য শিশু। যাৰ বাবে বহু শিশুৱে অকাল মৃত্যুক সাৱটি লয়। কেঁচা তেজ মঙহৰ ব্যৱসায় আন এক ভয়াবহ সত্য। এনে অসাধু চক্ৰৰ কবলত বহু শিশু পখিলা খেদা স্বপ্নৰ পৰা বঞ্চিত হৈ নৰক যাতনা ভোগে। বিক্ৰী হয় দালালৰ পাছত দালালৰ হাতত। কৃত্ৰিম পংগুত্ব শিশুৰ আন এক প্ৰত্যাহ্বান। যাৰ কবলত মাকৰ উম এৰি ভিক্ষাৰীৰ বেশত অৰ্থ উপাৰ্জনৰ মানৱ যন্ত্ৰত পৰিণত হয়।

ধৰ্মীয় পৰম্পৰা, সামাজিক ৰীতি-নীতি আৰু ৰাষ্ট্ৰীয় আইন-কানুনৰ সদ ব্যৱহাৰ কৰি বিশুদ্ধ ৰাস্তাৰে শিশুৰ সমস্যাসমূহৰ সমাধান কৰি বাস্তৱধৰ্মী পদক্ষেপ ল'লেহে দেৱ শিশুসকলৰ সমস্যা সমাধান কৰি, মৌলিক অধিকাৰ পূৰণ কৰি যাৱতীয় সুৰক্ষা প্ৰদান কৰি ভৱিষ্যতৰ সুনাগৰিক তথা মানৱ সম্পদ হিচাপে গঢ় দিব পৰা যাব। যাৰ বাবে প্ৰয়োজন সমাজৰ প্ৰতি স্তৰৰ নিঃস্বাৰ্থ আন্তৰিকতা।

ঃ নোপোৱাটোত অসন্তোষ নহবা আৰু পোৱাটোত অহংকাৰ নকৰিবা। —কোৰাণ।

ঃ অতীতৰ অনুশোচনা ভৱিষ্যতৰ দুঃচিন্তা এৰি বৰ্ত্তমানটো যাপন কৰা। —বুদ্ধদেৱ।







# মই চিগাৰেটে কৈছো...

আফলুজা বেগম
স্নাতক ষষ্ঠ ষান্মাসিক (বিজ্ঞান)

মোৰ নাম 'চিগাৰেট'। মোক হয়তো আপুনি ভালদৰেই চিনি পায়। আপোনাৰ একান্ত অকলশৰীয়া মুহূৰ্তত যে মইয়েই আপোনাক সংগ দিওঁ। মোক হুপি আপুনি প্ৰৱেশ কৰিব পাৰে কোনো কল্পনাৰ গভীৰৰ পৰা গভীৰতালৈ। আপোনাৰ সিক্ত ওঁঠযোৰৰ মাজত থৈ যেতিয়া মোৰ মুখত অগ্নিসংযোগ কৰে, ক'ব নোৱাৰাকৈয়ে মই হৈ পৰো আপোনাৰ একান্ত আত্মীয়, জ্বলিবলৈয়ে যে মোৰ জন্ম হয়.....। আনটো মূৰৰ পৰা গভীৰভাৱে টানি আপোনাৰ মুখত বৈ যোৱা ধোঁৱাখিনি যেতিয়া বাহিৰৰ আকশলৈ এৰি দিয়ে আৰু আপুনি হতাশাৰ পৰা মুক্তি পোৱা বুলি অনুভৱ কৰে, তেতিয়াই মই গৌৰৱান্বিত হৈ পৰো ক্ষন্তেকৰ বাবে। মই যে আজিৰ যুগৰ এক আলোড়ণকাৰী নাম—"চিগাৰেট"। যি অদ্বিতীয়ভাৱে পপুলাৰ। মোক সকলোৱে জানে। সকলো ঠাইতে মই পৰিচিত। মোক সৰুৰ পৰা ডাঙৰলৈকে সকলেৱে সমাদৰ কৰে। চুকে কোনে নাৰাখি কোট পেণ্টৰ পকেটত ৰাখে। চেলফোন (Cell Phone) টোলৈ মোৰ বৰ হিংসা হয়। ইহঁতবোৰে যে আজিকালি মোৰ ঠাই অধিকাৰ কৰি ল'লে।

মোৰ নাম বহুতো। 'ফিল্টাৰ', 'উইলচ', 'ফ্লেক', 'কেপষ্টান', 'ৰিজেণ্ট কিং', 'চাৰমিনাৰ', 'নাম্বাৰ টেন' আদিৰ উপৰিও বিভিন্ন নাম দি মোৰ দামবোৰ সুকীয়া কৰিছে। মোৰ গৌৰৱ হ'ল সমগ্ৰ পৃথিৱীতে মোৰ তামাম কৰ্তৃত্ব। চিন্তা কৰোতে, মদ্যপান কৰোতে বা টকাৰ গৰম দেখুৱাই অভিজাত্য প্ৰদৰ্শন কৰিবলৈ মোক ব্যৱহাৰ নকৰিলে নহয়েই। লুকুৱাই হ'লেও মোৰ সান্নিধ্য বিচাৰে।

মোৰ জন্মলগ্ন বৰ নিৰ্মল। প্ৰথম অৱস্থাত মই ধঁপাতৰূপে জন্মগ্ৰহণ কৰো। সেইখিনিলৈকে কষ্ট কি বুজি নাপাওঁ। তাৰ পাছত কিছুমান যন্ত্ৰই মোক সৰু সৰুকৈ কাটি তাত কিবা-কিবি দি মিক্সাৰত পৰিণত কৰে। তাৰ পিছত আকৌ কাগজেৰে মেৰিয়াই কিছুমান খুটি বনায় আৰু কিছুমানৰ এটা মূৰত কঁপাহ লগাই বেলেগ কাগজেৰে মেৰিয়াই মোৰ নাম দিয়ে 'ফিল্টাৰ' আৰু বাকীবোৰ 'প্লেইন'। ল'ৰাৰ পৰা বৃদ্ধলৈকে, শিক্ষিতৰ পৰা অশিক্ষিতলৈকে ভেদাভেদ নাৰাখি সকলোৱে মোক সেৱন কৰে। ফলত খং উঠি কাৰোবাৰ দেহত কেন্সাৰ বিয়পাই দিওঁ। মোক বেয়া পালেও পাওঁক, তাত মোৰ কোনো আপত্তি নাই। কাৰণ মোৰ নিজস্ব সন্মান আছে। পিছে কি হ'ব, ভাল দেখিলে সকলোৱে চকু পোৰে। মোৰ উন্নতি দেখি চৰকাৰৰ চকু কুটকুটাব ধৰিছে। পোনে পোনে জব্দ কৰিব নোৱাৰি মোৰ ঘৰত এটি সাৰধান বাণী লিখি দিবলৈ ক'লে। বাণীটো হ'ল—"Smoking is injurious to health."। এইটো অৱশ্যে চকুত তেল লৈ কন্দাৰ দৰেহে, মোৰ হাঁহি উঠে। পিছে কি হ'ব, যিয়ে এই বাণী লিখিব দিছিল সেই সময়ত মই তেওঁৰ ওঁঠতে আছিলো, যাৰ ফলত মোৰ চাহিদাহে বাঢ়িল। সংসদীয় বাজেট অধিৱেশনত মোৰ নামত এটাই অভিযোগ—'ধঁপাত বন্ধ কৰিব লাগে'। মোৰ হ'লে ভয় নালাগে, বৰঞ্চ মই কিছু পৰিমাণে আত্ম অহংকাৰীহে হৈ পৰো। মই গাত লিখি লৈছো—"Tobacco causes, cancer."। তথাপিও মোৰ ইমান সমাদৰ। বুদ্ধিজীৱীসকলে ধঁপাত সজাগতা সভা পাতে। পাতক, তাত মোৰ আপত্তি নাই। যোৱা কেইবা দহক ধৰি মোৰ চাহিদা বেচ বাঢ়িল। সম্ভ্ৰান্ত ঘৰৰ আল্ট্ৰা মডাৰ্ণ ছোৱালীবিলাক, চাকৰিয়াল কিছুসংখ্যক মহিলায়ো মোক বাদ দি চলিব নোৱাৰা হৈ পৰিল।

যি কি নহওঁক, সাৰধান কৰিয়েই দিয়ক বা সম্পূৰ্ণৰূপে বন্ধ কৰিয়েই দিয়ক তাত মোৰ কোনো আপত্তি নাই। কিন্তু মোৰ দুখ এইখিনিতে যে মোক হুপাৰ পিছত য'তে ত'তে পেলাই দিয়ে। কিছুমানে আকৌ পেলাই দি ভৰিৰে গছকি মোহাৰি দিয়ে। অৱশ্যে কোনো কোনো ভদ্ৰলোকে মোক অত্যাধুনিকভাৱে সজোৱা ঘৰখনৰ কোনোবা এঠাইত ছাইদানি এটাত সজতনে থৈ দিয়ে। সেয়া ফাইভ ষ্টাৰ হোটেলত থকাৰ দৰে হয়। পিছে কাক কম দুখৰ কথা। সেয়েহে সকলো কথা মূৰ পাতি নিৰৱে সহ্য কৰো।

আজিলৈ আহোদেই। পুনৰ কেতিয়াবা বাটে-পথে লগ হম। ⬣

# ৰেগিং এক সামাজিক ব্যাধি

ইশ্ৰাফীল আলম
স্নাতক, ষষ্ঠ ষান্মাসিক (বিজ্ঞান)

ৰেগিং এক ভয়াৱহ শব্দ। এই শব্দটো শুনাৰ লগে লগে সকলো ছাত্ৰ-ছাত্ৰীৰে মন আপোনা আপুনি শিয়ৰি উঠে। এজন ছাত্ৰ বা এগৰাকী ছাত্ৰীয়ে উচ্চ শিক্ষা গ্ৰহণৰ বাবে প্ৰৱেশ কৰে এখন নতুন শিক্ষানুষ্ঠানত। হাইস্কুলৰ দেউনা পাৰ হৈ যোৱা এই ছাত্ৰজনে মনত ভয় অথচ উচ্চ শিক্ষা গ্ৰহণৰ দৃঢ় সংকল্প লৈ যেতিয়া মহাবিদ্যালয়ত প্ৰৱেশ কৰে তেতিয়া পুৰণি ছাত্ৰ-ছাত্ৰীসকলে নতুন চামক আদৰণি জনায়। এয়া অতীতৰ পৰা চলি অহা প্ৰথা। কিন্তু এই চিনাকী প্ৰথাই বৰ্তমান নতুন ৰূপ ল'বলৈ ধৰিলে। এচাম উদণ্ড যুৱক-যুৱতীৰ জালত পৰি এই পৱিত্ৰ চিনাকি পৰ্ব পৰিণত হৈছে ৰেগিং নামৰ এক ভয়াৱহ ব্যাধিত। বৰ্তমান ৰেগিং শব্দটো ইমান ভয়াৱহ হৈ পৰিছে যে ই ছাত্ৰ-ছাত্ৰী, অভিভাৱক সকলোৰে টোপনি হৰিছে। বৰ্তমান ৰেগিঙৰ প্ৰকোপত বহু ছাত্ৰ-ছাত্ৰীয়ে স্কুল বা কলেজ পৰ্যন্ত এৰিবলৈ বাধ্য হৈছে। কলেজৰ নৱাগত ছাত্ৰক পুৰণি ছাত্ৰই ক্লাছৰ বাহিৰলৈ মাতি নি বিভিন্ন কথা সুধি ব্যতিব্যস্ত কৰে আৰু কোনো কথাৰ উত্তৰ দিব নোৱাৰিলে ছাত্ৰজনৰ ওপৰত চলে শাৰীৰিক নিৰ্যাতন। শাৰীৰি, মানসিক আনকি যৌন নিৰ্যাতনো ৰেগিঙৰ নামত চলাৰ বাতৰি পোৱা যায়।

চৰকাৰে ৰেগিঙক এক অপৰাধৰূপে গণ্য কৰিছে। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনাৰ পাছতো মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় অনুদান আয়োগে এই ক্ষেত্ৰত নিজাববীয়া ব্যৱস্থা গ্ৰহণৰ কথা ভাবিছে। ৰেগিং সমাজত বৰ্বৰতা, নৃশংসতাৰ সাক্ষী। চৰকাৰে আইন প্ৰণয়ন কৰি ৰেগিঙত অভিযুক্ত ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে। সেই অনুসৰি অভিযুক্ত ছাত্ৰৰ দোষ প্ৰমাণিত হ'লে দুবছৰৰ সশ্ৰম কাৰাদণ্ডৰ লগতে জৰিমনা পৰ্যন্ত হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষানুষ্ঠানত ৰেগিঙৰ চিকাৰ হ'লে অভিযোগ সেই শিক্ষানুষ্ঠানৰ অধ্যক্ষ বা কৰ্তৃপক্ষক দিব পাৰে বা ছাত্ৰ-ছাত্ৰীয়ে ইচ্ছা কৰিলে পোনে পোনে থানাতো দিব পাৰে। আগতে কোৱা হৈছে যে ৰেগিং বৰ্তমান সমাজৰ এক ভয়ংকৰ ব্যাধি। এই ব্যাধিয়ে এখন শিক্ষানুষ্ঠানৰ পৰিৱেশ আৰু সুনাম নষ্ট কৰে। এই ৰেগিঙৰ পৰা হাত সাৰিবলৈ কৰ্তৃপক্ষ, শিক্ষক, অভিভাৱক আৰু প্ৰশাসন সকলো তৎপৰ হ'ব লাগিব। নহ'লে অনাগত দিনত হ'ব ই এক প্ৰচলিত পৰম্পৰা।

> ঃ সুখী হোৱাৰ সহজ উপায় বাস্তৱ কাষৰ দুৰ্দশাগ্ৰস্তজনৰ লগত নিজকে তুলনা কৰা।
>
> —কনফুচিয়াচ।





# "অসমবাসী খ্ৰীষ্টান মিছনেৰীসকলৰ ওচৰত চিৰঋণী ঃ এটি চমু অৱলোকন"

মীৰ আব্দুৰ ৰহিম
স্নাতক ষষ্ঠ ষান্মাসিক (কলা)
অসমীয়া (গুৰু)

আমেৰিকান খ্ৰীষ্টান মিছনেৰীসকলৰ অসম আগমনে অসমবাসীৰ কাৰণে কঢ়িয়াই আনিছিল এক সুস্থিৰ নিশ্বাস। কাৰণ মিছনেৰীসকলে অহাৰ আগতে মানসকলে সোণৰ অসমক মৰিশালিত পৰিণত কৰিছিল অৰ্থাৎ অসমৰ আধাজনসংখ্যা ধ্বংস কৰিছিল আৰু যি বাচি আছিল সিও মৃতপ্ৰায় হৈ পৰিছিল। আনকি মান সৈন্যই উভতি যাওঁতে অতি কমেই ত্ৰিছ হাজাৰ অসমীয়াক বন্দীবেটী ৰূপে ধৰি লৈ গৈছিল। এনে দুৰ্দিনৰ সময়ত অসমীয়া ভাষা সাহিত্যৰ উন্নতি হোৱাটো দূৰৰ কথা, কিমান অসমীয়া মানুহ জাহ গ'ল তাৰো সীমাসংখ্যা নোহোৱা হৈ পৰিছিল। ইয়াৰোপৰি সেই সময়তে ইং ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্ত্ত অনুসাৰে অসম অধিকাৰ কৰা ইংৰাজসকলে মানৰ অমানুষিক অত্যাচাৰৰ পৰা অসমবাসীক ৰক্ষা কৰিবলৈ আহি ভক্ষণ কৰিবহে ল'লে। যাৰ ফলত সাধাৰণ ব্যক্তিবৰ্গই মানৰ আক্ৰমণৰ পৰা ৰক্ষা কৰাৰ স্বাৰ্থত ইংৰাজ শাসন অকপটে মানি লৈছিল যদিও উচ্চবৰ্গৰ শিক্ষিত আৰু সম্ভ্ৰান্ত শ্ৰেণীৰ অসমীয়া লোকে এই কথা সহজতে মানি ল'ব পৰা নাছিল। এই ক্ষেত্ৰত পিয়লি ফুকন, গোমধৰ কোঁৱৰ আদি অসমীয়া লোকৰ বিদ্ৰোহেই তাৰ জ্বলন্ত প্ৰমাণ।

ইংৰাজসকলে অসমত কেইবছৰমান ৰাজত্ব কৰাৰ পাছতেই অসমীয়া ভাষা আৰু সাহিত্যৰ আকাশ ক'লা ডাৱৰে আৱৰি ধৰে। ইংৰাজ শাসন বাহ্যিক ক্ষেত্ৰত ভাল যেন দেখিলেও আভ্যন্তৰীণ ক্ষেত্ৰত অসমীয়াক মাধমাৰা দিলে। এই ইংৰাজ শাসনকবৰ্গই অসমত অসমীয়া লোকক নিযুক্তি দিয়াৰ পৰিবৰ্তে তেওঁলোকৰ দীৰ্ঘদিনৰ পৰিচিত বঙালী লোককহে কেৰাণী-মহৰীৰ কামত নিযুক্তি দিছিল। এই কেৰাণী মহৰীসকলে ইংৰাজ প্ৰশাসনক অসমীয়া ভাষা বাংলা ভাষাৰ এটা উপভাষা বা গাঁৱলীয়া ৰূপ বুলি বুজাই দিলে। লগতে অসমৰ স্কুল-কলেজ, অফিচ-কাছাৰী, আদালত আদিৰ পৰা অসমীয়া ভাষা উঠাই বাংলা ভাষা প্ৰৱৰ্তন কৰিবলৈ উঠিপৰি লাগিল। এইদৰে দুষ্ট বুদ্ধিৰ কেৰাণী মহৰীৰ প্ৰৰচনাত আৰু ইংৰাজ প্ৰশাসকৰ অজ্ঞতা আৰু অৱহেলাৰ ফলত ১৮৩৬ চনত অসমত অসমীয়া ভাষা হ'ল এলাগী আৰু বাহিৰৰ বাংলা ভাষা হ'ল সুৱাগী। যাৰ ফলত অসমীয়া মানুহৰ ভাষা সমস্যাই জ্বলন্ত ৰূপ ধাৰণ কৰিলে আৰু অসমীয়া ভাষা-সাহিত্যৰ বন্তি গছি লাহে লাহে নুমাই যোৱাৰ উপক্ৰম হ'ল।

কিন্তু সৌভাগ্যবশতঃ অসমীয়া ভাষা সাহিত্যৰ নুমাই যাব ধৰা বন্তি গছিত তেল ঢালিলে সুদূৰ আমেৰিকাৰ পৰা অসমভূমিত পাদৰ্পণ কৰা খ্ৰীষ্টান বেপ্টিষ্ট মিছনেৰীসকলে। এই খ্ৰীষ্টান মিছনেৰীসকলে তথা ড° নাথান ব্ৰাউন, ওলিভাৰ টমাছ কট্ৰাৰ, ড° মাইলছ ব্ৰন্সন আদিয়ে সপৰিয়ালে অসমৰ ভূমিত ১৮৩৬-৩৭ চনত পদাৰ্পণ কৰাৰ প্ৰধান কাৰণ আছিল খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰা যদিও তেওঁলোকে অসমীয়া ভাষা সাহিত্যৰ প্ৰাণ প্ৰতিষ্ঠা কৰিলে। ইয়াৰোপৰি অসমবাসী কিয় মিছনেৰীসকলৰ ওচৰত চিৰঋণী—এই প্ৰশ্নৰ উত্তৰ বিচাৰিলে তলত উপস্থাপন কৰা বিষয়সমূহৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰা দৰকাৰ—

(ক) মিছনেৰীসকলে অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ লওঁতেই সন্মুখীন হৈছিল ভাষা সমস্যাত। মিছনেৰীসকলে প্ৰথমতেই লক্ষ্য কৰিছিল যে এওঁলোকে

ঘৰত কয় এটা ভাষা আৰু স্কুল-আদালতৰ ক'ব লাগে আন এটা ভাষা। গতিকে মিছনেৰীসকলে ভাবিলে যে অসমীয়াৰ নিজ মাতৃভাষাত ধৰ্ম প্ৰচাৰ কৰিলেহে ই অসমীয়াৰ মাজত সহজতে প্ৰসাৰতা লভিব আৰু চিৰস্থায়ী হ'ব। সেইবাবে মিছনেৰীসকলে নিজ মাতৃভাষা ইংৰাজীক বাদ দি অতি কম দিনৰ ভিতৰত অসমীয়া ভাষা শিকি ধৰ্ম প্ৰচাৰৰ বাহন কৰি ল'লে। ইয়াৰোপৰি অসমীয়া শিক্ষিত ডেকা আনন্দৰাম ঢেকিয়াল ফুকনক লগত লৈ মিছনেৰীসকলে ইংৰাজ শাসকবৰ্গক বুজাই দিলে যে অসমীয়া এটা স্বতন্ত্ৰ ভাষা; ই বাংলা ভাষাৰ কোনো গ্ৰাম্য ৰূপ নহয়। এইদৰে অসমীয়া আৰু মিছনেৰীসকলৰ যৎপৰোনাস্তি যুটীয়া প্ৰচেষ্টাৰ ফলত ১৮৩৭ চনত অসমত অসমীয়া ভাষা পুনৰ প্ৰচলন হ'ল।

(খ) মিছনেৰীসকলে জানিছিল যে ভাষা এটাৰ বিকাশ তথা ঠন ধৰি উঠিবৰ বাবে ব্যাকাৰণ, অভিধান আদিৰ অত্যন্ত দৰকাৰ। ভাষাৰ মেৰুদণ্ড হৈছে সেই ভাষাৰ ব্যাকৰণ, অভিধান। সেয়ে মিছনেৰীসকলে ইংৰাজীতে অসমীয়া ভাষাৰ ব্যাকাৰণ, অভিধান আদি প্ৰণয়ন কৰিছিল। এই ক্ষেত্ৰত গুৱাহাটী মিছনাৰীৰ হেডমাষ্টাৰ উলিয়াম ৰবিন্সন চাহাবে "A Grammar of the Assamese Language", ড° নাথান ব্ৰাউনে "Grammatical Notes on the Assamese Language" নামৰ অসমীয়া ভাষাৰ ব্যাকাৰণ আৰু ড° মাইলছ ব্ৰন্সন চাহাবে চৈধ্য হাজাৰ নিভাঁজ অসমীয়া শব্দৰে প্ৰণয়ন কৰে "অসমীয়া অভিধান" এইদৰে মিছনেৰীকৃত ভাষাৰ অমূল্য সম্পদ ব্যাকাৰণ, অভিধানে অসমীয়া ভাষা-সাহিত্যৰ নতুন ভেটি নিৰ্মাণ কৰিলে।

(গ) অসমীয়া ভাষা সাহিত্যলৈ মিছনেৰীসকলে আগবঢ়োৱা এটা অমূল্য ৰতন হ'ল মাহেকীয়া বাৰ্তালোচনী 'অৰুণোদই' (১৮৪৬)। অৰুণোদই কাকতখন খ্ৰীষ্টান বুৰঞ্জী, বিজ্ঞান আৰু দেশ-বিদেশৰ বা-বাতৰি আদি প্ৰকাশ কৰি চুকৰ-ভেকুলী সদৃশ অসমীয়া মানুহক পাশ্চাত্য জগতৰ সন্ধান দিলে। ইয়াৰোপৰি এই অৰুণোদই কাকত অসমৰ সৰ্বপ্ৰথম বাৰ্তালোচনী হিচাপে অসমীয়া আলোচনী আৰু বাতৰিকাকত প্ৰৱৰ্তনৰ আদৰ্শ দাঙি ধৰি বাতৰি কাকতৰ ব্যৱসায় তথা সাংবাদিকতাৰ সূচনা কৰে। অৰুণোদইক অনুসৰণ কৰি আসাম বিলাসিনী, আসাম মিহিৰ আদি কাককত উলিয়াই অমসীয়া ভাষা সাহিত্যক আগবঢ়াই নিয়ে। আনকি অৰুণোদইৰ সৃষ্টি নহ'লে ইমান সোনকালে অসমত বাতৰি প্ৰকাশ তথা সাংবাদিকতাৰ সূচনা নহ'লহেঁতেন।

(ঘ) মিছনেৰীসকলে অসমীয়া ভাষাৰ যুগ যুগ ধৰি অপ্ৰকাশিত হৈ থকা জ্ঞান-বিজ্ঞান, সাহিত্য আৰু বুৰঞ্জীৰ পুথিসমূহ সংগ্ৰহ কৰি প্ৰকাশ কৰিছিল। ইয়েই পুৰণি পুথি সংগ্ৰহ আৰু সংৰক্ষণৰ প্ৰথম প্ৰচেষ্টা। ইয়াৰোপৰি মিছনেৰীসকলে অসমীয়া ভাষালৈ বিভিন্ন গ্ৰন্থসমূহ অনুবাদ কৰি অসমীয়া ভাষা সাহিত্যৰ ভঁৰাল চহকী কৰে।

(ঙ) অসমীয়া শব্দ ভাণ্ডাৰলৈ আমেৰিকান খ্ৰীষ্টান মিছনেৰীসকলৰ অৱদান যথেষ্ট। তেওঁলোকে অসমীয়া ভাষাত বহুতো বৈয়াকৰণিক আৰু অভিধানিক ৰূপৰ প্ৰৱেশ ঘটালে। আনকি তেওঁলোকে ইংৰাজী শব্দৰ ঠাঁচত বহুতো নতুন নতুন অসমীয়া শব্দৰ সৃষ্টি কৰিলে। আকৌ বাংলা ভাষাৰ প্ৰভাৱত যিবোৰ অসমীয়া শব্দৰ ব্যৱহাৰ বন্ধ হৈ পৰিছিল মিছনেৰীসকলে সেইবোৰ শব্দও পুনৰ ব্যৱহাৰৰ উপযোগী কৰি অসমীয়া শব্দ ভাণ্ডাৰ টনকিয়াল কৰিলে।

(চ) অসমীয়া ভাষা সাহিত্যলৈ মিছনেৰীসকলৰ এটা বিশেষ গুৰুত্বপূৰ্ণ দান হ'ল যে তেওঁলোকে অমসীয়া ভাষাক এটা নতুন সুৰ শিকাই থৈ গ'ল। যিটো সুৰ অসম তথা ভাৰতৰ অন্য কোনো প্ৰাদেশিক ভাষাই আগতে জনা নাছিল। ই পাশ্চাত্য সাহিত্যৰ নিজা সম্পত্তি যিটো মিছনেৰীসকলে সাতসাগৰ তেৰ নদী পাৰ হৈ আহি অসমীয়াক শিকাই দিলেহি।

(ছ) অসমীয়া ভাষা সাহিত্যলৈ মিছনেৰীসকলৰ এটা অন্যতম বৰঙণি হ'ল তেওঁলোকে এদল অসমীয়া সাহিত্যিকৰ জন্ম দিলে অৰ্থাৎ এই পাদুৰী চাহাবসকলৰ উৎসাহ-উদ্দীপনাত এদল অসমীয় লেখক আগবাঢ়ি আহি সাহিত্যৰ গুৰি বঁটা ধৰিলে যাৰ ফলত অসমীয়া ভাষা সাহিত্য ফুলে-ফলে জাতিষ্কাৰ হৈ পৰিল।

গতিকে দেখা যায় যে অসমীয়া ভাষা সাহিত্য, সংস্কৃতি আদিৰ উত্তৰণৰ ক্ষেত্ৰত খ্ৰীষ্টান মিছনেৰীসকলৰ অৱদান অপৰিসীম। মিছনেৰীসকলৰ হাততেই অসমীয়া ভাষাই প্ৰতিষ্ঠা লাভ কৰিলে। এওঁলোকে অসমীয়া সাহিত্যৰ যি বুনিয়াদ বা ভেটি নিৰ্মাণ কৰিলে তাৰেই ওপৰত পৰৱৰ্তী সাহিত্যিক গোষ্ঠীয়ে স্বৰ্ণ সৌধ নিৰ্মাণ কৰি আজিৰ অৱস্থাত উপনীত কৰালে। এইবোৰ অৱদানৰ প্ৰতিদানত অসমবাসীয়ে মিছনেৰীসকলৰ ওচৰত যুগে যুগে চিৰঋণী হৈ থাকিব লাগিব। ●



সপ্তবিংশতিতম্ আলোচনী, ইং ২০১৪-১৫ বৰ্ষ

# শিক্ষকেই জাতিৰ মেৰুদণ্ডৰ নিৰ্মাতা

**মুস্তাফিজুৰ ৰহমান**
স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)
অসমীয়া (গুৰু)

"শিক্ষা জাতিৰ মেৰুদণ্ড" কথাযাৰ অমোঘ আৰু চিৰসত্য। এই শিক্ষাদান কৰে শিক্ষকেই। এতেকে ইয়াৰ দ্বাৰা স্পষ্টভাৱে বুজিবলৈ অসুবিধা নহয় আৰু নিঃসন্দেহে ক'ব পৰা যায় যে শিক্ষকেই জাতিৰ এই মেৰুদণ্ডৰ নিৰ্মাতা। "বিদ্যালয়" শব্দটো শব্দাৰ্থিকভাৱে অনুষ্ঠান হিচাপে গঢ় লোৱাৰ বহু পূৰ্বৰ পৰাই শিক্ষা দান আৰু শিক্ষা গ্ৰহণ প্ৰক্ৰিয়া ভিন্ন ভিন্ন ব্যৱস্থাত বিভিন্ন প্ৰকাৰে চলি আছিল। ইতিহাস ফহিয়াই চালে শ্ৰীমন্ত শংকৰদেৱে শিক্ষা গ্ৰহণ কৰা মহেন্দ্ৰ কন্দলীৰ টোলৰ কথা জল-জল পট-পটকৈ ভাহি উঠে। "শিক্ষক" এই তিনিটা আখৰৰ বিষয়ে কিছু বিশ্লেষণ কৰিবলৈ গলেও এই প্ৰৱন্ধৰ পৰিসৰ অত্যাধিক বৃদ্ধি হোৱাৰ ভয়ত কেৱল প্ৰবন্ধটিৰ শিৰোনামাৰ ভেটি পৰ্যালোচনা কৰিবলৈ আগবাঢ়িছোঁ। মুঠতে কবলৈ গ'লে শিক্ষক এই তিনিটা আখৰৰ সমষ্টিৰ অৱদান ব্যতীত "মানুহ" এই তিনিটা আখৰৰ সমষ্টিৰ শব্দাৰ্থিকভাৱে মূল্যায়ন অ-সাৰ্থক।

জীৱ বোলোতে পৰিৱেশ পৰিস্থিতিৰ দাস। সদ্যজাত শিশুটো মাতৃ-গৰ্ভৰ উষ্ণতা পৃথিৱীত নোপোৱা হেতুকে বহু শিশুয়ে মৃত্যুক আকোৱালী লোৱা কথাটো কোনেও নুই কৰিব নোৱাৰে। সেয়ে শিশু বিশেষজ্ঞসকলে নৱজাতকক মাকৰ বুকুতৰ উমত ৰাখিবলৈ পৰামৰ্শ দিয়ে। শিক্ষকে ছাত্ৰৰ পৰিৱেশ সম্পৰ্কতো চিন্তা-ভাৱনা নকৰা নহয়। শিক্ষকৰ পৰামৰ্শ সুস্থ সমাজ গঠনৰ ক্ষেত্ৰত অমৃতস্বৰূপ। শিক্ষক বোলোতে কোনো শিক্ষকে মানুহে মানুহক মাৰিব লাগে বা মাৰিব পাৰে বুলি কাহানিও ক'ব নোৱাৰে। কোনো শিক্ষকে মানৱীয়তাৰ হানিকাৰক মন্তব্য কৰা কোনো নজিৰ ইতিহাসত দেখা নাযায়।

বৰ্তমান আমাৰ দেশত বিশেষকৈ অসমৰ মানুহে মানুহক মাৰা মানৱীয়তাৰ পৰিপন্থী অমানৱীয়তাৰ পৰিচায়ক ভ্ৰাতৃঘাতী যুদ্ধ অব্যাহত আছে। এই সমূহে মহামানৱ মহাত্মা গান্ধীৰ শিক্ষাগুৰু মাননীয় পৰমা হংস যোগানন্দদেৱ, শংকৰদেৱৰ শিক্ষক মহেন্দ্ৰ কন্দলী, বিশ্ব কবি ৰীবন্দ্ৰ নাথ ঠাকুৰৰ শিক্ষক, ড° সৰ্ব্বপল্লী ৰাধাকৃষ্ণণৰ শিক্ষক আদি বিশ্ববৰেণ্য মহা-মহা পণ্ডিতসকলৰ শিক্ষাগুৰুসকলৰ আজীৱনৰ কষ্টোপাৰ্জিত সন্মান আজিৰ পৰিৱেশত পৰিপূৰ্ণভাৱে ম্লানমুখি। এই পৰিস্থিতিত বৰ্তমানৰ শিক্ষকসকলৰ ভূমিকা নিশ্চয়কৈ অপৰিহাৰ্য। পূৰ্বতে শিক্ষকৰ সংখ্যা আছিল অতি নগন্য। বৰ্তমান কিন্তু দেশত শিক্ষকৰ অভাৱ নাই। সৌ সিদিনাখন আমাৰ অসমৰ মাথো বেচৰকাৰী বিদ্যালয়সমূহৰ শিক্ষকসকলে নিজৰ পাৰিশ্ৰমিকৰ দাবী সাব্যস্ত কৰিবলৈ আমাৰ ৰাজ্যৰ মন্ত্ৰীসকলৰ মন্ত্ৰণাগৃহৰ সিংহদ্বাৰত অৰ্থাৎ দিছপুৰ লাষ্টগেটত পুলিচৰ অমানৱীয় লাঠিৰ প্ৰহাৰত মূৰ্চ্ছা যাই পৰি থকা দৃশ্য টিভিৰ পৰ্দাত প্ৰত্যক্ষ কৰি উপলব্ধি হৈছিল আমাৰ ৰাজ্যত শিক্ষকৰ সংখ্যা এতিয়া আৰু নগন্য হৈ থকা নাই। "শিক্ষক এডাল জ্বলন্ত মমবাতি; এন্ধাৰৰ মাজত পোহৰ বিতৰণ কৰি নিজে শেষ হৈ যায়।" সাম্প্ৰতিক পৰিস্থিতিত মানৱীয়তাৰ মানদণ্ডৰ অধো-গতি যিমানখিনিলৈ নামিছে, যথেষ্ট হৈছে আৰু নেলাগে। এতিয়া যথেষ্ট সময় আছে, ইচ্ছা কৰিলে শিক্ষকসকলেই পাৰিব জাতিৰ মেৰুদণ্ডডাল মজবুত কৰি বিশ্ব দৰবাৰত পোন হৈ থিয় দিয়াবলৈ নতুবা মেৰুদণ্ডহীন দেশ পৰাধীন হোৱা নতুন ঘটনা নহয় আৰু স্বাভাৱিকতেই আমি পৰাধীনতাৰ শিকলি পিন্ধি আজীৱন দাসত্বৰ মালাধাৰী গলত মেৰিয়াই লোৱা হ'ব আৰু শেষত অভিধানিক অৰ্থত শিক্ষক শব্দটিৰ বিলুপ্ত সাধন হ'ব। সেয়ে সাম্প্ৰতিক পৰিস্থিতিত আমাৰ দেশত শিক্ষকসকলৰ যথেষ্ট ভূমিকা আছে কথাযাৰি আকৌ উনুকিয়াইছোঁ। এইখিনিতে এটি বিষয় উল্লেখ নকৰিলে সম্ভৱতঃ প্ৰবন্ধটোৰ পূৰ্ণাংগ প্ৰাপ্তিৰত কিছু আসোঁৱাহ ৰৈ যাব। সেয়া হ'ল "একলব্যই নিজৰ আঙুলি কাটি গুৰু দক্ষিণা দিছিল" ছাত্ৰ-ছাত্ৰী বোলোতে এনেকুৱা কোনো ছাত্ৰ-ছাত্ৰী নাই যিয়ে উক্ত কথাফাকি শুনা নাই। "একলব্যও ছাত্ৰ আছিল" এই কথাফাঁকি সকলো ছাত্ৰ-ছাত্ৰীয়ে মনত ৰাখি নিজকে তাৰ লগত ৰিজাই চলা উচিত হ'ব। সমাজ গঠনৰ ক্ষেত্ৰত একলব্যৰ দৰে ছাত্ৰ গঢ়াৰ প্ৰতিযোগিতাত প্ৰতি শিক্ষকে গুৰুত্ব সহকাৰে অংশগ্ৰহণ আৰু সফল ৰূপায়ণ বৰ্তমানৰ পৰিৱেশত অত্যন্ত জৰুৰী বুলি মনে-প্ৰাণে গণ্য কৰা উচিত।

# গোলকীয়কৰণ আৰু ভাৰতীয় অৰ্থনীতিত ইয়াৰ প্ৰভাৱ

ৰাজিদুল ইছলাম
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)
ৰাজনীতি বিজ্ঞান (গুৰু)

গোলকীয়কৰণ হ'ল বিশ্বৰ বিভিন্ন অৰ্থনীতিৰ লগত এটাৰ আনটোৰ সংহতি ৰখা। এনে ধৰণৰ সংহতি হয় যেতিয়া দেশ বিলাকৰ মাজত উৎপাদিত দ্ৰব্য আৰু উৎপাদনৰ উপাদন বিলাকৰ মুক্তভাৱে সঞ্চালন ঘটে। গোলকীয়কৰণৰ ফলত বিশ্বৰ অৰ্থনীতি এটা একক বজাৰ অৰ্থনীতিলৈ ৰূপান্তৰিত হয় অৰ্থাৎ বিশ্বখন এখন গ্ৰামত পৰিণত হয়। তেনে ক্ষেত্ৰত উৎপাদিত দ্ৰব্য বাধকতাবিলাক যথেষ্ট শিথিল হয়। উৎপাদিত দ্ৰব্য বিলাকৰ ভিতৰত যেনে মূলত প্ৰযুক্তি বিত্ত, শ্ৰম আদি বিভিন্ন দেশৰ মাজত গতিশীল হৈ পৰে আদৰ্শগতভাৱে কোনো এটা মূদ্ৰাও বিভিন্ন দেশৰ মাজত প্ৰচলন হ'ব পাৰে অথবা বিভিন্ন দেশৰ মুদ্ৰাৰ মাজত বজাৰত নিৰ্দ্ধাৰিত হাৰত বিনিময় হ'ব লাগে। অৱশ্যে এই ব্যৱস্থা কাৰ্যকৰী হোৱাত সম্পূৰ্ণভাৱে সফল হবগৈ পৰা নাই। কিন্তু কিছুমান মুদ্ৰা যেনে ইউৰো ইউৰোপত প্ৰৱৰ্তনৰ ফলত গোলকীয় কৰণত সহায় হৈছে। সেইদৰে দক্ষিণ পূব এছিয়াৰ দেশসমূহৰ মাজতো এটা একক মুদ্ৰা প্ৰচলনৰ বাবে আলোচনা চলি আছে।

ভাৰতীয় অৰ্থনীতিত গোলকীয়কৰণৰ প্ৰভাৱ পৰে ১৯৯০ দশকত। এই দশকৰ পৰাই ভাৰতীয় অৰ্থনীতি বিশ্ব অৰ্থনীতিৰ সৈতে সংহতিকৰণ হৈছে। অৱশ্যে ভাৰতীয় অৰ্থনীতিৰ আংশিকভাৱেহে গোলকীয়কৰণ হৈছে। গোলকীয়কৰণ প্ৰক্ৰিয়াত ভাৰতীয় অৰ্থনীতিয়ে অংশ লোৱা কথাটো নিৰ্ভৰ কৰে ই কেনেকৈ বিশ্ব অৰ্থনীতিৰ সৈতে সম্পৰ্ক স্থাপন কৰিছে। ইয়াৰ এটা সম্পৰ্ক হ'ল মুঠ ঘৰুৱা উৎপাদনৰ কিমান অংশ আমদানি আৰু ৰপ্তানিৰ দ্বাৰা স্থাপন কৰি বিশ্ব অৰ্থনীতিৰ অংশীদাৰ হৈছে। এই অনুপাত যিমান বেচি হ'ব সিমান ঘৰুৱা অৰ্থনীতি বিশ্ব অৰ্থনীতিৰ অংশীদাৰ হ'ব অথবা গোলকীয়কৰণ প্ৰক্ৰিয়াত ভাগ ল'ব। বৰ্তমান (২০১৪-১৫) বৰ্ষত এই পৰিমাণ হয় প্ৰায় ৩৫ শতাংশ। এই পৰিমাণটো ১৯৯০-৯১ চনত আছিল ১৬ শতাংশ। অৱশ্যে বিশ্ব বাণিজ্যত ভাৰতৰ ৰপ্তানি আৰু আমদানি অংশ ১ শতাংশতকৈ কম। এই পৰিমাণ বিশ্বৰ অন্যান্য উন্নত দেশ বিলাকৰ তুলনাত অতি কম দেশলৈ বিত্তীয় আগমনৰ পৰিমাণো অন্যান্য কিছুমান উন্নত ৰাষ্ট্ৰতকৈ কম। অৱশ্যে এই পৰিমাণ ক্ৰমাৎ উৰ্দ্ধমুখ হ'বলৈ ধৰিলে। ২০০৬-০৭ চনত এই পৰিমাণ মুঠ ঘৰুৱা উৎপাদনৰ ৫.১ শতাংশ আছিল, আনহাতে এই পৰিমাণ ২০১৪-১৫ বৰ্ষত ২২.৬৭% তকৈ বেছি।

গোলকীয় কৰণৰ ফলত ভাৰতীয় অৰ্থনীতিত দেখিবলৈ পোৱা কেতবোৰ সুফল হ'ল—

১। কিছুমান দ্ৰব্য আৰু সেৱা উৎপাদনৰ বিশেষীকৰণ হোৱাৰ ফলত তুলনামূলক ব্যয় সুবিধা লাভ কৰিব পৰা হৈছে আৰু সেই দ্ৰব্য বিলাকৰ ৰপ্তানি বৃদ্ধি পাইছে।

২। ১৯৮০ দহকত ভাৰতীয় অৰ্থনীতিৰ বিকাশৰ হাৰ অতিশয় কম আছিল প্ৰায় ৩.৫ শতাংশহে। এই পৰিমাণ জনসংখ্যা বিকাশৰ হাৰ ২ শতাংশৰ বিপৰীতে অতিশয় কম আছিল। আশীৰ দশকৰ মাজ ভাগৰ পৰা বিশেষকৈ ১৯৯০ চনৰ পিছৰ পৰা অৰ্থনীতিৰ বিকাশৰ হাৰ ৬ শতাংশলৈ বৃদ্ধি পাইছে। বৰ্তমান সময়ত অৰ্থনৈতিক বিকাশৰ হাৰ বাৰ্ষিক ১৬/১৭ শতাংশৰ ভিতৰত আছে।





৩। ৰপ্তানিৰ পৰিমাণ বৃদ্ধি পোৱাৰ ফলত বৈদেশিক মুদ্ৰা অৰ্জনৰ সহায় হৈছে।

৪। দৰিদ্ৰতাৰ সংখ্যা কমিছে আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকৰ সংখ্যাও হ্ৰাস পাইছে।

৫। অৰ্থনৈতিক বিকাশ বৃদ্ধি পোৱাৰ ফলত জনসাধাৰণৰ নিয়োগ আৰু আয়ো বৃদ্ধি পাইছে। অৰ্থনৈতিক বিকাশৰ লগত সামাজিক খণ্ডৰ উন্নয়নো সাঙোৰ খাই থাকে। সেয়ে স্বাস্থ্য, শিক্ষা আদি সামাজিক খণ্ডৰো উন্নয়ন সাধন হৈছে। দেশৰ অৰ্থনৈতিক জৰীপতো সমূহে এই কথা প্ৰতিপন্ন কৰে অৱশ্যে গোলকীয়কৰণৰ ফলত ভাৰতীয় অৰ্থনীতিত কিছুমান দুৰ্বল দিশ পৰিস্ফুট নোহোৱাকৈ থকা নাই। গোলকীয়কৰণ প্ৰক্ৰিয়াত ভাগ লোৱাৰ ফলত আমি কিমান সৰ্বোচ্চ পৰিমাণৰ লাভ আৰু অতি নিম্ন পৰ্যায়ৰ লোকচান পাব পাৰো, এই কথাৰ বিচাৰ কৰাটোহে আৱশ্যকীয়।

বিশ্ব বাণিজ্য সংস্থাৰ কৃষি সম্পৰ্কীয় অৰ্থাৎ কৃষি উৎপাদিত দ্ৰব্যৰ বাণিজ্যৰ ক্ষেত্ৰত ৰেহাইকে ধৰি ৰপ্তানি কৰিব লগা দ্ৰব্য সমূহৰ বাবে এতিয়াও ভাৰতৰ ক্ষেত্ৰত আপোচ মীমাংশা হোৱা নাই। সেয়ে ভাৰতীয় কৃষি খণ্ডই গোলকীয়কৰণৰ পৰা বিশেষভাৱে উপকৃত হৈছে বুলি ক'ব পৰা নাযায়।

❑ কিছুমান ভাৰতীয় কৃষিজাত উৎপাদিত দ্ৰব্য আৰু ঔষধি দ্ৰব্যৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দ্ৰব্যৰ বাণিজ্যিক অধিকাৰ নিৰ্দ্ধাৰণ কৰিবলৈ এতিয়াও বাকী আছে। এনে কাৰ্য হৈ নুঠিলে এনেবিলাক দ্ৰব্যৰ বাণিজ্যৰ ক্ষেত্ৰত সুফল পোৱা নাযায়।

❑ উৎপাদন আৰু নিয়োগৰ ক্ষেত্ৰত প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ স্বাৰ্থ বিঘ্নিত নোহোৱাকৈ সংঘটিত হোৱাৰ প্ৰয়োজন। ঘৰুৱা উৎপাদন, ঘৰুৱা ক্ষুদ্ৰ উদ্যোগ আৰু বিনিয়োগ আৰু বিনিয়োগকাৰীৰ স্বাৰ্থ আৰু তেওঁলোকৰ সঞ্চয় যথাযথভাৱে সুৰক্ষিত নহ'লে গোলকীয় কৰণে ভাৰতীয় অৰ্থনীতিত সুফল দিব নোৱাৰিব।

ব্যৱসায় আৰু বাণিজ্যৰ ক্ষেত্ৰত নতুন অৰ্থনৈতিক নীতি প্ৰৱৰ্তন কৰা হয় ১৯৯১ চনত। এই নীতিৰ দ্বাৰা দেশৰ ৰপ্তানি খণ্ড অধিক শক্তিশালী কৰিবলৈ বিচৰা হৈছে। আগৰ নিয়ন্ত্ৰিত ব্যৱসায়ৰ ঠাইত বজাৰ ভিত্তিক ব্যৱসায়ৰ দ্বাৰা আমদানি আৰু ৰপ্তানি খণ্ডৰ পৰিৱৰ্তন বিচৰা হৈছে। বজাৰভিত্তিক স্বয়ংক্ৰিয় পদ্ধতিৰ সহায়ত আমদানিৰ বাবদ হোৱা বৈদেশিক বিনিময় আৰু ৰপ্তানিৰ পৰা অহা বৈদেশিক আয়ৰ সমতা স্থাপনত গুৰুত্ব দিয়া হৈছে। নতুন আৰ্থিক নীতিত আমদানিৰ পৰিমাণ হ্ৰাস কৰা আমদানিৰ পৰিপূৰক দ্ৰব্য দেশত উৎপাদন কৰা উৎপাদন খণ্ড বিলাকত চৰকাৰী নিয়ন্ত্ৰণ হ্ৰাস কৰা আমদানিৰ ক্ষেত্ৰত পূৰ্বতে থকা অনুজ্ঞাপত্ৰৰ ব্যৱস্থা শিথিল কৰা আদি ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে।

ঃ ভুল আতৰাই সত্য প্ৰতিষ্ঠা কৰাটোৱেই শিক্ষাৰ মূল লক্ষ্য।

—চক্ৰেটিছ।

ঃ শিক্ষাই হৈছে মূল উপায়, যি মানুহৰ জীৱন লৈ সুখ আৰু শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।

—এৰিষ্টটল।

ঃ চকুৰে নেদেখাজনক অন্ধ বুলিব নোৱাৰি, নিজৰ দোষ-ত্ৰুটিবোৰ লুকাই ৰখাজনহে প্ৰকৃতাৰ্থত অন্ধ।

—মহাত্মা গান্ধী।

# মহাবিদ্যালয় সপ্তাহ আৰু কৰণীয়

মফিজুৰ ৰহমান
স্নাতক চতুৰ্থ ষাণ্মাসিক (কলা)

**আৰম্ভণি ঃ** সম্পূৰ্ণ এটা বছৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়ন কৰাৰ পিছত এটা নিৰ্দিষ্ট মাহৰ নিৰ্দিষ্ট সপ্তাহ এটাত মহাবিদ্যালয়ত "মহাবিদ্যালয় সপ্তাহ" উদযাপন কৰা হয়। এই মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলৰ এবছৰীয়া আশা-আকাংক্ষা প্ৰতিফলিত হয়।

**প্ৰয়োজনীয়তা ঃ** ছাত্ৰ-ছাত্ৰীসকলৰ যি সুপ্ত মানসিক আৰু শাৰিৰীক প্ৰতিভা, এই প্ৰতিভা মহাবিদ্যালয় সপ্তাহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে বিকশিত কৰি তুলিবলৈ প্ৰয়োজনীয় সুবিধা পায়। যাৰ কাৰণে মহাবিদ্যালয় এখনত মহাবিদ্যালয় সপ্তাহত অতি প্ৰয়োজন। এই মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হয় বিভিন্ন ধৰণৰ খেল-ধেমালি, গীত-মাত, কুইজ, তৰ্ক, আকস্মিক বক্তৃতা, ৰচনা শিক্ষা প্ৰতিযোগীতা ইত্যাদি গোটেই সপ্তাহজুৰি পালন কৰা হয়। ইয়াৰ কাৰণে মহাবিদ্যালয় কৰ্তৃপক্ষই এটা নিৰ্দিষ্ট কাৰ্যপন্থা বা আঁচনি হাতত ল'ব লাগে। অন্যথাই বেমেজালিৰ সৃষ্টি হয়। ছাত্ৰ-ছাত্ৰীসকলৰ সক্ৰিয় অংশগ্ৰহণ হ'ল মহাবিদ্যালয় সপ্তাহৰ এটা অতিকৈ প্ৰয়োজনীয় কথা। ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণ অবিহনে মহাবিদ্যালয় সপ্তাহ কৃতকাৰ্য্য হ'ব নোৱাৰে।

মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা খেল-ধেমালীত যি বঁটা বিতৰণ কৰা হয় সেই বঁটাৰ লগতে প্ৰদান কৰা প্ৰমাণপত্ৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে খুবেই উপকাৰী হয়। পিছলৈ সেইবোৰ বিভিন্ন ধৰণৰ চাকৰি কৰাৰ ক্ষেত্ৰতো কামত আহে।

এই মহাবিদ্যালয় সপ্তাহত খেল-ধেমালী আৰু প্ৰতিযোগীতাৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে জিলা, ৰাজ্যিক, ৰাষ্ট্ৰীয়, আন্তৰ্জাতিক আদি পৰ্যায়ত উন্নীত হয়। গতিকে এই বৰ্ণাঢ্য কাৰ্য্যসূচী অতি প্ৰয়োজনীয়।

এই মহাবিদ্যালয় সপ্তাহ শেষ হোৱাৰ আগৰ দিনা অনুষ্ঠিত হয় মুকলি সভা। য'ত আমন্ত্ৰিত অতিথি হিচাপে থাকে নামী-দামী, প্ৰতিষ্ঠিত ব্যক্তিসকল আৰু সেইসকল ব্যক্তিৰ বক্তৃতা শুনাটো অতি প্ৰয়োজনীয়। কাৰণ সেই বক্তৃতাই আমাক শুদ্ধ পথ অনসুৰণ কৰাত সহায় কৰে।

**সামৰণি ঃ** মহাবিদ্যালয় সপ্তাহৰ শেষ দিনাৰ অনুষ্ঠানটো হয় আটাইতকৈ বৰ্ণাঢ্য আৰু জাকত জিলিকা। কিয়নো সেই দিনটোত অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠান। য'ত বিভিন্ন ধৰণৰ গীত-মাতৰ লগতে থাকে নাচ, কৌতুক, নাটক আৰু বহুতো। ছাত্ৰ-ছাত্ৰীসকলৰ ৰংচঙীয়া পোচাকে মহাবিদ্যালয়ৰ পৰিৱেশ কৰি তোলে আকৰ্ষণীয়।

**মন্তব্য ঃ** ওপৰৰ আলোচনাৰ পৰা এইটো সিদ্ধান্তত উপনীত হ'ব পাৰো যে মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ কাৰণে 'মহাবিদ্যালয় সপ্তাহ" অতি প্ৰয়োজনীয়। ই ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ এক মঞ্চ স্বৰূপ।





# মহাবিদ্যালয় সপ্তাহ

ছনুৱাৰ হুছেইন
স্নাতক ষষ্ঠ ষাণ্মাসিক (কলা)
অৰ্থনীতি বিজ্ঞান (গুৰু)

**পৰিচয় ঃ** প্ৰতিখন বিদ্যালয়তে বিদ্যালয় সপ্তাহ পালন কৰা হয়। মহাবিদ্যালয়তো মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। ইয়াৰ আঁৰত কিছুমান লক্ষ্য আৰু উদ্দেশ্য থাকে। আমাৰ মহাবিদ্যালয়তো বিগত বছৰৰ দৰে এইবেলিও জাক-জমকেৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হৈ আছে। এইবাৰ আমাৰ ৪৪তম মহাবিদ্যালয় সপ্তাহ।

**উদ্দেশ্য ঃ** মহাবিদ্যালয় সপ্তাহ উদ্‌যাপনৰ আঁৰত কিছুমান প্ৰধান উদ্দেশ্য লুকাই থাকে। তাৰে ভিতৰত (ক) ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ বিকাশ। (খ) ছাত্ৰ-ছাত্ৰীৰ আভ্যন্তৰীণত লুকাই থকা সুপ্ত প্ৰতিভাক বাহ্যিকভাৱে উপস্থাপন কৰা (গ) ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতাৰ মনোভাৱ গঢ়ি তোলা যাতে সিহঁতে বিশ্ব পৰ্যায়ত সিহঁতক দাঙি ধৰিব পাৰে। (ঘ) সংগীত আৰু সাংস্কৃতিক গুৰুত্ব সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰোৱা। (ঙ) শিক্ষাত খেল-ধেমালিৰ ভূমিকা সম্পৰ্কে জ্ঞান দান কৰা। (চ) সহ-পাঠ্যক্ৰম হিচাপে খেল-ধেমালি, নাচ-গান, শৰীৰ চৰ্চা, ব্যায়াম, স্কাউট এণ্ড গাইড ইত্যাদিৰ ভূমিকা নিৰ্ণয় কৰা। (ছ) মহাবিদ্যালয়ত কৰা প্ৰতিযোগিতাই যাতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্থান লাভ কৰিব পাৰে তাৰ বাবে ছাত্ৰ-ছাত্ৰীক উৎসাহ প্ৰদান কৰা।

**শিক্ষাত মহাবিদ্যালয় সপ্তাহৰ ভূমিকা ঃ** ছাত্ৰ-ছত্ৰীয়ে মূল্যবোধৰ শিক্ষাৰে শিক্ষিত হ'বলৈ হ'লে তেওঁলোকৰ মাজত ঐক্য আৰু সংহতিৰ মনোভাৱ থকা উচিত। মহাবিদ্যালয়ৰ সপ্তাহত হোৱা বিভিন্ন ধৰণৰ খেল-ধেমালি, সংগীতানুষ্ঠান আদিয়ে ছাত্ৰ-ছাত্ৰীৰ অন্তৰত এই মনোভাৱ গঢ়াত সহায় কৰে। ভলীবল, ক্ৰিকেট, ফুটবল, বেডমিণ্টন, এন চি চি আদিত ঐক্যতাৰ মাজেৰে প্ৰতিযোগিতাৰ শিক্ষা প্ৰদান কৰে। ইয়াৰ উপৰি সু-শিক্ষা লাভ কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ এটা সুস্থ দেহ আৰু সুস্থ মনৰ দৰকাৰ যি শিক্ষা মহাবিদ্যালয় সপ্তাহত পোৱা যায়। সংগীতে মানুহৰ মনত আনন্দ দিয়ে। গতিকে ই সু শিক্ষা লাভতো সহায় কৰে।

**সামৰণি ঃ** মহাবিদ্যালয় এখনৰ শৈক্ষিক গুণগত মানদণ্ড নিৰ্ভৰ কৰে মহাবিদ্যালয়খনৰ শিক্ষা ব্যৱস্থা লগতে মহাবিদ্যালয়খনে খেল-ধেমালি, সংগীত-সাংস্কৃতিক, শৰীৰ চৰ্চা আদি সহপাঠ্যক্ৰমত কিমানখিনি পাৰদৰ্শী তাৰ ওপৰত। গতিকে ছাত্ৰ-ছাত্ৰীক মহাবিদ্যালয় সপ্তাহৰ জৰিয়তে উপযুক্ত পাঠ্যক্ৰমৰ শিক্ষা দিয়া উচিত।

ঃ যি নিজকে চিনি পায়, তেওঁ ভগৱানকো চিনি পায়।"

—এ. পি. জে. আবুল কালাম।

# গোলকীয় উষ্ণতা বৃদ্ধি

বাজিদুল ইছলাম
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

সেউজ গৃহ প্ৰভাৱৰ বাবে, ভূপৃষ্ঠৰ গড় উষ্ণতা প্ৰায় ১৫০° ছেন্টিগ্ৰেড হৈ আছে। আৰু এই উষ্ণতাত পৃথিৱীখন বিভিন্ন ধৰণৰ জীৱৰ বাবে অনুকূল। কিন্তু যদিহে সেউজগৃহ গেছ সমূহে এই কাম নকৰে তেন্তে পৃথিৱীৰ অধিক পৰিমাণৰ তাপ পুনৰ আঁতৰি যাব। ইয়াৰ ফলত পৃথিৱী শীতল হৈ পৰিব। প্ৰায় ১৮° ছেন্টিগ্ৰেড আৰু ইয়াৰ পৰিবেশ হৈ পৰিব জীৱ জীয়াই থাকিব নোৱাৰা। বায়ুমণ্ডলত থকা সেউজগ্ৰহ গেছ সমূহে আমাৰ গ্ৰহটোক উষ্ণ কৰি ৰখা বাবে ইয়াত মানুহ আৰু অন্যান্য জীৱসমূহে বৰ্তি থাকিব পাৰিছে। কিন্তু মানুহৰ কাৰ্যকলাপৰ লগতে বিভিন্ন প্ৰাকৃতিক কাৰণত যোৱা দহক কেইটাত সেউজ গৃহ গেছৰ গাঢ়তা বৃদ্ধি পাইছে। বিজ্ঞানীসকলে নিৰ্ণয় কৰিছে যে যোৱা শতিকাৰ প্ৰথম ভাগৰ পৰা এতিয়ালৈকে পৃথিৱীৰ গড় উষ্ণতা ০.৩—০৫.২ ছেন্টিগ্ৰেড বৃদ্ধি পাইছে ১৫০ বছৰ পূৰ্বে আৰম্ভ হোৱা ঔদ্যোগিক বিপ্লৱৰ পৰা মানুহৰ বিভিন্ন কাৰ্যকলাপ বায়ুমণ্ডলত সেউজগৃহ গেছ যথেষ্ট পৰিমাণে বৃদ্ধি পাইছে। ১৭৫০ আৰু ২০০০ চনৰ ভিতৰত কাৰ্বনডাই অক্সাইড মিথেন আৰু নাইট্ৰাছ অক্সাইডৰ বায়ুমণ্ডলৰ গাঢ়তা যথাক্ৰমে ৩১%, ১৭% আৰু ১৭% বৃদ্ধি কৰিছে। (IPCC ২০০১) সেউজ গৃহ গেছসমূহে এখন আৱৰণীৰ সৃষ্টি কৰি উষ্ণতা বৃদ্ধি কৰা এই পৰিঘটনাটোকেই বোলা হৈছে গোলকীয় উষ্ণতা (Global Warming)।



ছাত্ৰ একতা সভা (২০১৪-১৫ ইং বৰ্ষ)ৰ সদস্য-সদস্যা আৰু তত্ত্বাৱধায়ক সকলৰ একাংশ।




থিয় হৈ (বাওঁফালৰ পৰা) ক্ৰমেঃ আমিনুল হক (সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ) তছলিমা খাতুন (সম্পাদিকা ছাত্ৰী জিৰণী কোঠা বিভাগ), ৰেজিয়া চুলতানা (সম্পাদিকা সমাজ সেৱা বিভাগ) বেগম ৰেজিনা পাৰবিন (সহঃ সাধাৰণ সম্পাদিকা), নুৰুল আমিন খান (সম্পাদক তৰ্ক আৰু সুকুমাৰ কলা বিভাগ) আমিৰুল ইছলাম (সম্পাদক শৰীৰ চৰ্চা বিভাগ), জাকিৰ হুছাইন (সম্পাদক গুৰু খেল বিভাগ), হাফিজুৰ ৰহমান (সম্পাদক আলোচনী বিভাগ),
বহি (বাওঁফালৰ পৰা) ক্ৰমেঃ ড০ এম.এছ. শ্বেইখ (তত্ত্বাৱধায়ক আলোচনী বিভাগ), আব্দুল হালিম আহমেদ (তত্ত্বাৱধায়ক গুৰু খেল বিভাগ) ছৈয়দা হামিদা খাতুন (তত্ত্বাৱধায়িকা আলোচনী বিভাগ), নিতু চহৰীয়া (তত্ত্বাৱধায়িকা লঘু খেল বিভাগ), ঘনশ্যাম ভৰালী (উপাধ্যক্ষ) ড০ ছাহজাহান আলী (সভাপতি), ড০ ছোৰমান আলী (তত্ত্বাৱধায়ক), ড০ ফখৰুল আলম (তত্ত্বাৱধায়ক লঘু খেল বিভাগ) ফৰিদুল ইছলাম (উপ-সভাপতি) জাহিদুল ইছলাম (সাধাৰণ সম্পাদক)

মহাবিদ্যালয়ৰ অধ্যক্ষৰ সৈতে ছাত্ৰ একতা সভা(২০১৪-১৫ ইং বৰ্ষ)ৰ তত্ত্বাৱধায়ক সমন্বিতে সদস্য সদস্যা বৃন্দৰ একাংশ।



বাওঁফালৰ পৰা ক্ৰমেঃ আমিনুল হক (সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ), হাফিজুৰ ৰহমান (সম্পাদক আলোচনী বিভাগ), জাকিৰ হুছাইন (সম্পাদক গুৰুখেল বিভাগ)
আমিকুল ইছলাম (সম্পাদক শৰীৰ চৰ্চা বিভাগ) ফৰিদুল ইছলাম (উপ-সভাপতি) ড০ ছোৰমান আলী (তত্ত্বাৱধায়ক), ড০ ছাহজাহান আলী (সভাপতি), জাহিদুল ইছলাম (সাধাৰণ সম্পাদক)
নুৰুল আমিন খান (সম্পাদক তৰ্ক আৰু সুকুমাৰ কলা বিভাগ), বেগম ৰেজিনা পাৰবিন (সহঃ সাধাৰণ সম্পাদিকা), ৰেজিয়া চুলতানা (সম্পাদিকা সমাজ সেৱা বিভাগ)
তছলিমা খাতুন (সম্পাদিকা ছাত্ৰী জিৰণী কোঠা বিভাগ)
ফটোত অনুপস্থিতঃ আজাদ ইমৰান হুছাইন (লঘু খেল বিভাগ), আব্বাছ আলী (সম্পাদক ছাত্ৰ জিৰণী কোঠা বিভাগ)

## অধ্যক্ষ, উপাধ্যক্ষ সমন্বিতে আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ একাংশ




বহিঃ বাওঁফালৰ পৰা- অধ্যাপিকা চৈয়দা হামিদা খাতুন, অধ্যাপক ড০ এ.কে. দেৱান, অধ্যাপক মিৰ্জা আব্দুল হামিদ, অধ্যাপক কমৰুজ্জামান, উপাধ্যক্ষ ঘনশাম ভৰালী, অধ্যক্ষ ড০ ছাহজাহান আলী আহমেদ
অধ্যাপক এম. নজমুল হক, অধ্যাপিকা নিতু চহৰীয়া, অধ্যাপক আতাউৰ ৰহমান, অধ্যাপক ৰমজান আলী, অধ্যাপক ছাহাব উদ্দিন খান, অধ্যাপক মোকছেদ আলী
থিয় হৈ বাওঁ ফালৰ পৰা- অধ্যাপক ছামচুল আলম, অধ্যাপক ড০ ইমৰুল হুছাইন, অধ্যাপক ড০ ফখৰুল আলম, অধ্যাপক আব্দুল হালিম, অধ্যাপক সুশীল কুমাৰ সৰকাৰ
অধ্যাপিকা জ্যোতি সাহা, অধ্যাপক ড০ মোবাজ্জিমুৰ ৰহমান, অধ্যাপক কায়ুম কবিৰ আহমেদ, অধ্যাপক ড০ এম. এছ. শ্বেইখ

## অধ্যক্ষ, উপাধ্যক্ষ সমন্বিতে নৰজ্যোতি মহাবিদ্যালয়ৰ কাৰ্যালয়ৰ বিষয়বৰীয়া সকলৰ একাংশ




বহিঃ বাওঁফালৰ পৰা- জাহিদুল ইছলাম মোল্লা (এল.ডি.এ), শ্বেইখ হাফিজুৰ ৰহমান (এল.ডি.এ), আব্দুল কুদ্দুছ তালুকদাৰ (ইউ.ডি.এ. একাউন্টেন্ট), উপাধ্যক্ষ্য ঘনশাম ভৰালী অধ্যক্ষ্য ড০ ছাহজাহান আলী আহমেদ, আবুল হুছাইন (হেড এছিচটেন্ট), মীৰ মতিউৰ ৰহমান (এল.ডি.এ), শওকত আলী আহমেদ (এল.ডি.এ), জাফৰ আলী (এল.ডি.এ)
থিয়ৈ বাওঁফালৰ পৰা- চান্দ মাহমুদ (ছায়েনছ বিয়াৰাৰ), মকবুল হুছাইন (ছায়েনছ বিয়াৰাৰ), ছফিকুল ইছলাম (লাইব্ৰেৰী বিয়াৰাৰ), বাছেৰ আলী (চতুৰ্থ বৰ্গ) হালিমা খাতুন (ছায়েনছ বিয়াৰাৰ), এ. ৰহমান (চতুৰ্থ বৰ্গ), আমিৰ হুছাইন (ছায়েনছ বিয়াৰাৰ)



# যুৱতীৰ দৈনন্দিন জীৱনত শালীনতাহীন সাজপাৰৰ প্ৰভাৱ


সাফিকুল ইছলাম
লাইব্ৰেৰী বিয়েৰাৰ।


আমি সকলোৱেই স্বীকাৰ কৰিবই লাগিব যে, প্ৰত্যেক বস্তুৰেই এটা নিৰ্দ্দিষ্ট সীমা আছে। গতিকে সেই ফালৰ পৰা গভীৰতাৰে চিন্তা কৰিলে আমি সদায় মানুহ হিচাপে নিজকে চিনাকি দিবলৈ শালীনতা বজাই ৰাখি সাজপাৰ পিন্ধিলে বোধ হয় আমাৰ সমাজখন এক সুস্থিৰ মনোভাৱাপন্ন তথা সু-চিন্তাদায়ক হৈ উঠিব। আমি বিশেষকৈ প্ৰত্যেকে শালীনতা বজাই ৰাখি নিজক নিয়ন্ত্ৰণ কৰিব পাৰিলেহে আমাৰ দৈনন্দিন জীৱন হৈ উঠিব চিৰ সেউজ।

ভাল পোছাক তথা সাজপাৰেই মানুহৰ স্বভাৱ-চৰিত্ৰৰ মাপকাঠি। উদাহৰণ স্বৰূপে সম্প্ৰতি কালত পৃথিৱীৰ ভিতৰত সৰ্বাধিক উৎপীড়ণ তথা যৌন নিৰ্যাতন চলিছে আমেৰিকাৰ দৰে এখন শক্তিশালী যুক্তৰাষ্ট্ৰত। য'ত নিৰাপত্তা ইমান কটকটীয়া তথাপি সেই দেশখনত এতিয়ালৈকে যুৱতীসকলৰ ওপৰত চলা নিৰ্যাতন প্ৰতিৰোধ কৰাত এক প্ৰকাৰ বিফল হোৱা দেখা যায়। কাৰণ এটাই সেই দেশৰ পোছাক তথা শালীনতাহীন সাজপাৰে হয়তো ইয়াৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছে। দেখা গৈছে যে, পাশ্চাত্যৰ দেশৰ লগত তাল মিলাই আমাৰ দেশৰ যুৱতী সকলেও শালীনতাহীন সাজপাৰ গ্ৰহণ কৰিবলৈ ধৰিছে। যাক আমাৰ সমাজখনে মানি লবলৈ টান পাই আহিছে। তেওঁলোকে লাহে লাহে এইটোও পাহৰি গৈ আছে যে, আমাৰ দেশৰ ৰীতি-নীতি আচাৰ ব্যৱহাৰ তথা কলাকৃষ্টি সংস্কৃতি, সেইবোৰ দেশৰ প্ৰায় সম্পূৰ্ণ পৰিপন্থী।

গতিকে মোৰ ধাৰণা মতে আমাৰ দেশৰ যুৱতী সকলে যদি শালীনতা বজাই ৰাখি সাজপাৰ পিন্ধে তেন্তে তেওঁলোকৰ জীৱনৰ হয়তো ইয়েই হব এটা নিজকে প্ৰতিৰক্ষা কৰাৰ এক ডাঙৰ অস্ত্ৰস্বৰূপ। আজি কালি লক্ষ্য কৰিলে দেখা যায় যে, ছোৱালীবিলাকে যদি কৰবাত (বাহিৰলৈ) অলপ শালীনতাহীন সাজপাৰ পিন্ধি ফুৰিবলৈ যায় তেন্তে তেওঁলোকৰ পিনে ডেকাই হওক বা বুঢ়াই হওঁক সকলোৱে প্ৰায় বেয়া মনোভাৱৰ দৃষ্টি নিক্ষেপ কৰি তেওঁলোকৰ যি মানসিক দুৰ্বলতা তাক নিকৃষ্ট মনোভাৱেৰে প্ৰকাশ কৰিবলৈ ধৰে। যি অতি দুৰ্ভাগ্যজনক বুলি কব পাৰি।

অৱশ্যে এই ক্ষেত্ৰত কেৱল তেওঁলোকেই জগৰীয়া বুলি কলে যুক্তি সংগত নহব। দৰাচলতে এই ক্ষেত্ৰত কিছু পৰিত্ৰান পাবলৈ হলে যুৱতীৰ লগতে অভিভাৱক সকলৰো এক সৰল নেতৃত্বৰ প্ৰয়োজন আছে। যুৱতী সকলৰ ওপৰত চলা এনে অমানুসিক নিৰ্যাতন বন্ধ কৰিবলৈ হলে আমিয়েই মুকাবিলা কৰিব লাগিব। গতিকে অভিভাৱকৰো এই ক্ষেত্ৰত যথেষ্ট গুৰু দায়িত্ব পালন কৰাৰ সময় সমাগত। তাৰোপৰি আপত্তিজনক বা নগ্ন বিজ্ঞাপন আদিও বাতৰি কাকত, টেলিভিশ্যন, পোষ্টাৰ, ইণ্টাৰনেট, ছ'ছিয়াল মিডিয়া আদিত প্ৰচাৰ কৰাতো চৰকাৰী ভাৱে অংকুশ লগাব লাগে। অন্যথা এই ইণ্টাৰনেটৰ যুগত যুৱ সমাজ পথভ্ৰষ্ট হৈ সমাজখন ঘূনীয়া কৰিব বুলি দৃঢ় বিশ্বাস।

# চুটি গল্প







## আইতাক দেখিলো সপোনত

মফিদা খাতুন
স্নাতক দ্বিতীয় যান্মাসিক (কলা)

মই সৰু অৱস্থাত এদিনাখন সন্ধিয়া মোৰ আইতাই এটা সাধু কথা শুনাবলৈ লৈছিল। ঠিক একে সময়তে আমাৰ ঘৰৰ ভিতৰত এটা বিষাক্ত সাপ আহি মজিয়াত মূৰটো থিয় কৰি ফোচ্-ফোচ্কৈ শব্দ কৰিলে। মই যেতিয়া সাপটোৰ পিনে চাইছিলো তেতিয়া ভয়ত মূৰৰ চুলি থিয় হৈছিল। কৰণ ইমান বিষাক্ত ডাঙৰ সাপ এটা মই কেতিয়াও দেখা নাছিলো আৰু ততালিকে মই আইতাক সাৱটি ধৰি চিঞৰ-বাখৰ লগালো তেতিয়া মোৰ আইতাই মোক সাৱটি ধৰি কলে কি হৈছে কিয় চিঞৰিছা; কাৰণ মোৰ আইতা অন্ধ আছিল। তৎক্ষণাত মই সাপটোৰ কথা আইতাক কলো। তেতিয়া মোৰ আইতাওঁ ভয় খাইছিল। ময়ে বেছিকৈ মোৰ অন্ধ আইতাতকৈও ভয় কৰিছিলো। সেইদিনা মোৰ ঘৰত কোনেও নাছিল। মোৰ মা-দেউতা মাহীদেউৰ ঘৰলৈ গৈছিলো। আমি দুয়ো যেতিয়া বেছিকৈ চিঞৰ-বাখৰ কৰিছিলো সাপটো তেতিয়া ভয়ত অলপ আঁতৰি গৈছিল। মই তৎক্ষণাত আইতাক হাতত ধৰি লৰালৰিকৈ বাহিৰলৈ ওলাই আহিলো আৰু ওচৰ চুবুৰীসকলে আমাৰ চিঞৰ-বাখৰ শুনি লাঠি টাঙোন লৈ দৌৰি আহিল। তেতিয়া সাপটো ভয়ত ঘৰৰ পিছফালে গৈ এটা গাতত সোমাল। সাপটো মাৰিব নোৱাৰি তেওঁলোকে গুচি গ'ল। এতিয়া আমি কি কৰো ভয়তে বুকুখন ধান বনাৰ দৰে ধৰফৰাই আছে। আৰু মই বেছিকৈ মোৰ আইতালৈয় ভয় কৰিছিলো। কলৈ যাব ক'ৰ পৰা আকৌ সাপে মেৰাই ধৰিব। ৰাতি আমি ভাত খাই আইতাক লৈ ভয়ে ভয়ে বিচনা পালো আৰু বাগৰ দিলো কিন্তু মোৰ আৰু টোপনি নাহে, সাপটোৰ কথা মনত পৰে আৰু বুকুখন ধৰফৰাই থাকে। মোৰ আইতাই মোক সাৱটি ধৰিলে আৰু কলে ভয় নকৰিবি আৰু নোলায় নহয়, টোপনি যোৱা। ৰাতি প্ৰায় ১১ মান বজাত হয়তো টোপনি গলো। তেতিয়া দেখিলো মোৰ মা দেউতাৰ লগত মেলা চাবলৈ গৈ আছো। মেলাত যোৱাৰ সময়ত ৰাস্তাৰ মাজত এজনী পাগলী শুই আছে। ড্ৰাইভাৰে তেতিয়া গাড়ীখন ৰখালে আৰু আমি গাড়ীৰ পৰা নামিলো। পাগলীজনী তেতিয়া আমাৰ ওচৰলৈ দৌৰি আহি দুহাত মেলি মোৰ দেউতাক কলে—ককা মোক কিবা খাবলৈ দিয়া। মই আজি দুদিন হ'ল মুখত একো দিয়া নাই। পাগলীজনীৰ কথা শুনি মোৰ বৰ দুখ লাগিল। মোৰ দেউতাই তাইক ধৰি গাড়ীত উঠালে। কাৰণ আমাৰ ওচৰত তেতিয়া খোৱা বস্তু একোৱে নাছিল। মেলালৈ গৈ তাইক বহু কিবা কিবি খোৱা বস্তু কিনি দিলে তাই পেট ভৰাই খালে। তাইক মোৰ দেউতাই এশ টকা দিলে। পাগলীজনী তেতিয়া আনন্দিত হৈ ভগৱানৰ ওপৰত দোৱা কৰিলে।

আমি মেলাৰ পৰা বিভিন্ন ধৰণৰ খেলাৰ বস্তু কিনিলো আৰু ধুনীয়া এটা ফুল কিনিলো। মোৰ আইতাৰ কাৰণেও ধুনীয়া এযোৰ বাঁহৰ খাৰু কিনিলো। মেলা চাই আমি ঘৰলৈ উভতি আহিলো। বাহিৰৰ পৰাই আইতাক মাত লগালো। কিন্তু আইতাৰ পৰা কোনা সঁহাৰি নাই। আমি দৌৰি আইতাৰ ওচৰলৈ আহিলো। তথাপিও মোৰ আইতা লৰচৰ নকৰে, কোনো কথাও নকয়। মোৰ তেতিয়া ভৰিৰ ফালে চকু গ'ল আৰু দেখিলো ভৰিৰ পৰা তেজ ওলাই আছে। মই তেতিয়া চিঞৰি চিঞৰি কান্দিলো আৰু কলো মোৰ আইতাক সাপে কামুৰিছে। তেতিয়া আইতাই টোপনৰি পৰা সাৰ পায় মোক মাত লগালে। মই তেতিয়া টোপনিৰ পৰা উঠি মোৰ আইতক াসৱটি ধৰি কান্দিছিলো। মোৰ আইতাই তেতিয়া কলে কি হ'ল কিয় কান্দিছ'। আইতাক সপোনৰ সকলো কথা কলো। আইতাই তেতিয়া মোক দুগালত চুম্বা খাই মৰমেৰে কৈছিল। তুমি সেই দিনৰ সাপটোৰ কথা ভাবি টোপনি যোৱাৰ কাৰণে এইবোৰ সপোন দেখিছা, ভয় নাখাবা। শুই থাকা।

# প্ৰতিদান

জাকিৰ হুছেইন
স্নাতক ষষ্ঠ ষান্মাসিক (কলা)
অসমীয়া (গুৰু)

বাৰিষাৰ মাজ নিশা। চৌদিশে বিজুলী ঢেৰেকণিৰ কাণ তাল পৰা শব্দ। টিপ্ টিপ্ টাপ্ টাপ্ কৈ বাৰিষাৰ বৰষুণ পৰিছে। মনটো উতলা হৈ পৰিছে তুমি আহিবা বুলি। কিন্তু তুমি ইমান পৰতো আহা নাই কিয়? বাটত কোনো বিপদ বিঘিনি হোৱা নাইতো? নে তুমি নাহিবা? তুমিতো আৰু কেতিয়াও মোৰ ওচৰলৈ নাহিবা। কিন্তু অতীতৰ সেই স্মৃতিবোৰে মোক যেনেদৰে দুঃখ দিব ধৰিছে সেইদৰে তোমাকো আমনি কৰিছেনে ? বিৰহৰ জুইত পুৰি মোৰ মন দগ্ধ হ'ব ধৰিছে। এবাৰ আহিবা নেকি? মোৰ মনৰ জুই নুমবালৈ।

ৰাহুল এজন মধ্যবিত্ত পৰিয়ালৰ ল'ৰা। পঢ়া-শুনাতো বেয়া নহয়। মাক-দেউতাকৰ মনত পুত্ৰ ৰাহুলক লৈ বহুত সপোন। কিন্তু হঠাতে ৰাহুলৰ কি হ'ল? ৰাহুলক যেন সকলোৱে মমতাৰ চকুৰে চায়। ৰাহুলৰ বন্ধু ৰিংকু আৰু ৰহিমে ৰাহুলক লগত লৈ এখন পাৰ্কত বহি আছে।

ৰিংকু ঃ "চা ৰাহুল তই তোৰ মা-দেউতাৰ সপোন পূৰণ কৰিব লাগিব। তাতে তই ডাঙৰ ল'ৰা। পৰিয়ালৰ প্ৰতি তোৰ হাতত বহুত দায়িত্ব আছে।" কিন্তু ৰাহুলে যেন এইবোৰ কেনো কথাই শুনা নাই। তেওঁ একেথৰে দোলনাত দুলি থকা এজনী সৰু ছাৱালীৰ পিনে চাই থাকোতে তেওঁ হঠাতে এটা মাত শুনা পালে—মণিকা....।

ৰাহুল আৰু মণিকা দুয়ো একেলগে B.A. Second Semester-ত পঢ়ে। দিনবোৰ পাৰ হৈ যাওঁতে ৰাহুল মণিকাৰ প্ৰতি আকৰ্ষিত হ'বলৈ ধৰে আৰু পিছলৈ প্ৰেম। কিছু দিন যোৱাৰ পিছত ৰাহুলে নিজৰ মনৰ প্ৰেমৰ কথা মণিকাৰ আগত ব্যক্ত কৰে। প্ৰথম অৱস্থাত মণিকাই ৰাহুলৰ প্ৰেম গ্ৰহণ নকৰে যদিও পিছলৈ মণিকায়ো ৰাহুলৰ প্ৰেমত আত্মহাৰা হৈ পৰে। কিন্তু ৰাহুলৰ জীৱনলৈ ধুমুহা আহি পৰে যেতিয়া বান্ধৱী ৰূপালীৰ মুখত শুনিবলৈ পায় মণিকাৰ বিয়াৰ কথা।

অসমীয়া সমাজ ব্যৱস্থাত জীয়েক ডাঙৰ হ'লে ছোৱালীৰ কাৰণে মাক-দেউতাকে চিন্তা কৰাটো এটা বৈশিষ্ট্য। ঠিক সেইদৰে মণিকাৰ মাক-দেউতাকে জীয়েক মণিকাৰ কাৰণে বিখ্যাত কোম্পানীত চাকৰি কৰা ধনী ঘৰৰ ধুনীয়া ল'ৰা এজনলৈ ছোৱালীজনীক বিয়া দিবৰ বাবে দৰা হিচাপে ঠিক কৰিছে। মণিকায়ো মাক-দেউতাকৰ পছন্দৰ প্ৰতি কোনো প্ৰতিবাদ নকৰি কিছুদিন পিছত অৰূপক বিয়া কৰালে।

মণিকাই এবাৰো ৰাহুলৰ কথা চিন্তা নকৰিলে আৰু আনন্দতে স্বামীৰ সংসাৰ কৰিব ধৰিলে। ইফালে ৰাহুল.... কি হ'ব তাৰ....? দিনে ৰাতিয়ে মাথো মণিকাৰ কথাকে চিন্তা কৰি কান্দি কান্দি দিনবোৰ পাৰ হ'ব ধৰিলে। এয়াই জানো প্ৰেমৰ প্ৰতিদান।

> ঃ পৃথিৱীখন এখন ধুনীয়া কিতাপ, কিন্তু যিজনে পঢ়িব নাজানে, তেওঁৰ কাৰণে এই কিতাপখনৰ' কোনো মূল্য নাই।
>
> —গল্ডিগি পামেলা।





# অব্যক্ত বেদনা

মেহনুৰ খাতুন
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

ফুট্‌ফটীয়া ফ্ৰক এটা আইজনীৰ বাবে আনিছো। গৈয়েই পিন্ধাই দিম বুলি মনতে ভাবিছো। ফ্ৰকটো পিন্ধি আনন্দত আত্মহাৰা হৈ আইজনীয়ে মোৰ কোলাত জপিয়াই উঠিব, ডিঙিত সাবটি ধৰিব। ক'ব দেউতা, ফ্ৰকটো ইমান ধুনীয়া লাগিছে। আইজনীৰ মূৰত হাত বুলাই দি, দুগালত দুটি চুমা খাই ক'ম আইজনী তোমাক তাতোকৈয়ো বেছি ধুনীয়া লাগিছে। আইজনীয়ে সঁচাকৈয়ে নে দেউতা বুলি কৈ খিল্ খিলকৈ হাঁহি দিব। কিমান যে ভাল লাগিব। বৰ্ণালীয়ে কাষলৈ আহিব। ক'ব দেউতাৰা আহি পাইছেহি, ভাগৰত ক্লান্ত। এতিয়া অলপ জিৰাব। তুমি এতিয়া অলপ পঢ়িব লাগিব।

অনিচ্ছা সত্বেও আইজনীয়ে পঢ়িবলৈ ল'ব। চম্পাই ৰান্ধনিঘৰত ৰন্ধা-বঢ়াত ব্যস্ত হৈ পৰিব। চম্পা আছিল সেই ঘৰৰ বন কৰা ছোৱালী। বৰ্ণালীয়ে নিজেই কাষতে বহি ক'ব ইছ ৰাম। তুমি ইমান ক্ষীণাই গৈছা। বৰ কষ্ট হৈছে নহয় তোমাৰ। বুজিছা চাকৰি ৰিজাইন দি তোমাৰ ওচৰলৈ লৰদিবলৈ মন গৈছে। সৰু চাকৰি কৰিলেও আগতেই সুখ শান্তি আছিল। একো নহয় দিয়া। দুয়ো দূৰে দূৰে থাকিলেও তুমি মোৰ মনৰ পৰাতো আঁতৰি যোৱা নাই। মই সান্ত্বনা দি কম।

'হ'লেও.......।'

এৰা বৰ্ণালী ঠিকেই কৈছা। দুয়ো দুঠাইত থাকি চাকৰি কৰিলে টকাহে ঘটিব পাৰি, সাংসাৰিক জীৱনৰ প্ৰকৃত মাদকতা উপভোগ কৰিব নোৱাৰি। দূৰে দূৰে থকা দুখন অন্তৰৰ ভাৱ অনুভূতি প্ৰকৃত মাদকতা মৰম স্নেহ এদিন নিঃশেষ হৈ যাবও পাৰে নেকি? নাই, নাই বৰ্ণালীৰ প্ৰতি থকা মোৰ আবেগ আকুলতা, প্ৰেম-প্ৰীতি একেদৰেই থাকিব চিৰদিন। বৰ্ণালীৰো থাকিব বুলিয়েই মোৰ দৃঢ় বিশ্বাস।

বৰ্ণালীয়ে আগতে ঘৰৰ ওচৰতে চাকৰি কৰিছিল দুবছৰ আগতে এ চি এছ পৰীক্ষা দি উচ্চ পৰ্যায়ৰ চাকৰি এটা পাই দুৰণীৰ চহৰখনত থাকিবলৈ লৈছে। থাকে কোৱাৰ্টাৰত। লগত থাকে আমাৰ সন্তান পাঁচ বছৰীয়া আইজনী আৰু কেও কিছু নোহোৱা বাৰ বছৰীয়া চম্পা। মই দুই চাৰি মাহৰ মূৰে মূৰে আহি থাকো। দুই এদিন থাকি যাওঁ। আইজনী আৰু বৰ্ণালীৰ মায়াত মই ইয়ালৈ লৰি আহো। কেতিয়াবা আগতীয়াকৈ খবৰ দিওঁ। কেতিয়াবা মনতো নৰলেই হঠাতে আহি ওলাওহি। এইবাৰো পাঁচদিনৰ ছুটি লৈ কোনো খবৰ নিদিয়াকৈ ট্ৰেইণেৰে যাত্ৰা কৰিছো। হঠাতে ওলাই আইজনী আৰু বৰ্ণালীক আচৰিত কৰি দিম বুলি ভাবিছো। ট্ৰেইনৰ ডবাত বহি মই এইবোৰ কথাকেই ভাবি ভাবি আহি আছো।

দুমাহ আগতে আহিছিলো। আবেলিৰ ট্ৰেইনত যাবলৈ ওলাইছিলো। যাবৰ পৰত বৰ্ণালী নাহিল। কাৰোবাৰ বাৰ্থডেলৈ গৈছিল। আইজনীয়ে মোৰ কোলাত উঠি গেটৰ কাষ পাইছিল। নমাই দিব খোজোতে আইজনীয়ে মোৰ ডিঙিত জোৰেৰে সাবটি ধৰি কৈছিল—তুমিহে সঘনাই আহিব নোৱাৰা। শান্তনু মামা সদায় আহি থাকে। আজিও মা আহি ওলাবহি শান্তনু মামাৰ বাইকৰে। সান্তনু মামা কোণ বুলি সুধিব খোজোতে চম্পাই দুৱাৰ মুখৰ পৰাই

চিঞৰিলে—আইজনী তুমি নামি আহা। ট্ৰেইন আহি পাবৰ সময় হৈছে। আইজনীয়ে মোৰ কোলাৰ পৰা নামি চম্পাৰ কাষ পাইছিল গৈ। মই বেগাই খোজ দিছিলো ষ্টেচনলৈ।

আজি ট্ৰেইনখন নিৰ্দিষ্ট সমতকৈ এক ঘণ্টা পলমকৈ আহিছে। নহ'লে সন্ধিয়া হোৱাৰ লগে লগে বৰ্ণালীহঁতৰ কোৱাৰ্টাৰ পালোহেঁতেন। কিন্তু এতিয়া মই গৈ পাওঁ মানে সাজ লাগি ভাঙিব। ট্ৰেইনৰ গতি মন্থৰ হৈছে। খিৰিকিৰে দেখা পালো বাহিৰৰ পৃথিৱীখন আন্ধাৰে আগুৰি ধৰিছে। ট্ৰেইনখন ৰৈ গ'ল মই নামি আহি খোজ ল'লো কোৱাৰ্টাৰ অভিমুখে।

লাহেকৈ গেটখন খুলি ভিতৰলৈ সোমাই গ'লো বাৰান্দাৰ লাইট অফ কৰা। আগফালৰ দুৱাৰত তলা লগোৱা। ভিতৰলৈ পুৰুষৰ কণ্ঠস্বৰ। মোৰ মনত সন্দেহ উৎকণ্ঠা। পিছফালৰ টিণৰ দুৱাৰখন আনে খুলিব নাজানে। আগফালৰ পৰা দুৱাৰখন খোলাৰ কায়দা মোৰ জনা আছে। লাহেকৈ দুৱাৰখন খুলি ভিতৰলৈ সোমাই গ'লো। বৰ্ণালী থকা কোঠাটোৰ দুৱাৰখন হুক নিদিয়াকৈ বন্ধ কৰা আছিল। মই সাজোৰে দুৱাৰখন ঠেলি দিয়াৰ লগে লগে যি দৃশ্য মোৰ দৃষ্টিগোচৰ হ'ল সেয়া মোৰ বাবে অসহ্যৰো অসহ্যকৰ। লাজ, ঘৃণা আৰু প্ৰতাৰণাৰ বেদনাই মোক উন্মাদপ্ৰায় কৰি তুলিছিল। খঙত মোৰ গাৰ নোম থিয় হৈছিল। পাৰিলে যেন দুয়োকে বিচনাৰ পৰা চোঁচৰাই আনি গচকি গচকি নিঃশেষ কৰি দিনম। মই দাঁত মুখ কামুৰি চোচা মাৰি ভিতৰলৈ ফালে আগবাঢ়ি যাবলৈ ধৰোতে কাণত পৰিল। সাৱধান আৰু এখোজ আগবাঢ়ি নাহিবা। কথা বেয়া হ'ব। বৰ্ণালীয়ে একেলগে চিঞৰি উঠিল'কাপুৰুষ' ভালে ভালে আঁতৰি যোৱা। এতিয়াৰ পৰা তোমাৰ লগত মোৰ কোনো সম্পৰ্ক নাই।'

নীৰৱে, নিচ্ছুপে ওলাই আহিছিলো। প্ৰাণৰ মমতাত নহয়। ঘৃণা আৰু প্ৰতাৰণাৰ বেদনাত। মোৰ বাকশক্তি যেন হেৰাই গৈছে, মনোবল লোপ পাইছে। শাৰীৰিক শক্তিৰো বিলোপ সাধন ঘটিছে। ঠৰক-বৰক খোজেৰে আগবাঢ়ি আহি দুৱাৰ মুখৰ গেটখন পাইছো। গেটখন খুলি চম্পা আৰু আইজনী আহিব ধৰিছে।

দেউতা তুমি আহিছা। কিমান যে ভাল লাগিছে। কেতিয়াবাই আহি পাইছা হ'বলা। বুজিছা দেউতা আজি মই স্কুল ফাংচনত দুটা প্ৰাইজ পাইছো—এয়া চোৱা।

আইজনীৰ মূৰত হাতখন থৈ দুগালত দুটি চুমা খাই মই বেগাই খোজ ল'লো। দেউতা, সোণকালে উভতি আহিবা। উভতি আহোতে মোৰ বাবে এপাত স্কেল লৈ আহিবা। ৰাতিপুৱা স্কেলপাত ভাঙি দুটুকুৰা হৈছে। তুমি তামোল খাবলৈ দোকানলৈ যাবা নহয় চম্পা বাইৰ বাবে এখন লৈ আহিবা। তুমি তৎক্ষণাত আহিবা। মই বাৰান্দাতে ৰৈ থাকিম। আইজনীয়ে একেৰাহে কোৱা কথা কেইষাৰ মোৰ কাণত ঠেহ ঠেহকৈ পৰিল চম্পাই হয়তো মোৰ খঙাল মুখখন দেখিয়েই সকলো বুজি পাই একো নামাতিলে। নহ'লে অন্যবাৰৰ দৰে আজিও সুধিলেহেঁতেন ছাৰ কেতিয়া আহি পালে ভালনে? অলপ ওলাই যায় নেকি? চম্পাই আইজনীক হাতত ধৰি খৰগতিৰে ভিতৰলৈ গ'ল। আইজনীয়ে পিছলৈ উভতি চালে নে নাই মই নাজানিলো মাত্ৰ কথাখিনিহে মোৰ কাণত বাজি থাকিল।

আইজনীৰ স্কেলপাত ভাঙি দুই টুকুৰা হৈছে। নতুন এপাত কিনি আনিলেই হ'ল। কিন্তু মোক যে আইজনীয়ে সঁচাকৈয়ে ভাবিছে মই দোকানলৈ যোৱা বুলি মই উভতি যোৱাৰ আশাত আইজনীয়ে বাৰান্দাত ৰৈ বাট চাই থাকিব। অধীৰ অপেক্ষাৰে বাট চাই চাই আইজনীয়ে ভাগৰি পৰিব। লগ পায়ো লগ হেৰুওৱাৰ বেদনাত আইজনীৰ কণমানি মনটোৰে উচুপি উঠিব আইজনীয়ে ভাবিব দেউতা ইমান নিষ্ঠুৰ। যদি আহিয়েই গুচি যায় তেনেহলে কিয় আহিছিল। কিমানদিন যে আজিনীয়েই দেউতাকৰ সান্নিধ্য লাভ কৰা নাই। আইজনীয়ে কান্দিব—গোটেই নিশা কান্দি থাকিব পাই হেৰুৱাৰ বেদনাৰে আইজনীয়ে হিয়া ঢাকুৰি কান্দিব আইজনী তোমাক কন্দুৱাবৰ বাবেই আহিছিলো নেকি মই?

আইজনী, তুমি স্কুল ফাংচনত দুটা প্ৰাইজ পাইছা আজি। কিমান ফুৰ্ত্তি কিমান আনন্দ। তোমাৰ বিজয় উল্লাসত আনন্দৰে প্ৰাণ খুলি হাঁহিলোহেঁতেন আজি। কিন্তু তোমাৰ সেই আনন্দ, সেই হাঁহি ময়েই ম্লান কৰি দিলো নেকি? আইজনী ময়ো এটি পুৰস্কাৰ পাইছো আজি সেই পুৰস্কাৰ হাত পাতি লৈ নীৰৱে উভতি আহিছো আজি কোনোৱা হোটেলত ৰাতিটো কটাই পুৱাই উভতি যাম আইজনী।





তোমাৰ কাষলৈ, এইটো কোৱাৰ্টাৰলৈ কোনোদিনে উভতি নাহিম কিজানি। ইয়ালৈ মই অহা পথ চিৰৰুদ্ধ।

আইজনী, মই নাহিলেও চম্পা আছে। চম্পাই তোমাক চাব, মৰম কৰিব, লগৰী হ'ব, চম্পাৰ অকৃত্ৰিম মৰমখিনিয়ে তুমি জীপাল হৈ থাকিবা। মই মাত্ৰ দূৰৰ পৰা তোমাক শুভাশীষ যাচিম।

ৰাতিটো হোটেলত ছট্ ফটাই কটালো। ভাঙি যোৱা সুখৰ সংসাৰখনৰ কথা চিন্তা কৰি মোৰ মনটোহে হাঁহাকৰ কৰি থাকিল। ভাল পোৱাৰ পৰিণাম, মৰমৰ প্ৰতিদান এয়াই নেকি? মানুহ ইমান বিশ্বাসঘাতক হ'ব পাৰে বুলি মই জীৱনত প্ৰথমত উপলব্ধি কৰিলো। বৰ্ণালী ইমান তললৈ নামি যাব পাৰে বুলি মই সপোনত ভবা নাছিলো। বৰ্ণালীৰ প্ৰতি ঘৃণা উপজিল। মই উভতি যোৱাৰ আশাত ৰৈ থকা আইজনীৰ ছবিখন মোৰ চকুৰ আগত ভাহি উঠাত মোৰ দুচকুৰে চকুলো বাগৰিছিল। পিতৃ-মাতৃৰ মৰমৰ পৰা বঞ্চিত হৈ জীৱন কটোৱা এজনী নিষ্পাপ, নিৰ্দোষী কণমানি ছোৱালীৰ ভৱিষ্যত কথা চিন্তা কৰি মোৰ মনটোৱে হাঁহাকাৰ কৰি উঠিছিল হোটেলৰ ল'ৰাটোৱে মাজতে আহি মোক সুধিছিল ছাৰ কিবা লাগিব নেকি?

কিবা মানে?

যেনে মদ ইত্যাদি?

আজিকালি বহুত হোটেলতে বহুতো বস্তু পোৱা যায়। মাত্ৰ টকাৰ দৰকাৰ ড্ৰিংক কৰি মনটো পাতলাবলৈ বৰ মন গৈছিল। কও নেকি তাক লাগিব বুলি। আজিলৈকে মুখত দিয়া নাই নিদিও। ড্ৰিংক কৰিলে মই হয়তো ক্ষন্তেক সময় দুখ বেদনা পাহৰিব পাৰিম। কিন্তু মোৰ যি হিয়াভৰা বেদনা সেই বেদনাৰ বোজা মইতো চিৰদিন বহন কৰিবই লাগিব। তাৰ পৰা নিস্তাৰ নাই। কাৰো লগত কেতিয়াও প্ৰকাশো কৰিব নোৱাৰিম। ই অব্যক্ত হৈয়ে ৰ'ব চিৰদিন।

আইজনীয়ে হয়তো এতিয়া চম্পাৰ কাষত কান্দি শুই আছে। হয়তো গভীৰ নিদ্ৰাত লালাকাল দি পৰিছে নিদ্ৰিত মোৰ কন্যাই হয়তো সপোন দেখি সাৰ পাই চিঞৰি উঠিব দেউতা। ফুটফুটীয়া ফ্ৰক এটাই মোৰ সন্মুখত নাচিব ধৰিছে। ফ্ৰকটো মোৰ কাষতে বেগটোৰ ভিতৰতে আছে। আইজনী, তোমাক পিন্ধাই দিম বুলি বৰ আশাৰে লৈ আহিছিলো। আইজনী, তোমালৈ বৰকৈ মনত পৰিছে। অবুজ চকুলো সৰি পৰিছে।

মই যেন এতিয়াই হোটেলৰ পৰা ওলাই গৈ আইজনীৰ কাষ পামগৈ। আইজনীৰ চুলিত আলফুলে হাত বুলাই দি কম 'আইজনী, তুমি শুই থাকা।' মৰমৰ পৰশত আইজনী আকৌ টোপনি যাব। সাৰ পাই মোৰ কাষলৈ কুচি মুচি আহিব। বুকুৰ মাজত সোমাই মোৰ দুগালত দুটি চুমা খাই আইজনীয়ে ক'ব—দেউতা, তুমি ইমান ভাল। চকুলোৰে গাৰুটো তিতি গৈছে, মোৰ বুকুৰ ভিতৰখনে তাল আফাল লগাইছে।

আইজনীয়ে কোৱা সেইজনে শান্তনু তেন্তে। বৰ্ণালীয়ে হয়তো এতিয়া শান্তনুৰ লগত....... মই আৰু ভাবিব নোৱাৰো। মূৰটো আচন্দাহ কৰিছে।

ঃ প্ৰেমৰ আনন্দ ক্ষণস্থায়ী, কিন্তু প্ৰেমৰ বেদনা চিৰস্থায়ী।"

—ৰবীন্দ্ৰনাথ ঠাকুৰ।

ঃ ভুলৰ বাবে আনক ক্ষমা কৰি দিবা। কিন্তু নিজকে কোনো দিন ক্ষমা নকৰিবা।

—ছআইৰাছ।

# হতাশা ঃ এক নীৰৱ যন্ত্ৰণা

জাহিৰ আব্বাছ
স্নাতক ষষ্ঠ ষান্মাসিক (কলা)
ৰাজনীতি বিজ্ঞান (গুৰু)

আজি কিছুদিনৰ পৰা তুমি অন্তহীনভাৱে কথা পাতি আছা মোৰ স'তে। অথচ কোনেও নাজানে তুমি কোন? কিয় জানো, মই মুখ ফুটাই ক'বও নোৱাৰো, সেয়েহে তোমাক গোপনেই ৰাখিব খুজিছো মনৰ নিৰ্জনতাত এৰা, এয়াই হতাশা। হতাশা কোনেও গম নোপোৱাকৈ জীৱনলৈ অহা এক যন্ত্ৰণা, য'ত ভিতৰি ভিতৰি সৰি পৰে মনৰ সৰৱ দিগন্ত, অন্তহীন পিয়াহৰ উৎকণ্ঠাত হেৰাই যায় তৃষ্ণাৰ উৎস। অধিক ৰ'দত পথাৰ পোৱাৰ দৰে, অধিক জাৰত ফল-ফুল ঠেৰেঙা লগাৰ দৰে অধিক দুখতো জীৱনৰ কোমল অনুভূতিবোৰ লেৰেলিশুকাই যায়। নামি আহে হতাশা। তেতিয়াই অপলক নেত্ৰে পৃথিৱীলৈ কোৱা হয় অৰ্থহীনভাৱে মই ক'ত আছো..... এয়াই মোৰ জীৱন নে?

বৰ্তমান আমাৰ সমাজত দেখা দিয়া আটাইতকৈ গুৰুত্বপূৰ্ণ সামাজিক সমস্যাটো হৈছে হাতাশা। বিশেষকৈ যুৱচামৰ মাজত। বৰ্তমান যুৱচামৰ এক অৰ্থ কলৈ যাম....কি কৰিম অৱস্থা। যাৰ পৰিণতিত আমাৰ অলক্ষিতেই গঢ়ি উঠিছে এক অসুস্থ বাতাৱৰণ। ফলত সংকিত হৈ উঠিছে সমাজৰ গতিশীলতা। কি ঘৰ কি বাহিৰ সকলোতে। যদি প্ৰশ্ন কৰা হয় হতাশাত ভোগা এই যুৱক যুৱতীসকল কাৰ সন্তান? আজিৰ শিশু কাইলৈ দেশৰ নাগৰিক বুলি কোৱা সকলৰেই নহয় জানো? কাকত আলোচনীতো এতিয়া মাথো যুৱ চাম সমালোচনাৰহে পাত্ৰ। কিন্তু বিশ্লেষণাত্মক দৃষ্টিভংগীৰে চালে দেখা যায় কোনেও উপযুক্ত শিক্ষা এটা লৈ কৰ্মসংস্থান নোপোৱাৰ বাবেই হওক বা বৰ্তমান অৰ্থনৈতিকভাৱে অগ্ৰসৰ সমাজ ব্যৱস্থাৰ লগত ফেৰ মাৰিব নাৱাৰিয়েই হওঁক যুৱচামৰ মাজত হতাশাগ্ৰস্ততাই দেখা দিছে। নিজৰ জেপ খৰচৰ বাবে প্ৰয়োজনীয় পইচাকেইটাও যদি শিক্ষিত বা নিবনুৱা যুৱক-যুৱতীয়ে অভিভাৱকৰ পৰাই ল'ব লগা হয় তেন্তে তেওঁৰ মানসিক অৱস্থা কি হ'ব পাৰে সেয়া কেৱল ভুক্তভোগীয়েহে জানে। বৰ্তমান পৰিস্থিতিত বিভিন্ন কাৰণত যুৱ চামৰ মাজত উদ্ৰেক হৈছে হতাশা। নিযুক্তিৰ ক্ষেত্ৰখনৰ পৰা আৰম্ভ কৰি ব্যৱসায়িক ক্ষেত্ৰখনলৈকে চাৰিওফালে পংকিলময় অৱস্থাই যুৱ চামৰ মাজত জন্ম দিছে হতাশাৰ । হতাশগ্ৰস্ত যুৱচামে সেয়ে দিকভ্ৰান্ত হৈ ভৰি দিছে কণ্টকময় পথত। ফলত একোটা পৰিয়াললৈ বা সমাজলৈ নামি আহিছে অমাৱস্যা। জন্মদাতা সন্তানক লৈ চিন্তিত অভিভাৱক কি হ'ব ইহঁতৰ ভৱিষ্যৎ এয়া এক মৌন সত্য। প্ৰকৃতাৰ্থত প্ৰত্যেকৰে জীৱন কিছুমান প্ৰাপ্তি অপ্ৰাপ্তিৰ সমষ্টি। পৃথিৱীত বিচৰা সকলো বস্তু বাস্তৱত পোৱাটো সম্ভৱ নহয়। গতিকে জানি-শুনিও, কিছু কাল্পনিকভাৱে হ'লেও অপ্ৰাপ্তিৰ মাজত এক আৱেগিক মায়াৰ জালত আমি নিজকে বন্দী কৰি আৱেগিক মায়াৰ জালত আমি নিজকে বন্দী কৰি মাথো ফলত চাকৰি এটাকেই জীৱনৰ শেষ মাপকাঠী বুলি ধৰি লৈ আমিবোৰ হতাশ হৈ পৰো। প্ৰকৃতাৰ্থত আমাৰ ভুল সেইখিনিতেই। লাহে লাহে এনে উত্তৰবিহীন জীৱনকেন্দ্ৰিক সমীকৰণ কিছুমান সমাধান কৰিবলৈ গৈ আমি পাৰ কৰিছো আমাৰ জীৱনৰ ছন্দোময় সময়। কিন্তু আমি বাৰু কেতিয়াবা ভাবি চাওঁনে কিয়নো দুখৰ সীমনাত ৰৈ ইমান সুন্দৰ জীৱন এটা অবাটে পৰিচালিত কৰো? কি নাই আমাৰ মাজত? ধৰি ল'লো চাৰিফালে অপ্ৰাপ্তি অপূৰ্ণতা। কিন্তু তাৰ মাজতেই আমি সন্ধান কৰিব লাগিব প্ৰাপ্তিৰ। আমি কেতিয়াও ভাবি নেচাওঁ আমাৰ প্ৰত্যেকৰে মাজত কিবা এটা আছে। সেই কিবাখিনি যদি কাৰ্যত পৰিণত কৰিব পাৰি তেন্তে প্ৰাপ্তিয়ে এদিন আমাৰ জীৱনত বৰপীৰা পাৰিবহি। জীৱন ঘড়ীৰ প্ৰতিটো কাল যদি আমি আজিৰ পৰাই সৎ ব্যৱহাৰ কৰো হতাশা কোনবাটে প্ৰৱেশ কৰিব আমাৰ মাজত? তাৰ বাবে যুৱচামৰ লাগিব মানসিক সাহস আৰু কৰ্ম সচেতনতা। কেৱল আমাৰ ভাগ্যত নাই আমাৰ ক'ৰ পৰা হ'ব ইত্যাদি টুলুঙা কথাৰে জীৱনটো জুখি ভগৱান বা আল্লাহকেই যদি সমস্ত দোষ জাপি দি বহি থকা যায় কোনেনো আমাৰ সন্মুখত টোপটো পেলাই দিবহি?

গতিকে সকলো যুৱক-যুৱতীয়ে সাধ্যানুসৰি কৰ্মসচেতন হ'লে কোনো মুহূৰ্ততে এনে ভাৱবোধে আমাক জুৰুলা কৰিব নোৱাৰিব। অৱশ্যে এই ক্ষেত্ৰত প্ৰয়োজন হ'ব জ্যেষ্ঠজনৰ গঠনমূলক দৃষ্টিভংগী আৰু এক পৰিকল্পিত সমাজ ব্যৱস্থা। যিহেতু আমাৰ মহান মনীষীসকলে বিফলতাৰ বুকুতেই ৰোপন কৰিছিল সফলতাৰ বীজ সেই পদাংককেই অনুকৰণ কৰি আমিও আগবাঢ়ি যাওঁ আহক য'ত বিফলতাৰ মাজতো বিচাৰিব পাৰো সফলতাৰ বতৰা।





# নিঃসংগতাৰ আবেলি

আবুল বাশ্বাৰ বদিউজ জামান
স্নাতক ষষ্ঠ ষান্মাসিক (বিজ্ঞান)

হঠাই কাৰোবাৰ মাতত মই বাস্তৱ জগতখনলৈ উভতি আহিলো। নৈৰ পাৰৰ এই নিৰ্জন ঠাই টুকুৰাত কিমান সময় অতিবাহিত কৰিলো একো উমানেই পোৱা নাছিলো। মূৰ তুলি চাই দেখো ৰুমি মোৰ নিচেই কাষত বহি আছিল।

অলপ সহজ হৈ তাইক সুধিলো—"তুমি কেতিয়া আহিলা?"

"অলপ সময় হ'ল, কিন্তু একান্ত মনেৰে কিবা চিন্তা কৰি থকা দেখি মাত লগাবলৈ অলপ ইতঃস্তবোধ কৰিছিলো"—ৰুমিয়ে উত্তৰ দিলে।

মই পুনৰ সুধিলো, "এই নিৰ্জন ৰাস্তাটোৰে তুমি কোনফালে যাবলৈ আহিছিলা?"

তাই স্বাভাৱসিদ্ধ মুখত মিচিকিয়া হাঁহিটোলৈ উত্তৰ দিলে, "মই আপোনাক লগ ধৰিবলৈকে আহিছো। মই আপোনাৰ ঘৰলৈ গৈছিলো কিন্তু বৰমায়ে আপুনি নাই বুলি ক'লে। আপোনাক ক'ত লগ পাম সুধিলত দেওবাৰে এইখন সময়ত এই ঠাইতে পাম বুলি ক'লে। সেইবাবে মই এই ঠাই পালোহি। কিন্তু মই এই সময়ত আহি আপোনাক আমনি কৰিছো যেন লাগিছে।"

"নাই, নাই, তেনেকৈ কিয় ভাবিছা। মই সদায় দেওবাৰে আবেলি এই ঠাইলৈ আহো, বাৰু কোৱা কি কাৰণত মোক লগ পাব বিচাৰিছিলা?" মই সুধিলো।

ৰুমিয়ে ক'লে, "আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনৰ বাবে আলোচনী সম্পাদকে মোক এটা গল্প লিখিবলৈ ক'লে। কিন্তু যোৱা পাঁচ দিন ধৰি মই গল্পৰ প্লট এটা বিচাৰি নাপালো। আপোনাৰ কথা মনলৈ আহোতে ভাবিলো আপুনি নিশ্চয় মোক সহায় কৰিব পাৰিব।

আৰু লগতে এটা বিশেষ কথা আছে। কিন্তু তাৰ আগতে যদি একান্ত গোপনীয় নহয় আপুনি ক'বনে এই জনশূন্য ঠাইলৈ আহিবলৈ কিয় ভাল পায়?"

মনটো নাজানো কিয় হঠাৎ আবেগেৰে ভৰি পৰিল। ক্ষন্তেক সময় ধৈৰ্য ধৰি ৰুমিক উত্তৰ দিলো, "মই আজিকালি সাহিত্য চৰ্চা কৰিবলৈ সম্পূৰ্ণৰূপে এৰি দিলো। যেতিয়া মই ৰিম্পিৰ লগত আছিলো নাজানো সদায় কিয় ৰোমাণ্টিক হৈ থাকিবলৈ মন গৈছিল। সেই যি ভাব মনলৈ আহিছিল সেই সকলোবোৰ উকা কাগজৰ মাজত আৱদ্ধ কৰি ৰাখিছিলো কিন্তু যেতিয়াই ৰিম্পিয়ে মোৰ হৃদয় শূন্য কৰি জীৱনৰ পৰা আঁতৰি গ'ল কলমটো তুলিবলৈ মোৰ মন নোযোৱা হ'ল। কিছু সময় আমাৰ মাজত নিঃস্তব্ধতা আহি পৰিছিল। নিৰৱতা ভংগ কৰি ৰুমিয়ে সুধিলে,—"কিন্তু ৰিম্পিয়োতো আপোনাক বহুত ভাল পাইছিল।"

মই কলো, "সেয়া মোৰ জীৱনৰ আটাইতকৈ ডাঙৰ ভুল আছিল। মই ৰিম্পিক চিনি পোৱাত ভুল কৰিছিলো। তাই মোক ভাল পোৱা নাছিল, পাইছিল মাথোঁ মোৰ নোটছবোৰক। যিবোৰে তাইক ফাৰ্ষ্ট ক্লাচ পোৱাত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল। কলেজৰ ৰিজাল্ট ওলোৱাৰ পাছৰ পৰা তাই মোক সম্পূৰ্ণৰূপে অৱহেলা কৰিছিল। এই কথা মই মৰ্মে মৰ্মে অনুভৱ কৰিছিলো যদিও তাইৰ বান্ধৱী শবনমে

যিদিনাখন ক'লে যে ৰিম্পিয়ে আন কোনোবা এজনক ভাল পায় সেইদিনাই প্ৰকৃত সত্য ওলাই পৰিছিল। জানা ৰুমি, একবিংশ শতিকাত প্ৰেম আৰু জীৱনৰ সংজ্ঞা দিয়াটো মোৰ দৰে বিজিত এজনৰ বাবে অত্যন্ত কঠিন হৈ পৰিল। জীৱন মানে—"কিছুমান আশা কৰা বস্তু হাতৰ পৰা হেৰাই যোৱা আৰু কিছুমান আশা নকৰা বস্তুৰ সন্মুখীন হোৱা। তোমাক যদি কোনোবাই ভাল পায় সেইটো তোমাৰ বাবে উপহাৰ। তুমি কাৰোবাক মৰম দিয়া যি তোমাক ভাল পায় সেইটো যেন এটা কৰ্তব্য। কিন্তু কোনো এজনৰ পৰা মৰম তুমি পোৱা যাক তুমি ভালপোৱা সেইটোৱেই জীৱন।"

মোৰ জীৱনত সকলো ঘটনা ওলট পালট হ'ল। এয়ে মোৰ কাহিনী। মনত যেতিয়াই মই অস্থিৰতা অনুভৱ কৰো মই এই নিৰিবিলি ঠাইডোখৰলৈ আহি মনটো শান্ত কৰিবলৈ চেষ্টা কৰো। গতিকে মই তোমাক দুখেৰে জনাও যে এই মুহূৰ্তত গল্প সম্বন্ধে তোমাক অলপো সহায় কৰিব নোৱাৰো।

ৰুমিয়ে ক'লে, "নাই, নাই, নালাগে। পাঁচ দিনৰ মূৰত আজি ভাল গল্পৰ প্লট বিচাৰি পালো। ইয়াতকৈ ভাল গল্প আৰু একো হ'ব নোৱাৰে।"

"ঘৰলৈ যাও ব'লা।" মই ক'লো।

ঘৰলৈ দুয়ো উভতি আহোতে মই মোৰ হাতত স্পৰ্শ অনুভৱ কৰি দেখো মোৰ হাতৰ আঙুলিকেইটা ৰুমিৰ আঙুলিৰ মাজত আৱদ্ধ হৈ পৰিছে। তাই মোলৈ চাই প্ৰশ্ন কৰিলে, "আপুনি ৰিম্পিক ভালপোৱাৰ দৰে আপোনাক যদি অন্য কোনোবাই সঁচা প্ৰেম কৰে আৰু আপোনাৰ জীৱন সংগিনী হ'ব বিচাৰে? তেতিয়া আপুনি কি ক'ব?"

মই কেৱল নিশ্চুপ হৈ থাকিলো। সন্ধিয়াৰ বেলিৰ হেঙুলীয়া কিৰণে মোৰ মন আকাশৰ কলা ডাৱৰ আঁতৰাই ফৰকাল কৰি পেলালে।

ঃ এশজন শিক্ষকে কৰিব নোৱাৰা কাম এগৰাকী আদৰ্শ মাতৃয়ে অকলেও কৰিব পাৰে।"

—জৰ্ড হাবাৰ্ট।

ঃ নিজক বুজিব নোৱাৰাজনে আন একোৱেই বুজিব নোৱাৰে।"

—আইনষ্টাইন।

ঃ বিজ্ঞান এক কৃত্ৰিম সমাজ, যত সমাজৰ মঙ্গলজনক আৰু গুৰুত্বপূৰ্ণ দিশটোহে প্ৰতিফলিত হয়।

—পাৰ্চিয়ান





# প্ৰতীক্ষা

ছফিউৰ ৰহমান
স্নাতক ষষ্ঠ ষান্মাসিক

"ককাই মই যদি এই মুহূৰ্তত মৰি যাওঁ তেনেহ'লে বাৰু কি হ'ব।" সমীৰণে একোকে নক'লে মাথোন সাধনাৰ ফালে একে থৰে চাই ৰ'ল। সমীৰণে ভালদৰে জানে চমতাৰ অকণমানি ভন্টিজনী লানি নিছিগা প্ৰশ্ন সুধি কোলাতে মূৰটো থৈ কান্দিব। সঁচাকৈ সাধনাই ককায়েকৰ কোলাত মূৰ গুজি উচুপি উচুপি গভীৰ নিদ্ৰা গৈছিল।

সমীৰণ আৰু সাধনা ভাই-ভনী; অথচ, ইজনে সিজনৰ বাবে বন্ধুতুল্য। সাধনাৰ অন্তৰত সমীৰণৰ বাবে অশেষ শ্ৰদ্ধা আৰু বিশ্বাস। তাইৰ জীৱনৰ লক্ষ্যৰ একমাত্ৰ সাৰথিয়ে হ'ল ককায়েক সমীৰণ। সমীৰণে সৰুৰে পৰাই সাধনাক বৰ মৰম কৰিছিল। অফিচৰ কামত ব্যস্ত মা-দেউতাৰ অবৰ্ত্তমানে সাধুকথা কৈ সাধনাক চকুৰ ওচৰত ৰাখিছিল।

জাতীয় অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জপিয়াই পৰা বাবে সমীৰণে এদিন আদৰৰ কণমানি ভনীজনীক এৰি থৈ অন্তৰ্ধান হ'ল। সাধনাই হিয়া ধাকুৰী কান্দিছিল।

সাধনাই নিতৌ আবেলি পৰত ককায়েকৰ লগত ওমলা নদীৰ পাৰলৈ যায়। ককায়েকৰ বাবে প্ৰতীক্ষা কৰে; তাইৰ দৃঢ় বিশ্বাস সমীৰণদা এদিন উভতি আহিব। তাইক বুকুৰ মাজত সাবটি লৈ সাধুকথা ক'ব।

এদিনাখনৰ কথা এজন ল'ৰাই তাইক লক্ষ্য কৰিলে। তাই যোৱা বাটেদি ল'ৰাজনো পিছে পিছে গ'ল। তাই নদীৰ পৰাত লেবেজান হৈ বহি ককায়েকৰ কথাকে ভাবিবলৈ ধৰিলে। ক'ব নাৱাৰকৈ তাই ফেকুৰি ফেকুৰি কান্দিছিল, ল'ৰাজনে তাইৰ কান্দোনৰ কাৰণ জানিব বিচাৰিলে। শোকত বিহুল সাধনাই তাইৰ অতীতৰ সকলোবোৰ কথা বিৱৰি ক'লে। কথাবোৰ শুনি ল'ৰাজন তাইৰ ফালে ভেবা লাগি চাই ৰ'ল। সাধনাই ক'ব নোৱাৰাকৈ ল'ৰাজনৰ বুকুত মূৰ গুজি কান্দিব ধৰিলে। তেওঁ সাধনাক মাথো উপদেশ দিছিল। সৰুতে এইবোৰ উপদেশ তাইৰ সমীৰণদাই দিছিল। তোমাক মই মাৰিব নিদিওঁ। সাধনাৰ বুজিবলৈ নাথাকিল যে এইজনেই তাইৰ মৰমৰ সমীৰণ দা।।

⇨ শিক্ষাই হৈছে মূল উপায়, যি মানৱ জীৱনৰ সুখ শান্তিৰ নিজৰা বোৱাই আনিব পাৰে।

—এৰিষ্টটল।

# কবিতা কানন







## নৱজ্যোতিৰ আলোকময় যাত্ৰাত

ধ্ৰুৱজ্যোতি দাস
সহকাৰী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

ৰৌদ্ৰজ্বল যৌৱনৰ সেউজীয়া উপত্যকাৰ উপকণ্ঠত
মই তোমাৰ প্ৰান্তৰ নতুন পদাতিক,
কলগাছিয়া,
তুমি মোৰ নতুন জীৱনৰ ঠিকনা
তোমাৰ বুকুৰ চাপৰিত মানিব খুজিছো
কৃষ্ণচুড়াৰ ৰঙীন স্বপ্ন
আমগুৰি গুনিয়ালগুৰি
দেউকুৰাৰ পৰা বামুনটাৰী
বলাইপাথাৰৰ পৰা বালাৰ পাথাৰ
চহা জীৱনৰ পলস বিচাৰি মই
তোমাৰ প্ৰান্তৰ নতুন পথিক,

কলগাছিয়া,
তুমি মোৰ নতুন জীৱনৰ ঠিকনা
নৈপৰীয়া বতাহ জাকত আজানৰ সুৰে সুৰে
মই বিচাৰি ফুৰিছোঁ
তোমাৰ চাপৰিৰ শইচ-সুগন্ধি কামনা

কলগাছিয়া,
তুমি মোৰ নতুন জীৱনৰ ঠিকনা
নৱজ্যোতিৰ আলোকময় যাত্ৰাত সহযাত্ৰী হৈ
ন-পোহৰৰ নতুন আশালৈ
জ্বলাব খুজিছোঁ নতুন দিনৰ প্ৰগতিময়ী বন্তি।।



## সমতা

ৰেজিয়া ছুলতানা
স্নাতক চতুৰ্থ ষান্মাসিক (কলা)

নাৰী আৰু পুৰুষৰ আছে সমান অধিকাৰ,
দুয়োয়েই হয় সন্তান এই ধৰাৰ।
জ্ঞান, বুদ্ধি আৰু সন্মান,
বিদ্যাৰ বলতেই পাব পাৰে জগতত মান।।
নাৰী পুৰুষ দুয়ো ভাৰতৰে সন্তান,
দুয়োজনায় ৰাখিব পাৰে দেশৰ সন্মান।
নাৰীক উপযুক্ত শিক্ষা দিব,
তেহে সমাজৰ প্ৰগতি হ'ব।।

জন্ম দিয়াই নহয় কেৱল নাৰীৰ কাম,
নাৰীয়েও ৰাখিব পাৰে বংশৰ নাম।
মাদাৰ টেৰেছাৰ মৰম।
ৰেজিয়া ছুলতানাৰ শাসন
লক্ষ্মীবাই, ইন্দিৰা, মমতা, সুষমা, পাটিল
শিক্ষাই তেওঁলোকক কৰিছে উজ্জ্বল।।

নৰেই নহয় নাৰীয়েও তৰায়,
যদিহে উপযুক্ত লিখা-পঢ়া কৰায়।
নাৰীক কৰিছে অত্যাচাৰ কৰিছে নিৰ্যাতন,
অনেক তাৰ উদাহৰণ।।

নাৰীক কৰিছে অৱহেলা, অবজ্ঞা,
প্ৰতিবাদৰ নাই কোনো সংজ্ঞা।

নাৰী গুৰুত্বক স্বীকাৰ কৰি,
আহোঁ আমি সকলোৱে মিলিজুলি,
যাওঁ শান্তিৰে আগবাঢ়ি,
দেশৰ উন্নতিলৈ খোজ তুলি.....

# মা, তোমালৈ......

আফলুজা বেগম
স্নাতক ষষ্ঠ ষান্মাসিক (বিজ্ঞান)



মোৰ মগজুত Physicsৰ পোক,
মোৰ তেজত Mathematicsৰ পৰুৱা,
মোৰ দেহত Chemistryৰ এলাৰ্জি।
কিমান আৰু পঢ়ি থাকিম মা,
নিউটন, আৰ্কিমিডিছৰ সূত্ৰ,
ছাই থিটা বাই ক'ছ থিটা
ইকুৱেলটু টান থিটা।
কিমান আৰু পঢ়ি থাকিম,
হাইড্ৰ'জেন, হিলিয়াম, কাৰ্বন, মিথেন ইত্যাদি ইত্যাদি...
এইবোৰ একোতে চোন ৰং নাই মা।
নাই আকাশ, ফুল.........
নাই নদী, পাহাৰ, কিম্বা জোন.....
কেৱল কনচেপ্ট, থিয়ৰি, এম্বিচন,
কেৱল কেৰিয়াৰ, কম্পিটিচন।
ভাল নালাগে মা মোৰ এইবোৰ।
মা তুমি নাজানা, মাজৰাতি মই সাৰ পাই
খিৰিকীখন খুলি গণি থাকো আকাশৰ তৰা।
কেমেৰাটো লৈ ফটো তুলিব খোজো জোনাকী পৰুৱাৰ।
আৱদ্ধ কৰিব বিচাৰো
নিৰ্জন ৰাতিৰ নিস্তব্ধতা ভঙা জিলিৰ উচুপনি।
মই কাণ পাতি শুনি থাকো দূৰৈৰ ষ্টেচনৰ পৰা ভাহি অহা
ট্ৰেইনৰ দীঘলীয়া উকি।
মা, পৃথিৱীখন মই বিচৰা ধৰণৰ কিয় নহয়?
মা, কিয় কোৱা মোক বাৰে বাৰে পঢ়, পঢ়, পঢ়....
দিল্লী, বেংলুৰ, অক্সফোৰ্ড ইত্যাদি ইত্যাদি.....
কিয় মা মোক লৈ ঘৰখনৰ ইমান দৰ দাম....??
এই পৃথিৱী মোৰ বাবে এখন মাৰ্কশ্বিট।
কিছু নম্বৰ গ্ৰেড, চাকৰি, কোট-টাই....
মা মই বিচৰা পৃথিৱীখন ঢুকি নাপাওঁ,
কিছু ৰ'দ, এজাক বতাহ, মন গ'লে বৰষুণত তিতা...।
স্বপ্নীলতকৈ মোৰ মেধা কম নহয় মা,
ডেইজীতকৈ মোৰ বুজাৰ সক্ষমতা অধিক।
সিহঁতে জানে থিয়ৰি অৱ ইভলুশ্যন,
মই জানো আইনষ্টাইন, ডাৰউইনৰ
বিস্তৃত বিশাল জীৱন।
তথাপি পৰীক্ষাত মোৰ নম্বৰ কম।
শিক্ষকৰ ঠাট্টা আৰু ককৰ্থনাবোৰ
মোৰ ফালেই উফৰি আহে।
মোৰ Home assignment reportত তেওঁলোকে লিখি
দিয়ে............
চেষ্টা কৰিব লাগিব, আৰু চেষ্টা কৰিব লাগিব।
কিন্তু মোৰ সনমনীয়াবোৰৰ......??
Excelent, Outstanding ইত্যাদি, ইত্যাদি।
মই কিহত কম মা.....??
কিয় মোক নুবুজি খং কৰা.....??
কেৰিয়াৰৰ জখলাত কিয় মই সৰি পাৰো বাৰে বাৰে...??





# বসন্তৰ আনন্দ-বেদনা

ৰাশ্বিবুল আহমেদ
স্নাতক দ্বিতীয় ষান্মাসিক



শীতৰ কুঁৱলী ফালি আগমন হ'ল,
যাৰ পৰশত প্ৰাণ পাই উঠে চৌপাশ;
জাৰৰ উমাল আনন্দ গাত মেৰিয়াই
এডেও-দুডেওকৈ আহিছো তাৰে হাতত ধৰি—
সেয়া জানো নহয় বসন্ত?

কিদৰে পাতবোৰ লাগে, পুৰঠ হয়
আৰু সৰি পৰে,
তিনিটি ঋতুৰ মাজেদি আমি যেন
অপেক্ষা কৰোঁ সেই চক্ৰ
বসন্তই সোঁৱৰাই দিয়ে—
সৰাপাতৰ নিজা অস্তিত্ব
কুঁহিপাতৰ জীৱনগাঁথা
কবিৰ হেৰুৱা ব্যাথা।

শব্দবোৰৰ মাজত নিজকে বিচাৰি নাপালে
মই ওৰ্ডছৱৰ্থৰ দেশলৈ যাওঁ
সুগন্ধি পখিলাবোৰ বিচাৰি পাওঁ

ক'ৰ এছাটি মলয়া বতাহে
মোৰ বিষয়বস্তু উৰুৱাই লৈ যায়—
সৰাপাত!

ক'ৰ এজাক সপোন যেন বৰষুণ
মোৰ প্ৰেৰণাৰ উৎসক ধুই থৈ যায়—
কুঁহিকোমল পাত!

প্ৰাণোচ্ছল যৌৱনৰ হেৰুৱা বসন্তবোৰ
তোমাক কিদৰে আদৰো—

বুজাবলৈ উপমা নাই
উপমাৰ ভাষা নাই
ভাষাৰ শব্দই বা ক'ত—!



## জীৱন কি?

হাফিজুৰ ৰহমান
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

জীৱন নো কি?
জীৱন এক অনুভৱ
ভাবোতে ভাবোতে যায় পাৰ হই,
জীৱন হয়তো এনেকুৱাই।

শৃংখলাৰ মাজত বিশৃংখল
আশাৰ আঁৰে আঁৰে
নিৰাশাৰ জ্বালা।

কোনোবাই কটাইছে
নদী নলাৰ কাষত
কোনোবাই কটাইছে
(সুউচ্চ দালানত) নগৰ চহৰত

কোনোবাই আনন্দত
কোনোবাই কান্দিছে দুঃখত
জীৱনটো ঠিক এনেকুৱাই
এক বিশেষ অনুভৱ।

জীৱনত আহে কেতিয়াবা
আশাৰ ৰঙীণ কল্পনা
নিমিষতে হৈ যায়
মিছা মৰিচিকা।
জীৱননো কি?

জীৱন হয়তো এনেকুৱাই।
কোনোবাই কটাইছে পগলাবেশত
কোনোবাই আকৌ ৰজাৰ ৰূপত
জীৱন হয়তো এনেকুৱাই
এক বিশেষ অনুভৱ।

## স্মৃতিৰ জাগৰণ

জেছমিনা নাছৰিন হক
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

সাজিছিল ছাহজাহানে তাজমহল
মমতাজৰ প্ৰেম যুগমীয়া কৰি ৰাখিবলৈ।
আৰেগ আছিল বুলিয়েই সাজিছিল ৰুদ্ৰ সিংহই
জয়সাগৰত পুখুৰী আৰু জয়দৌল
মাতৃৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ।
সাজিছিল কুতুবমিনাৰ কুতুবুদ্দিনে
যুগে যুগে আহিব তাক চাবলৈ পৰ্যটকে।
পুনৰ সাজিছিল কামাখ্যা মন্দিৰ নৰনাৰায়ণে
শাক্তধৰ্মী প্ৰজাক প্ৰেৰণা যোগাবলৈ।
দেশৰ কাৰণে দিছিল জীৱন মণিৰাম দেৱানে
তাৰ প্ৰমাণ পোৱা যায় ইতিহাসৰ পাত লুটিয়ালে।
আমাৰ বাৰু নাইনে প্ৰেম ভালপোৱা?
নাযায়নে মন কোনো কীৰ্তিস্তম্ভ সাজিবলৈ?
নাযায়নে মন ইতিহাস ৰচিবলৈ?
যাৰ বাবে মিতব্যয়ি কৰিব লাগিব প্ৰাচুৰ্য ধন
সকলো নাগৰিকৰে হ'ব লাগিব মধুৰ মিলন।







## বিদায়

মহিদুল ইছলাম
স্নাতক ষষ্ঠ ষান্মাসিক (বিজ্ঞান)

হে নৱজ্যোতি, জ্ঞানৰ আলয়
তুমি মোক বিদায় দিয়া
ক্ষন্তেকৰ বাবে আহিছিলোঁ তোমাৰ বুকুলৈ
তোমাৰ যৌৱন সৌন্দৰ্যই
মোক কৰিছিল প্ৰেমত বলিয়া।

তোমাৰ বুকুত নিজকে বিলীন কৰি
আৰ্জিলো অনেক জ্ঞান
বিদায় বেলাও দিব নোৱাৰিলোঁ
তোমাক একো প্ৰতিদান।

বিদায় এক যন্ত্ৰণাৰ মুহূৰ্ত
তথাপিও তোমাক এৰিবই লাগিব
তোমাৰ জ্যোতিৰে আলোকিত হ'ল
ক'ত জনৰ জীৱন
বুকু উজাৰ কৰি দিয়া মোক আশীৰ্বাদ
দিয়া মোক শেষ বিদায়
মোৰ বিদায় বেলাত।





## প্ৰতাৰণা

ৰৌছানাৰা খাটুন
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

আজি তুমি কাৰোবাৰ মৰমত
কাৰোবাৰ বাহু বন্ধনত
নিজকে পাহৰি গ'লা?

কিন্তু ময়ো যে এদিন আছিলোঁ তোমাৰ
কিয় পাহৰি গ'লা?
মন ভাঙি দিয়া কামটো সহজ
কিন্তু ভঙা মনটো গঢ়িবলৈ হে টান
তোমাৰ জীৱনৰ সুখ দুখ হাঁহি
সকলো যে আছিলো এদিন মই
সেইবোৰ জানো পাহৰি গ'লা?
ক্ষন্তেকীয়া সুখত

নিজকে পাহৰিলা
নিজৰ মনক কৰিবা প্ৰশ্ন
ভাল পোৱা কাক কয়?
মই কৰিলো কিয় প্ৰতাৰণা?
নিজৰ মনক প্ৰশ্ন কৰিবা
কিয় কৰিলা প্ৰতাৰণা.........
প্ৰতাৰণা................



# নিসংগতাৰ বেদনা

বিবি খোদেজা খাতুন
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)

সিদিনাৰ সেই সন্ধিক্ষণত
অভিমান কিয় কৰিছিলা তুমি?
অচিনাকী বাটৰুৱাৰ দৰে
পলাইছিলা তুমি
কোনটো বাটত..........?
কিয় পাহৰিছিলা জনাবলৈ
মোক এটি স্বাগতম,
সিদিনাৰ সেই সন্ধিক্ষণত।
কিয় কৰিছিলা অভিমান?
কিনো আৱেগ তোমাৰ?
এৰি থৈ গলা যে মোক,
নিঃসংগতাৰ বেদনাত।
কিনো মোৰ অপৰাধ!
নাইনে তাৰ প্ৰতিকাৰ।
আবেগৰ চকুলোৰে যে,
ভৰাই দিলা মোৰ প্ৰাণ।
নাজানানে বাৰু তুমি,
মোৰ কোমল হৃদয়ে,
সহিব নোৱাৰে,.........!
মাথো এমুঠি শান্তিৰ বাবে।
থাকিব বিচাৰো মই,
সদায়ে তোমাৰে সৈতে.....।



# প্ৰেম

নুৰ আলম খান (জিছম)
স্নাতক দ্বিতীয় ষাণ্মাসিক (বিজ্ঞান)

জানো মই, তুমি মোৰ মন ভাঙি দিবা।
তথাপিও তোমাক মন দিছো, মই
এবাৰ মনত কৰিবানে?
তোমাৰ বাবে মন মোৰ বিসৰ্জন দিছো
জানো মই! তুমি মোক ধ্বংস কৰিবা
তথাপিও মই তোমাক ভাল পাওঁ
তুমি এৰি যাবা এদিন মোক পেলাই থৈ
তথাপিও তোমাৰ বাবে জীৱনটো মোৰ উৎসৰ্গা কৰিছোঁ
তোমাক ভালপাই দুখ পাম,
জানিও তোমাক ভাল পাওঁ
মই যিমান দুখ, কষ্ট নকৰো কিয়......
তুমি তাৰ পৰা আঁতৰ নকৰা জানো..........
মোৰ আত্মা তোমাৰ মৰমৰ বাবে জীয়াই আছে
মই তোমাৰ প্ৰেমত মগ্ন
এবাৰ মনত কৰিবানে তুমি?
কৰিবানে..........................।





# জীৱন

তাছলিমা নাছৰিন
স্নাতক চতুৰ্থ ষাণ্মাসিক (বিজ্ঞান)

অতি মৰমৰ সকলোৰে জীৱন
সুখ-দুখেৰে ভৰা,
এন্ধাৰ ৰাতি যেনেকৈ ফুৰে
চিক্‌মিক্ জোনাকী পৰুৱা।
সকলোৰে জীৱনত ৰৈ থাকে
বহুত সুখ দুখ,
দুখীয়াৰ জীৱনত ৰৈ থাকে
কেৱল দুখ হে দুখ।
গৌৰৱ নকৰিবা কোনেও এই জীৱনত
আমাৰ জীৱন ক্ষন্তেকৰ বাবে,
জীয়াই থাকিব নোৱাৰিব কোনেও
এই পৃথিৱীৰ তাপে।
জন্মৰ পৰা আৰব্ধ কৰিছে
মৰমৰ এই মায়া,
শেষ নিশ্বাস ওলাই গ'লেই
ৰৈ থাকে ছায়া।





# স্মৃতিৰ বৰষুণত নিতিতিবা

দিলৰাৱা আহমেদ
স্নাতক দ্বিতীয় ষাণ্মাসিক (কলা)

হৃদয়ৰ তাগিদাত আকৌ উভতি নাহিবা
মৰমৰ ঠিকনা বিচাৰি।
প্ৰতিশ্ৰুতিৰ একুৰিয়ামত বন্দী কৰিব নুখুজিবা
আমাৰ সম্পৰ্কক।
জোনলৈ নাচাবা
জোনাকে তোমালৈ ছটিয়াব
দুখৰ কনিকা।
পাহৰি যোৱা মোৰ অস্তিত্ব
বন্ধ কৰি থোৱা প্ৰেমৰ ইতিহাস।
হৃদয়ক আপোন নকৰিবা
খুলি নাৰাখিবা তোমাৰ মনৰ খিৰিকী
সকলো বুজিও তুমি মোক নুসুধিবা
কিয় আঁতৰি গ'লা বুলি?
মোৰে শপত, আবদাৰ নকৰিবা ভালপোৱা
স্মৃতিৰ বৰষুণত নিতিতিবা।



## ভাষাহীন কবিতা

ইমৰান আলী
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

কবিতা লিখো বুলি
এখিলা কাগজ আৰু
এটা কলম লৈ
খিৰিকিৰ কাষত বহিলো।

আধাখিনি লিখাৰ পাছত.....
হঠাৎ খিৰিকিৰে সুমুৱাই অহা
মলয়া বতাহে মোক চুমি গ'ল,
বুজিব নোৱাৰিলো,
বতাহ জাকে মোক কিবা বতৰা দি গ'ল....
নে আহিম কিবা......।

চাওঁ খিৰিকিখন বন্ধ কৰি লওঁ........!
এনেতে তোমাৰ ছবি.....
মোৰ চকুৰ আগত ভাহি উঠিল।
সেই মিচিকীয়া হাঁহি,
সাগৰৰ তৰংগৰ
দৰে চুলি কোচা

লতা সদৃশ আঙুলীবোৰ
মনত পৰিল আৰু কিবাকিবি
আপোন পাহৰা হৈ লিখিলো
এটা কবিতা
যি কবিতাই নেজানে কোনো ভাষা

## শান্তিৰ সমল

মুস্তাফিজুৰ ৰহমান
স্নাতক দ্বিতীয় ষান্মাসিক (কলা

হেৰৌ কুৰি শতিকা গৰকা
একৈশ শতিকাত পদাৰ্পণ কৰা
স্ৰষ্টাৰ সৃষ্টিৰ শ্ৰেষ্ঠৰ শ্ৰেষ্ঠত্ব বিশেষণধাৰী
ডেকা-ডেকেৰী তথা মানৱ মণ্ডলী,
কৰিছানে এবাৰো মন,
তোমাৰ গাত আছে উক্ত বিশেষণ
নহ'লে তুমি;
কেৱল তোমাৰ শান্তিৰ হকে
পৰিয়াল পৰিজন সমন্বিতে
নাশিলা সকলোকে।
এয়া হ'ল জানো শান্তিকামী,
পাহৰিলা কিয়—
সহস্ৰ আন্দোলন
নহয় কদাপি শান্তিৰ কাৰণ
দিছো সকিয়াই,
গ্ৰহণ কৰিবা ধিয়াই
গুলি বাৰুদৰ প্ৰতিযোগিতাই
শান্তিক বিতাড়িত কৰি
কেৱল অশান্তিহে বিয়পায়।
হিংসাৰে হিংসাৰ নিবৃত্তি
নহয় কেতিয়াও।
শান্তিকামী
শান্তিৰ বাটেৰে
'মানুহ' শব্দৰ কৰা অন্বেষণ
তাতেই বই আছে তোমাৰ—
শ্ৰেষ্ঠত্ব বিশেষণ।
টিক্ টিক্ টিক্ কৰি
সময়বোৰ গৈছে উৰি
উক্ত বিশেষণৰ আঁত ধৰি
হোৱা অগ্ৰগামী।
বিচাৰি ইয়াৰ গুৰি,
শান্তিৰ প্ৰসস্থ বাটেৰে
যোৱা আগুৱাই
মহা শান্তি প্ৰতিষ্ঠা
হ'বই নিশ্চয়
হ'বই নিশ্চয়.....।







## মানুহক মানুহে কিয় নেদেখুওৱা সঠিক পথ

আমিৰুল ইছলাম
স্নাতক দ্বিতীয় ষান্মাসিক (কলা)

হে মানৱ জাতি,—
মানুহক কিয় নেদেখুওৱা সঠিক পথ
মানুহক সঠিক পথ দেখুৱাবলৈ তোমাৰ নো হয় কি ক্ষতি?



হে মানৱ জাতি,—
তোমালোকে যদি নেদেখুওৱা সঠিক পথ
তেনেহ'লে কোনে দেখুওৱাব?
সঠিক পথ দেখুওৱালে উন্নতি হ'ব মানুহৰ
সঠিক পথ দেখুওৱালে উন্নতি হ'ব সমাজ আৰু ৰাষ্ট্ৰৰ
সকলোৰে গঢ়িব উজ্জ্বল ভৱিষ্যৎ
কোনো বস্তু, টকা-পইছাৰ কাৰণে কাৰো ওচৰত হাত পাতিব নালাগে
সাৰ্থক হ'ব তোমালোকৰ পৰিশ্ৰম
তোমালোকৰ হ'ব সুনাম
তোমালোকে থাকিবা মহাত্মা গান্ধীৰ নিচিনা অমৰ হৈ
মানুহক দেখুওৱালে সঠিক পথ বেয়া পথত কেতিয়াও নহ'ব পৰিচালিত।

হে মানৱ জাতি,—
সতৰ্কবান ব্যক্তিসকলে দিয়া মানুহক বেছি বেছিকৈ দি থকা উৎসা-উদ্দীপনা
এইবোৰ উৎসা-উদ্দীপনা দিলেনো হয় কি ক্ষতি?
এইবোৰ উৎসা-উদ্দীপনা দিলে লাগেনে কোনো টকা-পইছা
তেনেহ'লে মানুহক কিয় নিদিয়া উৎসা-উদ্দীপনা?
কেতিয়াবা তুমি সমাজত বসবাস কৰা দুখীয়াৰ কথা কেতিয়াবা ভাবিছানে?
যদি ভৱা নাই, এতিয়াও ভাবিবলৈ যত্ন কৰা;

হে মানৱ জাতি—
তোমালোক হৈছিলা ডাঙৰ
সমাজত বসবাস কৰা সকলৰ নাই কোনো খবৰ,
তেওঁলোকৰ জীৱনৰ কি নো লক্ষ্য-উদ্দেশ্য
তোমালোকে এবাৰত নুসুধিলা;
তোমালোকে নল'লা এবাৰও খবৰ
তোমালোকৰ সময় নাই, তেওঁলোকক উৎসা-উদ্দীপনা দিবলৈ
তোমালোকৰ সময় নাই, সঠিক পথ দেখুওৱাবলৈ।

হে মানৱ জাতি,—
সমাজত দিখিছোঁ, কিছুমান মানুহ
তোমালোক হৈছিলা ডাঙৰ, কিন্তু নকৰিলা সমাজৰ উন্নতি
যদি তোমালোকে সমাজত সৎ উপদেশ দিয়া
যদি উৎসা-উদ্দীপনা, বুদ্ধি, পৰামৰ্শ আৰু দিয়া পৰিশ্ৰম
যদি দিয়া অলপ সাহায্য হ'ব মানৱ সমাজৰ, ৰাষ্ট্ৰৰ মংগল।

হে মানৱ জাতি,—
আঁহা এতিয়াও আগবাঢ়ি এতিয়াও বহুতো সময় আছে
যদি আগবাঢ়ি আঁহা
সজাগ হোৱা সমাজত বসবাস কৰা ধৰ্ম নিৰ্বিশেষে সকলো মানুহ
যদিও কৰিছে কিছুমান মানুহে সমাজৰ উন্নতি
এই বৃহৎ সমাজৰ উন্নতি অকলে নো কিমান কৰিব,
আঁহা আমি সকলোৱে কৰোঁ জাতিৰ মেৰুদণ্ডৰ উন্নতি
সমাজত বসবাস কৰা মানুহ যদি হয় সুশিক্ষিত
তেওঁলোকে কেতিয়াও নহয় নিবনুৱা।



হে মানৱ জাতি,—
দেখিলোঁ কিমান যে মানুহ, কিছুমানে চলিছে ভালদৰেই
কিছুমান মানুহক সঠিক পথ নেদেখুওৱাৰ ফল হৈছে বিপথগামী
বিপথত পৰিচালিত হোৱা মানুহজন চাৰি-পাঁচ দিন অনাহাৰে থাকিলেও
তথাপিও কোনেও কোনেও নলয় তেওঁৰ খবৰ
এয়াই জানো মানুহৰ অৱদান?

হে মানৱ জাতি,—
মানুহে কিয় নেদেখুওৱাই সঠিক পথ
ইয়াৰ মূল কাৰণ হৈছে হিংসা আৰু চকু চৰহা
কিছুমান মানুহে ভাৱে যে মই নিজে সুখ-শান্তিত থাকিলেই ভাল
তেওঁলোকে হয় স্বাৰ্থপৰ, নাভাৱে আনৰ সুখ-শান্তিৰ কথা।

হে মানৱ জাতি,—
শুনিছিলোঁ কিছুমান বিখ্যাত মানুহবোৰৰ নাম
ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা আৰু আনন্দৰাম বৰুৱা
তেওঁলোকে মানৱ সমাজত আজিও অমৰ হৈ আছে
তেওঁলোকে ভৱিষ্যতলৈও অমৰ হৈ থাকিব;
কাৰণ মানুহক দেখুওৱাই গ'ল সাহিত্যৰ সঠিক পথ
সেয়েহে, আঁহা আমি সকলোৱে একেলগে
জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে উন্নতিৰ বাটত আগবাঢ়ি যাওঁ
এয়াই মোৰ আহ্বান।





## মোৰ আই অসমী জননী জন্মভূমি

ৰফিকুল ইছলাম
বিজ্ঞান শাখা

কি ভাষাৰে জনাম সম্ভাষণ
কি নামেৰে মাতিম।
তুমিয়েই সৰগ তুমিয়েই মৰত
তুমিয়েই প্ৰেৰণাৰ উৎস অসীম।
সৰগ তুমি, মৰত তুমি
চিৰ বিনন্দিয়াৰে ভৰা।
নানা পখীৰ সুৱদি মাতত
নিশাৰ টোপনি সৰা।
লাচিতে কৈছিল হাতত হেংদাং লৈ
দেশতকৈ মোমাই ডাঙৰ নহয়।
ৰাঙলি কৰিছিল মোগলৰ তেজেৰে
শৰাইঘাটৰ বিশাল হৃদয়।
আই তুমি সতী জয়মতীৰ
দেহ ত্যাগৰ দেশ;
কেতিয়া যে হ'ব দুৰৱস্থা
আৰু দানৱৰ শেষ।
চিৰ সেউজীয়া চিৰবিনন্দীয়া
নদ-নদীৰে ভৰা।
শস্য-শ্যামলা চিৰযুগমীয়া
তুমিয়েই যেন বিশ্ব ধৰা।
শেষ নহ'ব আই তোমাৰ
গুণ-গৰিমাৰ বেশ
স্বৰ্গ বিচাৰি নজাওঁ জননী
তুমিয়েই মোৰ আপোন দেশ।



## আমন্ত্ৰণ

জাহিৰ আব্বাছ
স্নাতক ষষ্ঠ ষাণ্মাসিক

তুমি এবাৰ আহা
সেউজীয়া বতাহ জাকৰ সতে,
লৈ যোৱা মোক জোনাকৰ দেশলৈ
উদং আকাশৰ বুকুলৈ—
ফুল, তৰা আৰু গানৰ মাজলৈ।

তোমাৰ কথা মনত পৰিলে
মই মোৰ মনৰ দুৱাৰ খুলি দিও
কিজানিবা তুমি অহা।
মোৰ যন্ত্ৰণা বিধ্বস্ত প্ৰতি ৰাতিৰ
উশাহৰ শব্দৰ মাজেৰে—
জুমি চোৱা মোক পালন কৰা
তোমাৰ মৰমৰ মুখখন ঘাঁহনিত

তোমাৰ হাঁহিৰ প্ৰতিটো ক্ষণত
তোমাৰ বাঁহীত মধুৰ সুৰত
তোমাৰ বুকুৰ নেদেখা
পজাঁত সোমাই সজাই তোলা

## আমি আৰু আমাৰ লক্ষ্য

শাহনেৱাজ পাৰবীন
স্নাতক দ্বিতীয় ষান্মাসিক

আমি অসমীয়া
আমি অসমৰ ভূমিপুত্ৰ 'মিঞা'
আমি অসমীয়া
জন্ম আমাৰ মহাভাৰতৰ কৰ্ণৰ দৰে
অসম মাতৃয়ে সেন্দুৰ নিপিন্ধোতে
জন্ম পোৱা মিঞা
আমি অসমীয়া
পবিত্ৰ অসম মাতৃৰ স্তন পাণ কৰি
আমি জীয়াই আছোঁ
অসমৰ ভাষা সংস্কৃতিক জীয়াই ৰাখিবলৈ
আমাৰ ভাষিক শত্ৰুক পৰাভূত কৰি,
আমি জীয়াই আছোঁ।
সেউজ বিপ্লৱ আনি জাকত জিলিকা
সোণৰ অসম গঢ়িবলৈ,
আমি জীয়াই থাকিম অনন্ত কাললৈ।
বৃহত্তৰ অসমীয়া জাতি গঠনাৰ্থে
আৰু.......??
আগশাৰীত প্ৰতিষ্ঠিত কৰিম
বিশ্ব দুৱাৰত—
অসমীয়া ভাষা-সাহিত্যক।





## মানৰ জীৱন সোঁৱৰণ

আব্দুল বাছে
স্নাতক দ্বিতীয় ষান্মাসিক

মানৰ জীৱনত আছে সুখ দুখৰ সমাহাৰ
তাৰ মাজতে বিৰাজ কৰে শত কল্পনাৰ
কৰো কল্পনা নাহে কামত
নাবাজে জয়ধ্বনি।
দেও দি উৰি পখিটিৰ দৰে কল্পনাপ্ৰৱণ মন
আছে সম্পত্তি নাহে কামত
সময়ৰ সৎ ব্যৱহাৰত
চেষ্টা কৰা বাৰে বাৰে আহিব কামত
যদি নাহে তাৰ প্ৰতিদান পাবা জীৱনত।
যদি তুমি কৰা সাধনা মানৰ জীৱনত
আহি যাব সুখ তোমাৰ জীৱন মৰণত।
তুমি বিচৰা জ্ঞানৰ জীৱন
চেষ্টা কৰা সফলতা আহিব জীৱনত
মানৰ জীৱনত হয় সুখ দুখৰ সমাহাৰ
তাৰ মাজতেই আহি পৰে অনন্তৰ প্ৰভাৱ।







# In Pursuit of Happiness

**B. K. Samal**
Associate Professor
Deptt. of English

